● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in



৭ আদানী-আম্বানীসহ বিশ্বৰ শীৰ্ষ ধনাঢ্যৰ সম্পত্তি হ্ৰাস
১৫ মোৰ লক্ষ্য দেশক সোণ দিয়া ঃ লাভলীনা
৪ নাগৰিকক দেশদ্ৰোহী সজোৱাৰ ৰাজনীতি


### দিগ্‌দৰ্শন

এজন মাদ্ৰাছী, এজন ব্ৰাহ্মণ, দক্ষিণ ভাৰতৰ এজন লোক অথবা এজন হিন্দু হোৱাটো তোমাৰ গৌৰৱ নহয়। তোমাৰ গৌৰৱ এয়ে যে তুমি ভাৰতীয়।

সৰোজিনী নাইডু
*মুক্তিযুঁজাৰু*




RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২১০তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ২৭ ব'হাগ ১৪২৯ ভাস্কৰাব্দ ১১ মে' ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 11 May 2022 মূল্য ঃ ৯.০০ টকা


## পাৰ্শ্বজ্যোতি

### *হৈ যাব, এতিয়া সকলোৱে ভাষণ শুনক*

**কেন্দ্ৰীয়** গৃহমন্ত্ৰী অমিত শ্বাহে আজি খানাপাৰা খেলপথাৰৰ মঞ্চত প্ৰৱেশ কৰাৰ পাছতে 'অমিত শ্বাহ জিন্দাবাদ' ধ্বনিৰে বহু সময় ধৰি মুখৰিত হৈ পৰে খেলপথাৰ। শ্বাহে ভাষণ দিবলৈ আৰম্ভ কৰিয়ে ভাৰত মাতা কি জয় ধ্বনি দিয়ে আৰু উপস্থিত হেজাৰ হেজাৰ লোকেও ধ্বনি দিয়ে। তেওঁ ভাষণ আৰম্ভ কৰে যদিও উপস্থিত ৰাইজৰ অমিত শ্বাহ জয়ধ্বনি অব্যাহত থাকে। অস্বস্তিত শ্বাহে কৈয়ে পেলালে, 'হৈ যাব, এতিয়া সকলোৱে ভাষণ শুনক।'

### *তালাচী বাইদেউক' তামোল দি খুড়ীৰ দুখ*

**জাগীৰোডৰ** টেলাহীৰ এগৰাকী খুড়ী। তামোল খাই ওঁঠ-দাঁত একেবাৰে ৰাঙলী কৰি আহিছে খুড়ীয়ে। খুড়ীৰ আজি হেনো বৰ দুখ। সভালৈ অহাৰ মূল প্ৰৱেশ পথত ঘৰৰ পৰা কাটি অনা তামোল চালি ৰাখি থ'লে আৰক্ষীয়ে। তাৰ পূৰ্বে তিনিখন তামোল মুখত ভৰাই সেয়াই চোবাই আছে তেওঁ। পুৱাতে ১৫খন তামোল ধুনীয়াকৈ কাটি বান্ধি আনিছিল খুড়ীয়ে। 'এতিয়া হেনো তামোলৰ প্ৰৱেশ নিষেধ বিজেপিৰ সভাত। ক'ত মৰো মই বুলি দিওঁ নিদিওঁকৈ তামোলৰ ঠোঙাটো আগবঢ়াই দিলো তালাচী বাইদেউক।' বিষণ্ণ মনেৰে কথাখিনি ক'লে খুড়ীয়ে।

### *'জংঘলী নুহই। ইটু গেলাটোহে!'*

**উৎকট** গৰম। সভাত বহি থকা অধিকাংশ লোকে বিচাৰি আছে খোৱাপানী। কিয়নো সভাস্থলীত পানীৰ বটল আনিবলৈ দিয়া নাই কাকো। পিয়াহত অণ্ঠ-কণ্ঠ শুকাই গৈছে সকলোৰে। ইফালে, বহাৰ পৰা উঠি গৈ পানী খাবও নোৱাৰে। কিয়নো আসন হেৰুৱাব। সেয়ে সেপ ঢুকি ঢুকি বাৰে বাৰে কাষতে ৰৈ থকা দলৰ মহিলা কৰ্মকৰ্তাক বিচাৰিছে খোৱাপানী। তেনেতে অলপ পাছতে দুটা কাৰ্টন আনি ওচৰতে থ'লে দুজন কৰ্মকৰ্তাই আৰু কাৰ্টন খুলি কেইটামান পেকেট উলিয়াই আগবঢ়াই দিলে ফালে। পেকেট দেখি এজনে ক'লে, 'ওই ইটু ছোন জংঘলী। খাই কিবা নিচা-চিছা লাগবু নাকি।' মহিলা কৰ্মকৰ্তাৰ ধেমেলীয়া উত্তৰ, 'জংঘলী নুহই। ইটু গেলাটোহে!'

### *প্ৰধানমন্ত্ৰী শ্বাহ, গৃহমন্ত্ৰী মোদী*

**চৰকাৰৰ** প্ৰথম বৰ্ষপূতিৰ অনুষ্ঠানত হেজাৰ হেজাৰ ৰাইজৰ সন্মুখত ভাষণ প্ৰদান দিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ভাষণৰ মাজতে সংবিধানৰ পৰা ৩৭০ ধাৰা প্ৰত্যাহাৰ, ৰাম মন্দিৰ নিৰ্মাণ, সেনা বাহিনীৰ বিশেষ ক্ষমতা আইন প্ৰত্যাহৰ আদিৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ গ্ৰহণ কৰা ভূমিকাক ধন্যবাদ জনাবলৈ গৈ কয়, 'প্ৰধানমন্ত্ৰী অমিত শ্বাহ আৰু গৃহমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নাড্ডাক ধন্যবাদ আৰু কৃতজ্ঞতা জনালো।' মুখ্যমন্ত্ৰীৰ এই মন্তব্য সম্প্ৰতি সামাজিক মাধ্যমত ভাইৰেল হৈছে।

| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩০° | ২৪° |
| ডিব্ৰুগড় | ২০° | ২২° |
| দিল্লী | ৩৯° | ৩০° |
| কলকাতা | ৩০° | ২৭° |
| মুম্বাই | ৩২° | ২৯° |
| চেন্নাই | ৩৩° | ২৯° |
| বাংগালুৰু | ২৭° | ২২° |
| শ্বিলং | ২০° | ১৭° |

১০ মে', ২০২২

## চেঙা তেল



*দেখিলে আমাৰ এৰি অহা দলৰ কাৰ্যালয়, আমি যে শক্তিশালী আছিলো এয়েই প্ৰমাণ!*

■ অনুপ্ৰৱেশ-প্ৰব্ৰজনৰ ঘটনা হ্ৰাস পাইছে ■ ছবছৰত সন্ত্ৰাসবাদ-আন্দোলন-হিংসাৰ ঠাইত শান্তি স্থাপন হৈছে ■ অসম এদিন চিকিৎসা কেন্দ্ৰ হ'ব ■ উন্নয়ন-প্ৰগতি-শিক্ষাৰ এক নৱযুগৰ আৰম্ভ

# সেনাৰ সলনি যুৱপ্ৰজন্মক বিশেষ ক্ষমতা



■ ৰূপকোঁৱৰ-অম্বিকাগিৰী-বাজপেয়ীৰ গীত-কবিতাৰে মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ এবছৰীয়া খতিয়ান ঃ প্ৰাক্তন মুখ্যমন্ত্ৰী সোণোৱালক কৃতজ্ঞতা

হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ প্ৰথম বৰ্ষপূৰ্তিত গৃহমন্ত্ৰী অমিত শ্বাহৰ উদাত্ত ভাষণ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১০ মে'** ঃ বিজেপি চৰকাৰৰ ছবছৰীয়া শাসন কালত অসমে সন্ত্ৰাসবাদ, আন্দোলন, হিংসাৰ পৰা মুক্ত হৈ শান্তি, প্ৰগতি, উন্নত স্বাস্থ্য, শিক্ষাখণ্ডত বিকাশৰ পথ প্ৰশস্ত কৰি দেশৰ এখন উন্নত ৰাজ্যৰূপে প্ৰতিষ্ঠাৰ দিশে অগ্ৰসৰ হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে আয়োজিত বিশাল ৰাজহুৱা সভাত অংশ লৈ আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ভাষণত এইদৰে কয়। খানাপাৰা



পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজিত ড° শৰ্মা চৰকাৰৰ প্ৰথম বৰ্ষপূৰ্তি অনুষ্ঠানত হেজাৰ হেজাৰ জনতাক সম্বোধন কৰি গৃহমন্ত্ৰী শ্বাহে ২০১৪ৰ সময়ছোৱাত অসমৰ জনতাৰ যি উৎসাহ আছিল আজি বৰষুণৰ মাজতো সেই উৎসাহ একেই আছে বুলিও কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰী মোদীৰ সপোনৰ অসম কেৱল উত্তৰ-পূৱতে নহয়, আজি দ্ৰুতগতিত দেশৰ বুকুতে উজলিছে বুলি প্ৰশংসা কৰে গৃহমন্ত্ৰীয়ে। পুৰণি স্মৃতি ৰোমন্থন কৰি তেওঁ *১০ পৃষ্ঠাত চাওক*

■ দেশৰ ভিতৰতে উল্লেখনীয় অসম আৰক্ষীৰ দৃঢ়তা আৰু দায়বদ্ধতা ঃ গৃহমন্ত্ৰী শ্বাহ
■ শতিকাজোৰা কঠোৰ শ্ৰমৰ স্বীকৃতি পালে অসম আৰক্ষীয়ে ঃ মুখ্যমন্ত্ৰী ড° শৰ্মা

## ঐতিহাসিক ক্ষণক সাক্ষী কৰি অসম আৰক্ষীয়ে গ্ৰহণ কৰিলে ৰাষ্ট্ৰপতিৰ নিচান

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১০ মে'** ঃ প্ৰায় ডেৰশ বছৰৰো অধিক কাল অপৰাধ আৰু অপৰাধীৰ বিৰুদ্ধে অক্লান্ত যুঁজ আৰু কঠোৰ সংগ্ৰামৰ স্বীকৃতি স্বৰূপে আজি অসম আৰক্ষীয়ে লাভ কৰিলে মৰ্যাদাপূৰ্ণ ৰাষ্ট্ৰপতি নিচান। ভাৰত চৰকাৰৰ গৃহমন্ত্ৰী অমিত শ্বাহৰ হাতৰ পৰা মহানগৰীৰ নেহৰু ষ্টেডিয়ামত আয়োজন কৰা এক বৰ্ণাঢ্য কাৰ্যসূচীত আজি আনুষ্ঠানিকভাৱে অসম আৰক্ষীয়ে ৰাষ্ট্ৰপতিৰ নিচান গ্ৰহণ কৰাৰ লগে লগে অসম দেশৰ ভিতৰতে এনে সন্মান লাভ কৰা দশম ৰাজ্যত স্থান পালে। ৰাষ্ট্ৰপতিৰ নিচান প্ৰদানৰ উদ্দেশ্য আয়োজন কৰা আজিৰ অনুষ্ঠানত ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে কয় যে আজিৰ দিনটোত ৰাষ্ট্ৰপতিৰ নিচান লাভ কৰাৰ লগে লগে অসম আৰক্ষী দেশৰ ভিতৰতে অন্যতম দায়বদ্ধ আৰক্ষী বাহিনীত পৰিণত হ'ল। দেশৰ ৰাষ্ট্ৰপতিৰ নিচান লাভ কৰাটো কোনো ৰাজ্যৰ আৰক্ষী বাহিনীৰ কাৰণে সাধাৰণ *১০ পৃষ্ঠাত চাওক*



## বছৰটো পৰিশ্ৰমৰ-সংকল্পৰ, অপৰাধ-অপৰাধী মুক্ত কৰাৰ যুদ্ধৰ সময় আছিল

■ ২৫ হেজাৰ যুৱক-যুৱতীক নিযুক্তি ■ অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত হ'ব ছয় লাখ মহিলা-১৫ আগষ্টৰ পৰা মাহিলি ১,২৫০ টকা পাব

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১০ মে'** ঃ 'এক লাখ নিবনুৱাক চৰকাৰী নিযুক্তিকে ধৰি কে'বাটাও গুৰুত্বপূৰ্ণ সংকল্পৰে ৰাজ্যত দ্বিতীয়বাৰলৈ বিজেপি মিত্ৰজোঁটে গঠন কৰা চৰকাৰখনে আজি এবছৰ সম্পূৰ্ণ কৰিলে। সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰি অহা ১৪ মে'ত ৰাজ্যৰ ২৫ হেজাৰ যুৱক-যুৱতীক চৰকাৰীভাৱে নিযুক্তি প্ৰদান কৰা হ'ব।' *১০ পৃষ্ঠাত চাওক*



বহুতেই আঁচনিৰ চেক নোপোৱাৰ অভিযোগ মুখ্যমন্ত্ৰীক দিবলৈ আহে

## ৰাজ্য চৰকাৰৰ বৰ্ষপূৰ্তিত শদিয়াৰ পৰা ধুবুৰীলৈ দলে-বলে আহিল ৰাইজ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১০ মে'** ঃ ৰাজ্যত ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি মিত্ৰজোঁটৰ চৰকাৰখনে সম্পূৰ্ণ কৰিলে শাসনৰ এটা বছৰ। এই উপলক্ষে গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসালয়ৰ খেলপথাৰত আয়োজন কৰা হয় এক বিশাল ৰাজহুৱা সভা। এয়া যেন কোনো সভা নহয়, এয়া *১০ পৃষ্ঠাত চাওক*

অসমৰ যুৱচামক ভাৰতীয় প্ৰেক্ষাপটত ভাবিবলৈ ক'লে গৃহমন্ত্ৰী শ্বাহে ■ পাঁচটা বৃহৎ আঁচনিৰ আধাৰশিলা স্থাপন

## পাঁচ ট্ৰিলিয়ন ডলাৰৰ অৰ্থনীতি নিৰ্মাণৰ অংশীদাৰ হ'বলৈ আহ্বান



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১০ মে'** ঃ বিজেপি মিত্ৰজোঁট চৰকাৰৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথম বৰ্ষপূৰ্তিৰ লগত সংগতি ৰাখি আজি মহানগৰীৰ পাঞ্জাবাৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত অসম চৰকাৰে পাঁচটাকৈ বৃহৎ আঁচনিৰ আধাৰশিলা *১৩ পৃষ্ঠাত চাওক*

## সন্তুৰৰ ঝংকাৰ স্তব্ধ কৰি চিৰবিদায় ল'লে পদ্মবিভূষণ শিৱকুমাৰে

থমকি ৰ'ল শিৱ-হৰিৰ যুগলবন্দী



**■নিউজ ব্যুৰ'**

**মুম্বাই, ১০ মে'** ঃ সন্তুৰৰ ঝংকাৰ স্তব্ধ কৰি চিৰকাললৈ বিদায় ল'লে দেশৰ প্ৰখ্যাত সন্তুৰবাদক পণ্ডিত শিৱকুমাৰ শৰ্মাই। উত্তৰ ভাৰতীয় শাস্ত্ৰীয় সংগীতত *১০ পৃষ্ঠাত চাওক*

## বেংকৰ গ্ৰাহক সেৱা কেন্দ্ৰৰ স্বত্বাধিকাৰীক গুলিয়াই আহত নগাঁৱত

**বিশেষ সংবাদদাতা**

**নগাঁও, ১০ মে'** ঃ আজি সন্ধিয়া সাত বজাত নগাঁও জিলাৰ আমবাগান আৰক্ষী চকীৰ অন্তৰ্গত কাঠপাৰাত এটা বেংকৰ গ্ৰাহক সেৱা কেন্দ্ৰ (চিএছপি)ৰ স্বত্বাধিকাৰীক দুৰ্বৃত্তই গুলীয়াই আহত কৰে। উক্ত ঘটনাত গুৰুতৰভাৱে আহত লোকজন হ'ল হুমায়ুন কবিৰ। আৰক্ষী সূত্ৰই সদৰী কৰা মতে, আজি সন্ধিয়া হুমায়ুনে কলিয়াবৰৰ পৰা *১৩ পৃষ্ঠাত চাওক*

■ উচ্চতম ন্যায়ালয়ত শপতনামা দাখিল

## হিন্দুক 'সংখ্যালঘু' মৰ্যাদা প্ৰদানৰ বিষয়ে কেন্দ্ৰীয় চৰকাৰে পুনৰ্বিবেচনা কৰিব

দেশৰ নখন ৰাজ্যত সংখ্যালঘুত পৰিণত



**নিউজ ব্যুৰ'**

**নতুন দিল্লী, ১০ মে'** ঃ একাংশ ৰাজ্যত হিন্দুসকলক 'সংখ্যালঘু' মৰ্যাদা প্ৰদানৰ বিষয়টো পুনৰ্বিবেচনা কৰিব কেন্দ্ৰীয় চৰকাৰে। যিসমূহ ৰাজ্যত হিন্দু সম্প্ৰদায়ৰ বসবাস তুলনামূলকভাৱে কম, সেই ৰাজ্যসমূহৰ স'তে এই বিষয়ত কেন্দ্ৰই আলোচনা কৰিব। আজি উচ্চতম ন্যায়ালয়ত শপতনামা দাখিল কৰি এই কথা জনালে কেন্দ্ৰই। উচ্চতম ন্যায়ালয়ক আজি কেন্দ্ৰই জনায় যে ভৱিষ্যতে দেশত সৃষ্টি হ'ব *১০ পৃষ্ঠাত চাওক*

## দেৰগাঁৱত ছবছৰীয়া কন্যাক ঘপিয়াই হত্যা কৰিলে মাতৃয়ে

আত্মহত্যাৰো ব্যৰ্থ চেষ্টা

**দেৰগাঁও, ১০ মে'** ঃ এগৰাকী মহিলাই কণমানি কন্যাক নৃশংসভাৱে দাৰে ঘপিয়াই হত্যা কৰাৰ লগতে নিজেও আত্মহত্যাৰ অপচেষ্টা চলোৱাৰ শিহৰণকাৰী ঘটনা সংঘটিত হৈছে গোলাঘাট জিলাৰ দেৰগাঁৱত। দেৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত নাচনীপাৰাত আজি বিয়লি এই ঘটনা সংঘটিত হয়। প্ৰাপ্ত তথ্য অনুসৰি, নাককাটি হাইস্কুলৰ কেৰাণী বিকাশ সেনাপতিৰ পত্নী বনশ্ৰী বৰা সেনাপতি (৩০)য়ে নিজগৃহৰ কোঠাত *১৩ পৃষ্ঠাত চাওক*


ASSAM down town UNIVERSITY Encouraging Success
Assam down town University Guwahati
An ISO 9001:2015 Certified & NAAC Accredited University
ADMISSIONS OPEN 2022-23
PROGRAMMES OFFERED
Engineering & Technology
B.Tech
Civil | Mechanical | Computer Science | Computer Science (CT & IS)
BCA
Specialization
Data Science | AI & ML | Block Chain & Crypto Mining | Computer Networking & System Security
BCA (CT & IS)
B.Sc. IT (MA & IS) & (CT & IS)
Humanities & Social Sciences
B.S.W. | M.S.W. |
BA Psychology | Sociology |
Performing Arts
M.Sc. Clinical Psychology |
MA Sociology | Applied Psychology
Commerce & Management
BBA
Specialization
HR | Marketing | Banking and Insurance | Business Accounting | Tourism & Travel | International Business | Hospital Management | Retail Management | Family Business and Entrepreneurship
Bachelor of Hotel Mgmt. & Catering Tech.
MBA
Specialization
Marketing | Finance | HR | Banking & Insurance
Travel & Tourism | Business Analytics
MBA Health Care Management
Scan & Apply
Admission & Information Centers
GUWAHATI OFFICE: Ph: 98641-37777 / 93657-71454
JORHAT OFFICE: AT Road Kotaki Pukhuri, near Indian Oil Petrol Pump, Jorhat, PIN- 785006, Ph: 91270-14877
MORANHAT OFFICE: down town Public School, Abhoypur, Moranhat, Charaideo District Ph: 70867-29735
NALBARI OFFICE: Santipur, Law College road, Infront of Little Genius Play School, Ward no- 7 Ph: 70994-28310
DHUBRI OFFICE: R.K. Misson road, Pyari Mohan lane, Dhubri, PIN- 783324 Ph: 70995-97701
Campus: Assam down town University, Gandhi Nagar, Panikhaiti, Guwahati-781026


■ প্ৰাণ বচাবলৈ সপৰিয়ালে নৌসেনা বাহিনীৰ ঘাটিত আশ্ৰয় ল'লে পদত্যাগী প্ৰধানমন্ত্ৰীয়ে

## শ্ৰীলংকাত সেনা-আৰক্ষীৰ হাতত ক্ষমতা ন্যস্ত

**■ নিউজ ব্যুৰ'**

**কলম্বো, ১০ মে'** ঃ সময় বাগৰাৰ লগে লগে শ্ৰীলংকাৰ পৰিস্থিতি অধিক উত্তপ্ত হৈছে। ক্ৰমাৎ প্ৰতিবাদ-বিক্ষোভ তীব্ৰতৰ হোৱাৰ মাজতে আজি শ্ৰীলংকাত সেনা শাসন জাৰি কৰা হয়। সাম্প্ৰতিক পৰিস্থিতিত শ্ৰীলংকাত সেনা আৰু আৰক্ষীৰ হাতলৈ ক্ষমতা হস্তগত কৰা হয়। চৰকাৰী পক্ষ আৰু বিক্ষোভকাৰীৰ মাজত কে'বালানি সম্পৰ্কত কালি পাঁচজন লোক নিহত হৈছিল আৰু দুশৰো অধিক



আহত হয়। প্ৰধানমন্ত্ৰী মহেন্দ্ৰ ৰাজাপক্ষই পদত্যাগ কৰাৰ পাছত শ্ৰীলংকা বিক্ষোভৰ অগ্নি দাওদাওকৈ জ্বলি উঠে। বিগত কে'বামাহ ধৰি অৰ্থনৈতিক সংকটত ভুগি থকা ৰাষ্ট্ৰখনৰ সংসদৰ অধ্যক্ষ মহিন্দ্ৰ য়াপা আবেবৰ্ধনে আজি ৰাষ্ট্ৰপতি গোটাবায়া ৰাজাপক্ষক জৰুৰীকালীনভাৱে সংসদৰ অধিবেশন অনুষ্ঠিত কৰিবলৈ পৰামৰ্শ দিয়া বুলি সূত্ৰত প্ৰকাশ। দেশৰ এই পৰিস্থিতিক লৈ বিভিন্নজনে উদ্বেগ প্ৰকাশ কৰিছে। প্ৰাক্তন *১০ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত
যোৰহাট, ১১ মে', ২০২২ বুধবাৰ পৃষ্ঠা তিনি

## চাওতাল জনগোষ্ঠীক চাহ জনগোষ্ঠীৰ স'তে চামিল কৰাৰ প্ৰতিবাদত সমদল

**অগ্ৰদূত বাৰ্তা**
**শ্ৰীৰামপুৰ/গোসাঁইগাঁও, ১০ মে' ঃ** অসমৰ চাওতাল জনগোষ্ঠীক সৰ্বদিশতে প্ৰতাৰণা কৰাৰ লগতে চাহ জনগোষ্ঠীৰ লগত একত্ৰিত কৰি ব্যৱসায়ীৰ হাতত অৰ্পণৰ যি চক্ৰান্ত তাৰ বিৰুদ্ধে সদৌ চাওতাল ছাত্ৰ সন্থাই আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। ইয়াৰ অংশৰূপে আজি গোসাঁইগাঁও সদৰ চহৰৰ নিকটৱৰ্তী হাবৰুবিলস্থিত ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ পৰা মটৰ চাইকেল সমদল উলিওৱা হয়। গোসাঁইগাঁও সদৰ চহৰৰ চাওতাল জনবসতিপূৰ্ণ অঞ্চলসমূহ মটৰ চাইকেল সমদল কৰি সজাগতাৰ সৃষ্টি কৰে। দুই শতাধিক মটৰ চাইকেল ছয় পৃষ্ঠাত চাওক

# নগাঁৱত জনগাঁথনিয়েই সলনি কৰিছে কাঠামো

## ■ সামাজিক-ৰাজনৈতিক-অৰ্থনৈতিক ক্ষেত্ৰত দেখা দিছে ব্যাপক পৰিৱৰ্তন

**বিশেষ সংবাদদাতা**
**নগাঁও, ১০ মে' ঃ** অবিভক্ত নগাঁও জিলাত হোৱা ব্যাপক জন বিস্ফোৰণ ঘটিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত অবিভক্ত জিলা খনৰ জনগাঁথনিয়েই ক্ৰমাৎ সলনি হৈছে। ইয়াৰ লগে লগে অবিভক্ত জিলাখনৰ সামাজিক-ৰাজনৈতিক-সাংস্কৃতিক আৰু অৰ্থনৈতিক কাঠামোৰ অস্বাভাৱিক পৰিৱৰ্তন হৈছে। বিগত ১৯৯১ৰ লোকপিয়লত অবিভক্ত নগাঁও জিলাৰ জনসংখ্যা আছিল ২০,৭৩,৬৩৬ জন। সেই সময়ত অবিভক্ত জিলাখনৰ জন বসতিৰ ঘনত্ব আছিল প্ৰতি বৰ্গকিলোমিটাত মাত্ৰ ৪৫৮ জন। কিন্তু ২০১১ৰ লোকপিয়লৰ তথ্য অনুসৰি অবিভক্ত জিলাখনৰ জনসংখ্যা হয়গৈ ২৮,২৩,৭৬৮জন। একেদৰে অবিভক্ত জিলাখনৰ জনবসতিৰ ঘনত্ব প্ৰতি কিলোমিটাৰত ৭১১ জন হয়গৈ যিটো অতি উদ্বেগজনক বিষয়। লোকপিয়ল হৈ যোৱা ইতিমধ্যে ন বছৰ উকলিছে। এই পৰ্যন্ত অবিভক্ত জিলাখনৰ জনসংখ্যা প্ৰায় ৩৯ লাখৰো অধিক হৈছেগৈ। সেয়েহে বৰ্তমান অবিভক্ত নগাঁও জিলাৰ জনবসতিৰ ঘনত্ব প্ৰতি বৰ্গকিলোমিটাত ৮৫০ জনৰো অধিক হোৱাৰ সম্ভাৱনাই প্ৰকট হৈছে। স্মৰ্তব্য যে ১৯০১ত অবিভক্ত নগাঁও (নগাঁও, মৰিগাঁও, হোজাই) জিলাখনৰ মুঠ জনসংখ্যা আছিল মাত্ৰ ২,৬১,১৬০ জন। সেই সময়ত অবিভক্ত জিলাখনৰ জনবসতিৰ ছয় পৃষ্ঠাত চাওক



দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰঙালী বিহুত ঢোল বজোৱাৰ পাছত অসমত ৰাজ্য চৰকাৰৰ বৰ্ষপূৰ্তিত গৃহমন্ত্ৰী অমিত শ্বাহে ঢোলত মাৰিলে চাপৰ, মঙলবাৰে।

## কৃষকৰ ভূমি অধিগ্ৰহণৰ বিৰুদ্ধে সৰৱ সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থা

**বিশেষ সংবাদদাতা**
**নগাঁও, ১০ মে' ঃ** কাছাৰ জিলাৰ বৃহত্তম চাহ বাগিচা ডলু চাহ বাগিচাৰ ভূমি অধিগ্ৰহণ কৰি বিজেপি চৰকাৰে গ্ৰীনফিল্ড বিমানবন্দৰ নিৰ্মাণ কৰাৰ বাবে গ্ৰহণ কৰা প্ৰস্তাব ৰাইজ বিৰোধী- শ্ৰমিক বিৰোধী। বৃহৎ ব্যৱসায়ীৰ স্বাৰ্থত গ্ৰহণ কৰা প্ৰস্তাৱ তথা পৰিকল্পনাৰ বিৰোধীতা কৰিছে সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থাই। আজি এক বিবৃতিত এই কথা উল্লেখ কৰিছে সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি শুভ্ৰজ্যোতি বৰ্ধন আৰু সাধাৰণ সম্পাদক অৰূপ কুমাৰ মহন্তই। উক্ত বিবৃতিটোত নেতাদ্বয়ে পুনৰ কয়, 'অসমৰ কাগজ কলসমূহৰ পৰা আৰম্ভ কৰি মিকিৰ বামুণী গ্ৰাণ্ট, গুৱাহাটী বিমানকোঠৰ সম্প্ৰসাৰণ, ডিব্ৰুগড়ৰ মিৰি গ্ৰাণ্টৰ মাটি বণিয়াৰ নামত নামজাৰি আদি কাৰ্যই হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰৰ ৰাইজ বিৰোধী-শ্ৰমিক বিৰোধী চৰিত্ৰ আৰু বৃহৎ ছয় পৃষ্ঠাত চাওক

## দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যান ধ্বংস ঃ উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী ছয় সংগঠনৰ

**অগ্ৰদূত বাৰ্তা**
**নাহৰকটীয়া, ১০ মে' ঃ** দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানখনত চলা ধ্বংস কাৰ্যৰ ওপৰত উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাই ছটাকৈ সংগঠনে আজি অসমৰ মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰিছে। নাহৰকটীয়া ৰাজহ চক্ৰ বিষয়া আৰু জিলা উপায়ুক্তৰ যোগেদি প্ৰেৰণ কৰা আটছাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ললিত মাহালী, আগাছু ডিব্ৰুগড় জিলা সমিতিৰ সহকাৰী সম্পাদক পুষ্কৰ শৰ্মা, আছা নাহৰকটীয়া আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক মিখেল পুৰ্তি, টাইপা নাহৰকটীয়া আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক চিন্তামণি কোঁৱৰ, বাঙালী ফেডাৰেছনৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি সুব্ৰত লোধ আৰু ভোজপুৰী পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ সাধাৰণ সম্পাদক ৰাকেশ তিৱাৰী স্বাক্ষৰিত স্মাৰকপত্ৰখনত উল্লেখ কৰিছে যে মনোমোহা প্ৰাকৃতিক পৰিৱেশ আৰু ছয় পৃষ্ঠাত চাওক

## আজি বিশ্বনাথত আজুৰ সাংবাদিক বঁটা প্ৰদান অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ১০ মে' ঃ** সদৌ অসম সাংবাদিক সন্থা (আজু)ৰ উদ্যোগত বিশিষ্ট সাংবাদিক ৰাধিকা মোহন ভাগবতী, প্ৰফুল্ল চন্দ্ৰ বৰুৱা, হৰি বৰ্মন আৰু ছহিদ সাংবাদিক মাণিক দেউৰী সোঁৱৰণী সাংবাদিকতা বঁটা কাইলৈ ৰাজ্যৰ পাঁচজন বিশিষ্ট সাংবাদিকক প্ৰদান কৰা হ'ব। কাইলৈ আজুৰ উদ্যোগত আৰু বিশ্বনাথ জিলা সাংবাদিক সন্থাৰ সহযোগত বিশ্বনাথ চাৰিআলিৰ কমলা কান্ত নাট্য সমাজৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব এই বঁটা প্ৰদান অনুষ্ঠান। মুখ্য কাৰ্যালয়ত আয়োজিত আজুৰ সভাপতি পংকজ কুমাৰ নাথৰ সভাপতিত্বত অনুষ্ঠিতব্য উক্ত অনুষ্ঠানত বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে মুখ্য অতিথি হিচাবে অংশগ্ৰহণ কৰিব। উল্লেখ্য যে 'ৰাধিকা মোহন ভাগৱতী সোঁৱৰণী সাংবাদিকতাৰ বঁটা' প্ৰদান কৰা হ'ব ছয় পৃষ্ঠাত চাওক

## নগাঁৱত হেৰ'ইনসহ ড্ৰাগছ সৰবৰাহকাৰী গ্ৰেপ্তাৰ



**বিশেষ সংবাদদাতা**
**নগাঁও, ১০ মে' ঃ** নগাঁও আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে নিৰন্তৰ অভিযান অব্যাহত ৰাখিছে। এই অভিযানৰ অংশৰূপে যোৱা নিশা নগাঁও আৰক্ষীয়ে অভিযান চলাই হেৰ'ইনসহ এজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। নগাঁৱৰ আৰক্ষী সূত্ৰই আজি সংবাদ মাধ্যমৰ আগত এই কথা সদৰী কৰে। নগাঁৱৰ ধিং থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মিতু দাস আৰু জাজৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অদিথ বড়োৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে নিশা জিলাখনৰ ধিং আৰক্ষী থানাৰ অন্তৰ্গত উধানতলাত অভিযান চলাই ছয় পৃষ্ঠাত চাওক

## জাঁজী অঞ্চলৰ বিশিষ্ট শিক্ষাবিদ, পণ্ডিত, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° কৃষ্ণকান্ত সন্দিকৈৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**
**আমগুৰি/নাজিৰা/গৌৰীসাগৰ, ১০ মে' ঃ** জাঁজীৰ বিশিষ্ট শিক্ষাবিদ, সংস্কৃত পণ্ডিত তথা জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° কৃষ্ণকান্ত সন্দিকৈৰ আজি পুৱতি নিশা মৃত্যু হয়। ১৯৪৪ত যোৰহাট জিলাৰ তামুলীছিগাত জন্ম গ্ৰহণ কৰা সন্দিকৈয়ে তামুলীছিগাতে প্ৰাথমিক শিক্ষা আৰম্ভ কৰি জাঁজী উচ্চ মাধ্যমিকৰ পৰা মেট্ৰিক আৰু যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী গ্ৰহণ কৰে। ইয়াৰ পাছতে মৰিজাঁজী চেঁচাসত্ৰ ছয় পৃষ্ঠাত চাওক

## তেজপুৰ পৌৰ অঞ্চলত সমস্যাৰ ৰূপত অৰ্ধশতাধিক গোহালি

### আৱৰ্জনাৰে পুতিছে প্ৰাকৃতিক হোলা ঃ নিৰ্বিকাৰ প্ৰশাসন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ১০ মে' ঃ** তেজপুৰৰ জয়মতী পথাৰৰ সমীপৰ বিএছএনএলৰ কাৰ্যালয়ৰ পিছফালৰ প্ৰাকৃতিক হোলাৰ এচোৱা গোহালিৰ আৱৰ্জনাই পুতি পেলোৱাৰ লগতে হাতীপিলখানা, কছাৰীগাঁও আৰু জাহাজঘাট তথা কেকোৰাপুলৰ সমীপৰ অঞ্চলত আছে যথেষ্ট সংখ্যক গোপালক। ব্যৱসায়ীক ভিত্তিত দৈনিক যথেষ্ট পৰিমাণৰ গাখীৰ উৎপাদন হোৱা এই গোশালাসমূহক লৈ সম্প্ৰতি বিভিন্ন অভিযোগ উত্থাপিত হৈ আহিছে। বছৰৰ পাছত বছৰ ধৰি এই গোহালিসমূহ ইয়াত থকাৰ ফলত আৰু এইবোৰ গোহালিৰ আৱৰ্জনা পেলাই অহাত ইয়াত এতিয়া প্ৰাকৃতিক হোলাসমূহৰে অতিৰিক্ত পানী নিস্কাশিত হোৱাটো বন্ধ হৈ



পৰাই নহয়, কাষৰীয়া অঞ্চলত মহ দাঁহৰ উৎপত্তি যথেষ্ট বৃদ্ধি পাইছে। জনবহুল অঞ্চলত ইয়াৰ বাবে এক অস্বাস্থ্যকৰ ছয় পৃষ্ঠাত চাওক

## মুক্তিনাথ শিৱদৌলত চুৰিৰ চেষ্টা চলোৱা চোৰ গ্ৰেপ্তাৰ

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ১০ মে' ঃ** শিৱসাগৰৰ ঐতিহাসিক মুক্তিনাথ শিৱদৌলত চুৰি কৰিবলৈ অহা অভিজিত দেৱ নামৰ এজন চোৰক যোৱা নিশা শিৱসাগৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। দানপাত্ৰত থকা নগদ ধনৰ লগতে দৌলৰ ভিতৰত থকা সোণৰ আ-অলংকাৰ চুৰি কৰাৰ উদ্দেশ্যে দৌলৰ ভিতৰত প্ৰৱেশ কৰাৰ চেষ্টা চলাওঁতেই নিৰাপত্তাৰক্ষীৰ খবৰৰ ভিত্তিত সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া যুগল কিশোৰ কলিতা আৰু নগৰৰ উপ-পৰিদৰ্শক বিশ্বজ্যোতি দুৱৰীৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলটোৱে এই চোৰজনক হাতে-লোটে ছয় পৃষ্ঠাত চাওক



দৈনিক
অগ্ৰদূত
গুৱাহাটী বুধবাৰ ২৭ ব'হাগ ১৪২৯ ভাস্কৰাব্দ ১১ মে' ২০২২



# চিকিৎসকৰ নিৰাপত্তা

দেশখনৰ মুখ্য ন্যায়াধীশ এন ভি ৰামানাই আমাৰ দেশখনত চিকিৎসকসকলৰ ওপৰত হ'বলৈ ধৰা ক্ৰমবৰ্দ্ধমান আক্ৰমণত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। কৰ্তব্যৰত চিকিৎসক আৰু চিকিৎসা বৃত্তিধাৰী লোকসকলৰ ওপৰত আমাৰ দেশৰ বিভিন্ন ৰাজ্যত আক্ৰমণ চলাটো নিত্য-নৈমিত্তিক ঘটনাত পৰিণত হোৱাটো উদ্বেগজনক।

দেশখনৰ মুখ্য ন্যায়াধীশগৰাকীয়ে কৈছে যে চিকিৎসকসকলৰ বিৰুদ্ধে মিছা গোচৰ জাপি দি তেওঁলোকক হাৰাশাস্তি কৰা দেখা গৈছে; অথচ এইসকল চিকিৎসক আৰু চিকিৎসা কৰ্মী অতি কৰ্তব্যপৰায়ণ। চিকিৎসকসকলৰ ওপৰত হোৱা আক্ৰমণৰ ঘটনাসমূহ ফহিয়াই চালে দেখা যায় যে ৯৯ শতাংশ এনে আক্ৰমণৰ ক্ষেত্ৰত চিকিৎসকসকল নিৰ্দোষী। চিকিৎসালয়ত যদিহে সা-সুবিধা নাথাকে তেনেহ'লে তাৰ বাবে চিকিৎসকক দোষী সাব্যস্ত কৰিব নোৱাৰি। আমাৰ দেশৰ বিভিন্ন অঞ্চলত কৰ্মৰত চিকিৎসকসকলে থকা-খোৱাৰ যথেষ্ট সুবিধা পায় বুলি ক'ব নোৱাৰি। তদুপৰি আমাৰ দেশত জনমূৰি চিকিৎসকৰ সংখ্যা কম হোৱা বাবে চিকিৎসকৰ ওপৰত হেঁচা অধিক। যোৱা ২০১৭ৰ হিচাপ অনুযায়ী আমাৰ দেশৰ প্ৰতি এহেজাৰ গৰাকী নাগৰিকক চোৱা-চিতা কৰাৰ বাবে জনমূৰি চিকিৎসকৰ সংখ্যা মাত্ৰ ১.৩৪ গৰাকী। কৰ্তব্যৰত চিকিৎসকসকলৰ ওপৰত সেয়েহে দৈহিক তথা মানসিক হেঁচা সৰ্বাধিক। সি যি কি নহওক, দেশখনৰ মুখ্য ন্যায়াধীশ ৰামানাই চিকিৎসকসকলক নিৰাপত্তা দিয়াৰ বাবে বিশেষ ব্যৱস্থা কৰিবলৈ আহ্বান জনাইছে। ড° কৰ্ণেল চি এছ পন্ত আৰু বাণিতা কাপুৰে যুটীয়াভাৱে ৰচনা কৰা 'এটলাছ অৱ ব্ৰেষ্ট এলাষ্টোগ্ৰাফী এণ্ড আলট্ৰাছাউণ্ড গাইডেড ফাইন নিড্‌ল ছাইট'লজী' নামৰ গ্ৰন্থ এখনি উন্মোচন কৰি চিকিৎসকসকলৰ জীৱনৰ নিৰাপত্তাৰ বিষয়টো উত্থাপন কৰে।

যোৱা বছৰ ক'ভিড মহামাৰীৰ সময়ছোৱাত দিনে-নিশাই কাম কৰি পৰিয়ালৰ পৰা বিচ্ছিন্ন হৈ ক'ভিড ৱাৰ্ডত চিকিৎসাধীন হৈ থকা ৰোগীসকলৰ সেৱাৰ বাবে উৎসৰ্গিত ডাক্তৰ আৰু চিকিৎসা কৰ্মীসকলৰ ওপৰত হোৱা আক্ৰমণক ভাৰতৰ এই মুখ্য ন্যায়াধীশগৰাকীয়ে তীব্ৰ গৰিহণা দিছিল। তেওঁ প্ৰশ্ন উত্থাপন কৰিছে যে আন কাৰোবাৰ অৱহেলা তথা ভুলৰ বাবে ডাক্তৰসকল জনসাধাৰণৰ ৰোষৰ বলি হ'ব কিয়? বিভিন্ন সামাজিক সমস্যাত সৰৱ বৰ্তমানৰ দেশৰ মুখ্য ন্যায়াধীশগৰাকীয়ে গুৰুত্বপূৰ্ণভাৱে চৰকাৰক সমালোচনা কৰি কৈছে যে আমাৰ দেশৰ স্বাস্থ্যখণ্ডক চৰকাৰে যথাবিহিত অগ্ৰাধিকাৰ দিব পৰা নাই আৰু এইটো এটি গুৰুতৰ বিষয়।

উল্লেখনীয় যে যোৱা ২০১৭ৰ আগষ্টত উত্তৰ প্ৰদেশৰ গোৰখপুৰত অক্সিজেন চিলিণ্ডাৰৰ অভাৱত বহু শিশুৰ মৃত্যু হৈছিল। ধন আদায় নিদিয়া বাবে বি আৰ ডি মেডিকেল কলেজ হাস্পতালত যোগানদাৰসকলে অক্সিজেনৰ যোগান ধৰা নাছিল। এই হাস্পতালৰ মুখ্য স্বাস্থ্য বিষয়া ডাঃ কাফেল খানে নিজৰ জেপৰ ধন ভাঙি অক্সিজেন চিলিণ্ডাৰ ক্ৰয় কৰি বহুতৰে জীৱন ৰক্ষা কৰিছিল যদিও তেওঁক কৰ্তব্যত অৱহেলা কৰাৰ অভিযোগত উত্তৰ প্ৰদেশ চৰকাৰে কাৰাগাৰত নিক্ষেপ কৰিছিল। সি যি কি নহওক, আদালতে ২০১৯ত তেওঁক নিৰ্দোষী বুলি ৰায় দিয়ে। এনে ধৰণৰ বহু লাঞ্চনা চিকিৎসকসকলে আমাৰ দেশত ভুগিবলগীয়া হয়। এহাতে ৰাজনৈতিক হেঁচা, আনহাতে কৰ্তব্যৰ আহ্বান আদিয়ে আমাৰ চিকিৎসকসকলক ব্যতিব্যস্ত কৰি তোলা দেখা যায়।

চিকিৎসকসকলৰ সুৰক্ষাৰ বাবে ভাৰতৰ মুখ্য ন্যায়াধীশগৰাকীয়ে যি মন্তব্য কৰিছে, সেয়া অতি গুৰুত্বপূৰ্ণ। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহে এই ক্ষেত্ৰত চিকিৎসকসকলৰ যথাবিহিত নিৰাপত্তাৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা কৰিব পাৰি।

## খোলা মঞ্চ

# ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা পাম কেনেকৈ?



**এখন** সুস্থ সমাজেহে সৎ চৰিত্ৰৰ সুস্থ মনৰ মানৱ সম্পদ সৃষ্টি কৰিব পাৰে। আমি সমাজৰ মানুহবোৰ যিমানে আধুনিক হৈ গৈ আছো সিমানেই আমাৰ সামাজিক মূল্যবোধ, কৰ্তব্যবোধ যেন নোহোৱা হৈ গৈ আছে। অতিমাত্ৰা আত্মকেন্দ্ৰিক হোৱাৰ ফলত হিতাহিত জ্ঞানশূন্য হৈ যিকোনো প্ৰকাৰে সম্পদ আহৰণ আৰু ক্ষমতা লাভৰ প্ৰতিযোগিতাত ব্যস্ত হৈ পৰিছে মানুহ। প্ৰয়োজনতকৈ বেছি সম্পদ আৰু প্ৰয়োজনতকৈ বেছি ক্ষমতাৰ খঁকত বলিয়ান মানুহ চামে নিজৰ স্বাৰ্থসিদ্ধিৰ কাৰণে ভ্ৰষ্টাচাৰী হৈ পৰাটো অৱধাৰিত হৈ পৰিছে। আগৰ সামাজিক প্ৰেক্ষাপট আৰু নৈতিকতাবোধৰ হাৱা-পানী খাই জীৱন গঢ়া মানুহখিনিয়ে জাতীয় স্বাৰ্থক সাৰোগত কৰি ৰাজনীতি কৰিবলৈ আহিছিল; য'ত ভ্ৰষ্টাচাৰৰ গোন্ধ নাছিল। আজিৰ ভ্ৰষ্টাচাৰী ৰাজনৈতিক নেতা-কৰ্মীসকলে ওঁঠত লৈ ফুৰে দেশপ্ৰেম; কিন্তু আগৰ ৰাজনৈতিক নেতা-কৰ্মীৰ তেজত প্ৰবাহিত হৈ আছিল দেশপ্ৰেম।

অসুস্থ মনৰ ভ্ৰষ্টাচাৰী ৰাজনৈতিক নেতা-কৰ্মীবোৰক নাইকিয়া কৰি আগৰ দৰে মূল্যবোধৰ জ্ঞান থকা ৰাজনীতি কৰা লোক পাবৰ কাৰণে আমি আটায়ে লগ লাগি আধুনিক সমাজখনৰ কিছুমান অপসংস্কৃতি নোহোৱা কৰিব লাগিব। কথাৰ ফুলজাৰি মৰা মানুহক ৰাজনীতি কৰিবলৈ সুবিধা দিব নালাগিব, কাৰণ তেনে মানুহে ৰাজনীতি কৰিবলৈ গৈ কথা আৰু কামৰ সামঞ্জস্য নৰখাৰ উদাহৰণ বহুত আছে। আজি কালি টকা থকা ধনাঢ্য ব্যক্তি নহ'লে আনকি পঞ্চায়তৰ সদস্য পদ এটাতো জিকি আহিব নোৱাৰে। গতিকে সৎ নিষ্ঠাৱান প্ৰাৰ্থী হোৱাৰ পাছতো টকা-পইচা খৰচ কৰিব নোৱাৰা প্ৰাৰ্থীয়ে ৰাজনীতিত কৃতকাৰ্য হ'ব নোৱাৰে। ধন থকা মানুহবোৰে নিৰ্বাচনত খৰচ কৰা টকাবোৰ নিৰ্বাচনত জিকাৰ পাছত যিকোনো প্ৰকাৰে সংগ্ৰহ কৰাৰ নামত ভ্ৰষ্টাচাৰী হৈ পৰে। আজিৰ সৰহ সংখ্যক ৰাজনৈতিক নেতা-কৰ্মীৰ জাতি, মাটি, স্বদেশৰ চিন্তাতকৈ ক্ষমতা লাভ আৰু সম্পদ আহৰণৰ চিন্তা বেছি। আজি কালিৰ প্ৰায়সকল ৰাজনৈতিক নেতা-কৰ্মীয়েই সামাজিক দায়-দায়িত্বতকৈ ব্যক্তিগত দায়-দায়িত্বক বেছি প্ৰাধান্য দিয়াৰ ফলত জনগণৰ অন্তৰত আজিৰ ৰাজনীতিকসকলৰ প্ৰতি আগৰ জনদৰদী ৰাজনীতিকৰ প্ৰতি থকাৰ দৰে শ্ৰদ্ধা নাই।

ক্ষমতা হস্তগত কৰা আৰু ধনৰ খঁকত ভ্ৰষ্টাচাৰত নিমজ্জিত হোৱা ৰাজনৈতিক নেতা-কৰ্মীৰ সলনি পূৰ্বৰ দৰে ৰাজনৈতিক নেতা-কৰ্মী পাবলৈ আমি ৰাজনীতিত জড়িত হোৱা মানুহখিনিৰ অন্তৰত জনসেৱা আৰু স্বদেশ প্ৰীতিৰ নিঃস্বাৰ্থ ভাবনা জগাই তোলাৰ পৰিৱেশ সৃষ্টি কৰিব লাগিব। পাঁচ বছৰ কাল যিকোনো প্ৰকাৰে এম পি বা এম এল এ হৈ কটাই নিজৰ জীৱনৰ নিৰাপত্তা নিশ্চিত কৰাৰ মানসিকতা লৈ ফুৰা মানুহবোৰ থকালৈ আমি পূৰ্বৰ দৰে জাতি-মাটিৰ সৎ চিন্তক দেশহিতৈষী ৰাজনীতিক পুনৰ পাম বুলি আশা কৰিব নোৱাৰো। তাতো কেৱল ৰাজনীতি কৰাৰ সপোন লৈ আন্দোলন কৰিবলৈ অহা নেতাৰ সংখ্যা বৃদ্ধি হোৱাটোৱেও ভ্ৰষ্টাচাৰ শূন্য ৰাজনৈতিক ব্যক্তিত্ব গঠন হোৱাত বাধাৰ সৃষ্টি কৰিছে।

প্ৰদীপ পৰাশৰ, লেখক
ফোন ঃ ৯৪৩৫৩৬৪৭৮০

## দেশদ্ৰোহিতাৰ আইন বাতিল হ'বনে?

# নাগৰিকক দেশদ্ৰোহী সজোৱাৰ ৰাজনীতি





নিউজ স্কেন
গীতাৰ্থ পাঠক



চৰকাৰৰ পৰা আৰম্ভ কৰি বিদ্ৰোহী সংগঠনলৈকে সকলোৱে এতিয়া দেশখনত দেশদ্ৰোহী বিচাৰি চলাথ কৰিবলৈ লৈছে। যেনেদৰে স্বাধীনতাৰ আগেয়ে ইংৰাজে দেশখনত মহাত্মা গান্ধী তথা স্বাধীনতা সংগ্ৰামী বাল গংগাধৰ তিলকৰ বিৰুদ্ধে এই একেখন দেশদ্ৰোহিতাৰ আইন প্ৰয়োগ কৰি তেওঁলোকক কাৰাগাৰত নিক্ষেপ কৰাৰ ব্যৱস্থা কৰিছিল।

পুলিচৰ হৈ চোৰাংচোৱাগিৰি কৰাৰ অভিযোগ তুলি অলপতে আলফা স্বাধীনে আলফাত যোগদান কৰা দুজন যুৱকক দেশদ্ৰোহী তথা জাতিদ্ৰোহী আখ্যা দি মৃত্যুদণ্ড দিয়া ঘটনায়ো অসমৰ নাগৰিক সমাজত চাঞ্চল্য তথা উদ্বিগ্নতাৰ উদ্ৰেক ঘটাইছে। নিঃসন্দেহে এনে ধৰণৰ বিদ্ৰোহী সংগঠনৰ দ্বাৰা জংঘলী (কাংগাৰু) আদালতত বিচাৰ কৰি বিশ্বাসঘাতকতাৰ অভিযোগত দুজন যুৱকক মৃত্যুদণ্ড দিয়া ঘটনাই আলফাৰ কেডাৰসকলক নেতৃত্বৰ প্ৰতি অধিক বাধ্য হ'বলৈ হেঁচা দিব। আনহাতে, এনেদৰে মৃত্যুদণ্ড দিয়া যুৱক দুজনৰ স্বীকাৰোক্তিৰ প্ৰচাৰে সংগঠনটোৰ প্ৰতি মানুহৰ অধিক ভয় ভাবৰো সৃষ্টি কৰিব। সেয়া বাৰু সুকীয়া বিষয়; কিন্তু নিজৰ ৰাজনৈতিক স্বাৰ্থৰ বাবেও স্বদেশৰ ভূমিতেই দেশদ্ৰোহী বুলি এচাম লোকক চিনাক্ত কৰি দেশখনত এক বিভাজনৰ বাতাবৰণৰ সৃষ্টি কৰা হৈছে। এতিয়া বিশ্ববিদ্যালয়ৰ চৌহদত, নগৰীয়া নক্সাল বুলি অভিহিত কৰা এজাক বুদ্ধিজীৱীৰ মহলত, বাওঁপন্থী শিবিৰত বৰ্তমানৰ ক্ষমতাসীন বিজেপি দলে দেশদ্ৰোহীৰ ভূত দেখিবলৈ লৈছে। সেয়েহে উচ্চতম ন্যায়ালয়ত বৰ্তমান প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা ভাৰতীয় দণ্ডবিধিৰ ১২৪ (ক) অনুচ্ছেদ যিয়ে দেশদ্ৰোহিতা আইনৰ সৃষ্টি কৰিছে, সেই ক'লা আইন বৰ্তাই ৰাখিবৰ বাবে চৰকাৰে উঠি-পৰি লাগিছে। ১৮৭০ত প্ৰণয়ন কৰা এই আইনখন মূলতঃ ভাৰতৰ ঔপনিবেশবাদ বিৰোধী সংবাদপত্ৰ, লেখনি, বক্তৃতা আদিৰ প্ৰকাশ বন্ধ কৰাৰ বাবে ব্যৱহাৰ কৰা হৈছিল। বৰ্তমান এই দেশদ্ৰোহিতাৰ আইন চৰকাৰে ব্যৱহাৰ কৰি আহিছে অৰুন্ধতী ৰয়ৰ দৰে প্ৰখ্যাত সাহিত্যিকক তেওঁৰ কাশ্মীৰ সম্পৰ্কীয় বিতৰ্কিত বক্তব্যৰ বাবে, হাৰ্দিক পেটেলৰ বিৰুদ্ধে পাতিদাৰ আন্দোলনৰ সময়ত দিয়া তেওঁৰ বক্তব্যৰ বাবে, জলবায়ুকৰ্মী দিশা দেৱী, কানহায়া কুমাৰ, ওমৰ খলিড আৰু আনকি সাংবাদিক বিনোদ ডুৱা আৰু ছিদ্দিক কাপানৰ বিৰুদ্ধেও এই আইন প্ৰয়োগ কৰা হৈছে।

আমি জানো যে ভাৰতীয় দণ্ডবিধিৰ ১২৪ (ক) অনুচ্ছেদ অনুসৰি দেশদ্ৰোহিতা এক গুৰুতৰ অপৰাধ। ই জামিনবিহীন আৰু তিনি বছৰৰ পৰা আজীৱন কাৰাদণ্ড জৰিমনাসহ বিহিব পাৰে এই আইনৰ জৰিয়তে। এই অভিযোগত অভিযুক্ত ব্যক্তিক ইংৰাজৰ দিনত চৰকাৰী চাকৰি দিয়া নহয়, তেনে ব্যক্তিৰ পাছপ'ৰ্টো চৰকাৰে জব্দ কৰিছিল। ইংৰাজসকলৰ দেশ ব্ৰিটেইনে যোৱা ২০১০ত নিজ দেশৰ পৰা এই বিতৰ্কিত আইনখন বাতিল কৰিছে যদিও ব্ৰিটিছে প্ৰণয়ন কৰা এই বাহী আইনখন আমাৰ দেশত এতিয়াও চলি আছে। যোৱা ২০১৮ত ২১ সংখ্যক আইন আয়োগে দেশদ্ৰোহিতাৰ আইনৰ ওপৰত প্ৰকাশ কৰা এক প্ৰতিবেদনত ক'লা আইনখনৰ বিৰুদ্ধে মত পোষণ কৰি উল্লেখ কৰিছিল যে গণতন্ত্ৰ হ'ল এনে এক ব্যৱস্থা, য'ত প্ৰতিগৰাকী নাগৰিকৰ চিন্তা-চৰ্চা বিবেচনা কৰা হয়। এনে ধৰণে চিন্তা কৰা ব্যক্তিৰ সমৰ্থনত যথেষ্ট মানুহ থাকিবই লাগে বুলি কোনো কথা নাই বুলি আইন আয়োগৰ প্ৰতিবেদনখনত কোৱা হৈছে। দেশদ্ৰোহিতা আইনৰ ১২৪ (ক) ধাৰাৰ বিৰোধিতা কৰি ২১ সংখ্যক আইন আয়োগে চাৰ্লছ ব্ৰেডবাৰ্গৰ ভাষাৰে কৈছিল ঃ হেজাৰবাৰ দুৰূপযোগ কৰিলেও মুক্ত কণ্ঠ সদায়েই গ্ৰহণীয়। এনে দুৰ উপযোগ দুদিনতে শেষ হৈ যাব, কিন্তু মুক্ত কণ্ঠ ৰোধ কৰা কাৰ্যই জনসাধাৰণৰ জীৱনৰ ওপৰত ছুৰিকাঘাত চলায় আৰু জাতিৰ আশাক সমাধি দিয়ে। আইন আয়োগৰ এই পৰামৰ্শ তল পৰি ৰ'ল। যোৱা ২০১৮ৰ ৩১ আগষ্টত ২১ সংখ্যক আইন আয়োগৰ কাৰ্যকাল শেষ হোৱাৰ লগে লগে এই বিতৰ্কৰো অন্ত পৰিছিল।

অকল দেশদ্ৰোহিতাৰ আইনত সামৰা ভাৰতীয় দণ্ডবিধিৰ ১২৪ (ক) অনুচ্ছেদেই নহয়, স্বাধীনতাৰ পাছত নাগৰিকৰ বাক স্বাধীনতাৰ পৰা আৰম্ভ কৰি বিভিন্ন ব্যক্তি স্বাধীনতা সীমিত কৰাৰ বাবে দেশখনৰ স্বাধীন চৰকাৰে বহুতো আইন প্ৰণয়ন কৰিছে। তাৰ ভিতৰত আছে অবৈধ কাৰ্যকলাপ (প্ৰতিৰোধ) আইন যাক আমি সংক্ষেপে ইউ এ পি এ আইন বুলি কওঁ। তদুপৰি আছে কুখ্যাত আফস্পা অথবা সামৰিক বাহিনী (বিশেষ ক্ষমতা) আইন আদি।

কেন্দ্ৰীয় চৰকাৰে এতিয়া উচ্চতম ন্যায়ালয়ত এই দেশদ্ৰোহিতাৰ আইনৰ বৈধতা সাব্যস্ত কৰাৰ বাবে ১৯৬২ৰ কেদাৰনাথ গোচৰৰ আশ্ৰয় ল'ব বিচাৰিছে। কেদাৰনাথ গোচৰত উচ্চতম ন্যায়ালয়ে দেশদ্ৰোহিতা আইনৰ বৈধতা বাহাল ৰাখি এই আইনৰ অপব্যৱহাৰ যাতে নহয়, তাৰ ব্যৱস্থা কৰিবলৈ কোৱা হৈছিল। যোৱা ১৯৬২ৰ পাছত আমাৰ দেশৰ পৰিস্থিতিৰ যথেষ্ট সলনি হৈছে। যিহেতু কেদাৰনাথ গোচৰৰ ৰায়ৰ পাছতো উচ্চতম ন্যায়ালয়ে সংশয় প্ৰকাশ কৰা এই আইনৰ অপব্যৱহাৰ হৈয়েই আছে। তদুপৰি দেশদ্ৰোহিতা আইন বাতিল কৰাৰ বাবে গোচৰ তৰা গুচৰীয়াসকলে যুক্তি প্ৰদৰ্শন কৰি কৈছে যে কেদাৰনাথ গোচৰত এই আইনে কেনেদৰে বাক স্বাধীনতাত প্ৰভাৱ পেলাইছে তাৰ ওপৰত বিচাৰ কৰিছে, যিটো সংবিধানৰ ১৯ নম্বৰ ধাৰাত আছে; কিন্তু সংবিধানৰ ২০ নম্বৰ ধাৰাত সন্নিৱিষ্ট জীৱনৰ অধিকাৰ আৰু ১৪ ধাৰাত সন্নিৱিষ্ট সম-ব্যৱহাৰ পোৱাৰ অধিকাৰক লৈ বিচাৰ কৰা হোৱা নাই।

চৰকাৰী পক্ষই দেশদ্ৰোহিতা আইনৰ সপক্ষে উচ্চতম ন্যায়ালয়ত ওকালতি কৰি কৈছে যে কে'বাটাও গোচৰত কেদাৰনাথ গোচৰৰ যুক্তি আৰোপ কৰি বিচাৰ কৰা হৈছে যাৰ ভিতৰত ছ'চিয়েল মিডিয়াত মতপ্ৰকাশ কৰি দেশদ্ৰোহিতাৰ গোচৰত পৰা সাংবাদিক বিনোদ দুৱাও আছে। অৰ্থাৎ বিনোদ দুৱাৰ দৰে প্ৰখ্যাত সাংবাদিকৰ মতামত খৰ্ব কৰাৰ ন্যায্যতা কেন্দ্ৰীয় চৰকাৰে প্ৰমাণ কৰাৰ বাবে উচ্চতম ন্যায়ালয়ত থিয় হৈছে। ১৯৬২ৰ কেদাৰনাথ গোচৰৰ দোহাই দি মতপ্ৰকাশৰ স্বাধীনতা আৰু সংবাদ মাধ্যমৰ স্বাধীনতা খৰ্ব কৰাৰ প্ৰচেষ্টা একনায়কত্ববাদী প্ৰবৃত্তি বুলিহে বহুতে ক'ব খোজে। পোনতে চৰকাৰী পক্ষই উচ্চতম ন্যায়ালয়ত এই আৰ্জি দাখিল কৰিছিল যে আদালতে দেশদ্ৰোহিতাৰ আইনখনৰ সাল-সলনি শুধৰণি বা আইনখন বাতিল কৰাৰ কথা ভাবিব নালাগে। পিছে কেন্দ্ৰীয় চৰকাৰৰ যুক্তিত উচ্চতম ন্যায়ালয় পতিয়ন নোযোৱাত সোমবাৰে শুনানি কালত চৰকাৰী পক্ষই কৈছে যে ভাৰতীয় দণ্ডবিধিৰ ১২৪ (ক) অনুচ্ছেদত সন্নিৱিষ্ট আইন পুনৰ বিবেচনা কৰিবলৈ সন্মত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাষণসমূহৰ উদ্ধৃতি দি কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে কৈছে যে প্ৰধানমন্ত্ৰীয়ে সদায়েই ভাষণত নাগৰিকৰ স্বাধীনতা, মানৱাধিকাৰৰ প্ৰতি সন্মান আৰু ভাৰতৰ জনসাধাৰণক সংবিধান প্ৰদত্ত স্বাধীনতাক উৰ্ধ্বত তুলি ধৰিছে। ভিন্নমতৰ সমাহাৰে আমাৰ দেশক শক্তিশালী কৰি তুলিছে বুলি প্ৰধানমন্ত্ৰীয়ে কোৱা কথাষাৰো উচ্চতম ন্যায়ালয়ত চৰকাৰে দাঙি ধৰিছে।

পিছে বাস্তৱ পৰিস্থিতি সম্পৰ্কে উচ্চতম ন্যায়ালয় অজ্ঞাত বুলি ক'ব নোৱাৰি। আমি জানো যোৱা এবছৰত দেশৰ সংবাদ মাধ্যমৰ স্বাধীনতাৰ সূত্ৰক আৰ এছ এছে প্ৰকাশ কৰা মতে ১৪২ স্থানৰ পৰা ১৫০ স্থানলৈ অৱনমিত কিয় হ'ল, তাৰ উত্তৰ চৰকাৰে আমাক দিবনে? বুলডোজাৰেৰে সংখ্যালঘুৰ ঘৰ-বাৰী চুৰমাৰ কৰি মানৱাধিকাৰৰ কথা কোৱাটো কিমান ভণ্ডামি, সেয়া বিচাৰ্য। প্ৰতিদিনে দেশখনৰ চুকে-কোণে সংখ্যালঘুৰ ওপৰত আক্ৰমণ, সাম্প্ৰদায়িক সংঘৰ্ষ ঘটি আছে। আমাৰ সংঘী নেতাসকলে গেৰুৱা বস্ত্ৰ পৰিধান কৰি খোলোচাকৈ অস্ত্ৰ-শস্ত্ৰ হাতত লৈ মুছলমানক হত্যা কৰিবলৈ ৰাজহুৱা আহ্বান কৰিও বাহাল তবিয়তে ঘূৰি ফুৰিছে।

মানক মাতি অনাৰ বাবে বদন বৰফুকনকেই দেশদ্ৰোহী বুলি কোৱা হয়। পিছে অসম বুৰঞ্জীত দেশদ্ৰোহী বদন বৰফুকন আছিল নে পূৰ্ণানন্দ বুঢ়াগোহাঁই আছিল, তাকে লৈ এক বিতৰ্ক আছে। পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ স্বেচ্ছাচাৰিতাই মানৰ আক্ৰমণ সহজ কৰি তুলিছিল নে বদন বৰফুকনৰ ভূমিকাৰ বাবে মানৰ আক্ৰমণ হৈছিল সেয়া বিচাৰ্য। গতিকে কাৰোবাৰ শৰীৰত দেশদ্ৰোহিতাৰ মোহৰ মাৰি নিজকে দেশপ্ৰেমী সজোৱাৰ ৰাজনীতিৰ অন্ত পেলাবৰ বাবে এতিয়া বহুতেই আদালতৰ দুৱাৰত টোকৰ মাৰিছে।

এডিটৰছ গীল্ড অৱ ইণ্ডিয়া, প্ৰেছ ক্লাব অৱ ইণ্ডিয়াকে ধৰি ভালেমান সংগঠনে ভাৰতীয় দণ্ডবিধিৰ ১২৪ (ক) অনুচ্ছেদ বাতিলৰ বাবে উচ্চতম ন্যায়ালয়ত তৰা গোচৰৰ অৱশেষত শীৰ্ষ ন্যায়ালয়ে কি ৰায় দিয়ে সেয়া লক্ষ্যণীয় হ'ব।

অসমত দেশদ্ৰোহিতা আইন ভাৰতীয় দণ্ডবিধিৰ ১৪৪(ক) অধীনত গ্ৰেপ্তাৰ ৰেকৰ্ড সংখ্যক হোৱা দেখা গৈছে। ২০১৮ৰ পৰা ২০২০ৰ ভিতৰত ভাৰতীয় অপৰাধ ৰেকৰ্ড ব্যুৰৰ তথ্য অনুসৰি ২০১৮ আৰু ২০১৯ত মুঠ ২৩ টাকৈ আৰু ২০২০ত ১০টা গ্ৰেপ্তাৰ হোৱা ঘটনা ঘটিছিল। যোৱা ২০১৫ৰ পৰা ২০২০ৰ ভিতৰত মুঠতে দেশদ্ৰোহী আইনৰ অধীনত ৩৫৬ত গোচৰ পঞ্জীয়ন কৰা হৈছে আৰু মুঠতে দেশখনত ৫৪৮ গৰাকী লোকক গ্ৰেপ্তাৰ কৰা হৈছিল। উল্লেখযোগ্য যে ইমানবোৰ মানুহ এই কলা ঔপনিবেশীয় আইনৰ জৰিয়তে গ্ৰপ্তাৰ কৰিলেও মাত্ৰা ১২ গৰাকী লোকৰ বিৰুদ্ধে হে অভিযোগ সাব্যস্ত হৈছে। এই তথ্যই ইয়াকে সূচাইছে যে এই আইনখন ৰাজনৈতিক কাৰণতহে তথা প্ৰতিপক্ষক দমন পীড়নৰ বাবেহে ব্যৱহাৰ কৰা হৈ আহিছে।

ফোন ঃ ৯৪৩৫০৪৮৪৮৪

# সংগীত সন্ধিয়াত দৰ্শকৰ উদ্ভণ্ডালি
## ভৱিষ্যতৰ অশনি সংকেত



গোপাল জালান

**শেহতীয়াভাৱে** ৰাজ্যখনত সংস্কৃতিৰ নামত কিছুমান অপশক্তিয়ে গা কৰি উঠিছে। সাংস্কৃতিক অনুষ্ঠান আদিত যিবোৰ ঘটনা সংঘটিত হোৱা নাছিল, অতিসম্প্ৰতি সেইবোৰ তেনেই সাধাৰণ ঘটনালৈ পৰ্যবসিত হৈছে। এইবাৰ বিহু উৎসৱৰ সময়ত ৰাজ্যৰ বিভিন্ন ঠাইত যিধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হ'ল সেয়া সঁচাকৈয়ে চিন্তনীয় বিষয়। কাৰণ এনেধৰণৰ ঘটনাই এটা জাতিৰ সংস্কৃতিক ধ্বংসৰ মুখলৈ ঠেলি দিব পাৰে। যেতিয়া কোনো এটা জাতিৰ সংস্কৃতিৰ মাজত বিজতৰীয়া উপাদানে গা কৰি উঠে তেতিয়া অস্তিত্বৰ সংকটত পৰাৰ নজিৰো বিচাৰি পোৱা যায়। বিগত এপযেকত অসমৰ বিভিন্ন ঠাইত সংগীত সন্ধিয়াত যিধৰণৰ ঘটনা সংঘটিত হৈছে সেয়া সুস্থ মনৰ পৰিচায়ক নহয়। নিশা সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰি থকাৰ মাজতে একাংশ লোকে দাক্ষিণাত্যৰ চিনেমাৰ কায়দাত ৰভাতলীত যিবোৰ কাণ্ড সংঘটিত হ'ল সেয়া সঁচাকৈয়ে লজ্জাজনক বিষয়। ৰভাথলীত বোকা খেল কিয়? নিশা যিমানেই গভীৰ হয় উদ্ভণ্ডালিবোৰ সিমানেই বাঢ়িবলৈ লৈছে। গতিকে নিশা দহ বজাৰ পাছত সংগীতানুষ্ঠান পৰিৱেশন যিকোনো প্ৰকাৰে বন্ধ কৰিবই লাগিব।

এতিয়া বিহুক কেন্দ্ৰ কৰি অনুষ্ঠিত অনুষ্ঠানত চকী, ৰভাঘৰৰ ক্ষতি সাধন কৰা, বোকা খেলা আদি হ'বলৈ ধৰিছে। নিশা বোকা খেলি কোনো গায়ক-গায়িকাৰ গীত উপভোগ কৰাটো আনন্দ হ'ব নোৱাৰে। তথাপি কোনোবা গায়ক-গায়িকাৰ গান ভাল পালে বুলিয়েই মঞ্চৰ সন্মুখত থকা চকী-আচবাব আদি ভাঙিব নালাগে। বোকাত লুতুৰি-পুতুৰি হোৱা, চকী-মেজ, ৰভা আদিৰ ক্ষতি সাধন কৰাসকলৰ মানসিকতা কেনেকুৱা হ'ব পাৰে সেয়া সহজেই অনুমেয়। এইবোৰ দেখিলে মনত এনে ভাব হয় যেন আনন্দৰ বহিৰ্প্ৰকাশৰ নামত চলিছে চৰম উদ্ভণ্ডালি। আনন্দ মনেৰে কোনো অনুষ্ঠান উপভোগ কৰাৰ লগতে শিল্পীগৰাকীক উৎসাহিত কৰিবলৈ হাত চাপৰি বজোৱা বা থিয় হৈ আদৰণি জনাব পাৰে। এনে কৰিলে কাৰো ক্ষতি নহয়। তদুপৰি কেতিয়াবা মনৰ আনন্দতে ঠাইতে দুই-এপাক নাচিলেও আনৰ ক্ষতি নহয়। বৰং এনে কৰিলে ভালেই পায়। পিছে আনন্দৰ নামত উন্মাদ হৈ ধ্বংসযজ্ঞ চলোৱা অপসংস্কৃতিক আদৰি লোৱাটো কাৰোৰে কাম্য নহয়। শেহতীয়াভাৱে ৰাজ্যৰ বিভিন্ন ঠাইত সংঘটিত এনে ঘটনাৰ পৰা দেখা যায় যে সদায় দোভাগ নিশাহে অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। গতিকে সাংস্কৃতিক অনুষ্ঠানসমূহ যদি নিশা দুপৰলৈকে নাৰাখি সন্ধিয়া সাত বজাত আৰম্ভ কৰি দহ বজাৰ ভিতৰত সামৰণি মাৰিব পাৰে



তেনেহ'লে এনেধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতি বহু পৰিমাণে হ্ৰাস পাব। এইক্ষেত্ৰত উদ্যোক্তা অথবা আয়োজক কমিটীৰো দায়িত্ব আছে। নিশা দুপৰলৈকে অনুষ্ঠান চলোৱাৰ মানসিকতা সলনি কৰিব লাগিব। দহ বজা মানেই দহ বজায়েই হ'ব লাগে। আমন্ত্ৰিত শিল্পীসকলকো এইক্ষেত্ৰত বাধ্য কৰাব লাগিব উদ্যোক্তাসকলে। যদি কোনো শিল্পীয়ে গধূলি অনুষ্ঠান পৰিৱেশন কৰিবলৈ অমান্তি হয় তেনেহ'লে তেনে শিল্পীৰ স'তে চুক্তি নকৰাটোৱে মংগলজনক।

আজি কালি সুৰাপায়ীৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পাবলৈ ধৰিছে। নিশা যিমানেই গভীৰ হয় সিমানেই সুৰাপায়ীৰ সংখ্যা বৃদ্ধি হ'বলৈ ধৰে। কাৰণ এতিয়া চহৰাঞ্চলৰ কথা বাদেই— গ্ৰামাঞ্চলতো সুৰা উভৈনদী হৈ পৰিছে। আগতে জ্যেষ্ঠজনে সুৰাপান কৰিছিল। এতিয়া পিছে কিশোৰ-কিশোৰী, যুৱক-যুৱতীৰ মুখৰ পৰাই ওলায় সুৰাৰ গোন্ধ। নিশা দুপৰত এইসকল উদণ্ড যুৱক-যুৱতীয়ে আনৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ উদ্ভণ্ডালিত লিপ্ত হয়। কিছুমানে যদি ৰভাৰ খুঁটা বগাই ওপৰত উঠিছে, আন একাংশই আকৌ গছত উঠি অনুষ্ঠান উপভোগ কৰিছে। এনে কৰাৰ ফলত যিকোনো মুহূৰ্ততে দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকা থাকে। যেতিয়া দৰ্শকৰ সংখ্যা বেছি হয় তেতিয়া আয়োজক কমিটীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব নোৱাৰা হয়। আনহাতে, আজি কালি টিভি আদিত মুখ দেখুৱাবলৈকে বহুতে এনেধৰণৰ কাম কৰা দেখা যায়। অৰ্থাৎ চৰ্চাৰ মাজত থাকিবলৈ নকৰিবলগীয়া কাম কৰিবলৈ আগবাঢ়ে। যি কাৰণতেই নকৰক কিয়— ইয়াৰ পৰিণাম যে ভয়াৱহ সেয়া নিশ্চিত। যিহেতু আজি কালি এনেধৰণৰ পৰিস্থিতিৰ সৃষ্টি হ'বলৈ ধৰিছে সেয়া প্ৰতিৰোধৰ ক্ষেত্ৰত আয়োজকসকলেই অনাগত দিনত আগ-ভাগ ল'ব লাগিব। কাৰণ নৱপ্ৰজন্মৰ মাজত সৃষ্টি হোৱা এনেধৰণৰ মানসিকতা যদি এতিয়াই প্ৰতিৰোধ কৰা নাযায় তেনেহ'লে ভৱিষ্যতে আৰু অধিক জটিল পৰিস্থিতিৰ সৃষ্টি হ'ব। সময় থাকোতেই সকলোৱে পদক্ষেপ গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিব লাগিব। এয়া সকলোৱে কৰ্তব্য আৰু দায়িত্ব।

ফোন ঃ ৯৪৩৫১-০৩৯৭৭

# চৰকাৰৰ এবছৰীয়া কাৰ্যকালৰ খতিয়ান



অভিমত

জ্যোতিষ চন্দ্ৰ দত্ত

**এখন** চৰকাৰৰ জনকল্যাণ কাম কাজে মানুহৰ মনত সন্তুষ্টিৰ ভাৱ জাগ্ৰত কৰিব পাৰিলে, চৰকাৰখনৰ সফলতা বুলি গণ্য কৰিব পাৰি। যিখন চৰকাৰৰ কাম কাজত অধিকাংশই অস্বস্তি বা অসন্তুষ্টি অনুভৱ কৰে, সেইখন চৰকাৰৰ বিফলতা বুলি চিহ্নিত কৰিব পাৰি। প্ৰত্যেক মানুহৰ মনৰ ভাৱ বা আত্মতুষ্টি একে নহয়। গতিকে প্ৰত্যেকজন মানুহক সন্তুষ্টি প্ৰদান কৰাও সম্ভৱ নহয়। তথাপি অধিকাংশ লোকৰ আস্থা, বিশ্বাস গঢ়ি মনত সন্তুষ্টিৰ ভাৱ জাগ্ৰত কৰিব পাৰিলেই এখন চৰকাৰৰ সফলতা বুলি নিৰ্ণয় কৰিব পাৰি।

চৰকাৰখনৰ সফলতা বা বিফলতা পৰ্যবেক্ষণ আৰু পৰ্যালোচনা কৰাৰ বাবে এবছৰীয়া কাৰ্যকাল একেবাৰে তাকৰীয়া সময়। তথাপি বিভিন্ন উৎসৰ পৰা সংগৃহীত তথ্য আৰু মানুহৰ মাজত হোৱা আলোচনা-বিলোচনাৰ আঁত ধৰি নিৰপেক্ষভাৱে ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বহীন চৰকাৰখনৰ সফলতা আৰু বিফলতাৰ এক চমু খতিয়ান দাঙি ধৰা হ'ল।

'ড্ৰাগছ মুক্ত অসম' গঢ়ি তোলাৰ যি পদক্ষেপ এই চৰকাৰখনে এবছৰীয়া কাৰ্যকালত গ্ৰহণ কৰিছে, তাৰ বাবে অসম চৰকাৰ, অসমৰ মুখ্যমন্ত্ৰী আৰু পুলিচ প্ৰশাসন ধন্যবাদৰ পাত্ৰ। নতুন প্ৰজন্মক ধ্বংসৰ মুখলৈ ঠেলি দিয়া এই মাৰাত্মক ব্যাধি স্বৰূপ 'ড্ৰাগছ' অসমৰ পৰা নাইকীয়া কৰিব লাগে। এনেদৰে অহা দিনবোৰতো যাতে ইয়াৰ ব্যতিক্ৰম নহয়, তাৰ বাবে সজাগ আৰু সচেতন হ'ব লাগিব। চৰকাৰখনৰ কাম-কাজৰ সঠিক নিৰ্ণয় হয় প্ৰশাসনীয় যন্ত্ৰৰ ওপৰত। এই প্ৰশাসনীয় যন্ত্ৰটো যদি বিকল হয়, তেনেহ'লে চৰকাৰৰ কাম-কাজৰ সঠিক ৰূপায়ণ সম্ভৱ নহয়। ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে এই কথা অনুধাৱন কৰি প্ৰশাসনিক সংস্থাৰ সাধন কৰি বিকাশৰ বীজ ৰোপণ কৰিছে। এবছৰীয়া কাৰ্যকালত এই বীজৰ অংকুৰণ হৈছে। আশা ৰাখিছো অহা দিনবোৰত গজালি মেলি নানা ধৰণৰ সুস্বাদু ফলৰ সৃষ্টি কৰে জনসাধাৰণে সেই ফল ভোগ কৰিব পাৰে।

অন্ন, বস্ত্ৰ, বাসস্থান মানুহৰ মৌলিক প্ৰয়োজন। এই কথা অনুধাৱন কৰি এই চৰকাৰখনে বিনামূলীয়া চাউল বিতৰণ, অৰুণোদয়, প্ৰধানমন্ত্ৰী গৃহ নিৰ্মাণ আদি আঁচনিৰে দৰিদ্ৰ নিৰ্মূল কৰাৰ চেষ্টা অব্যাহত ৰাখিছে। এই আঁচনিয়ে দৰিদ্ৰ লোকসকলক সাময়িকভাৱে সকাহ দিছে যদিও দৰিদ্ৰ নিৰ্মূলকৰণৰ একমাত্ৰ পথ নহয়। এই দৰিদ্ৰ লোকসকলক আয়বৰ্দ্ধক আঁচনিত নিয়োগ কৰি স্বাৱলম্বী কৰি গঢ়ি তুলিলেহে দৰিদ্ৰতা নিঃশেষ কৰিব পাৰিব। নহ'লে ৰাজভঁৰাল উদং হ'ব, দৰিদ্ৰজন অতি দৰিদ্ৰ হৈ পৰিব। বহুতে দৰিদ্ৰ লোকসকলক লৈ ৰাজনীতি খেলা বুলিও ক'ব খোজে। ৰাজনীতিৰ ঊৰ্ধ্বত থাকি, সঁচা অৰ্থত দৰিদ্ৰ লোকসকলক আত্মনিৰ্ভৰশীল কৰি গঢ়ি তুলিব পাৰিলে, এখন বিকাশশীল ৰাজ্য হিচাপে অসমে স্থান লাভ কৰিব পাৰিব। বহুদিনীয়া সীমা সমস্যা, ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে সমাধান কৰিবলৈ আগবাঢ়ি আহি কিছুমান ফলপ্ৰসূ সিদ্ধান্ত গ্ৰহণ কৰি কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিছে। ইতিমধ্যে এই এবছৰীয়া কাৰ্যকালত প্ৰাথমিক পৰ্যায়ৰ আলোচনা-বিলোচনা আৰম্ভ কৰি প্ৰথম পদক্ষেপ গ্ৰহণ কৰিছে। চৰকাৰখনৰ ই এক ইতিবাচক দিশ বুলি চিহ্নিত কৰিব পাৰি।

আন্তগাঁথনি উন্নয়নৰ দিশত ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে সফলতা লাভ কৰিছে। এবছৰীয়া কাৰ্যকালত ৰাস্তা-ঘাট, স্কুল-কলেজ, হাস্পতাল, উৰণীয়া সেতু, দলং আদিৰ নিৰ্মাণ আৰু আধাৰশিলা স্থাপন কৰি চমক সৃষ্টি কৰিছে। আন্তগাঁথনিৰ উন্নয়ন হ'লে বিনিয়োগ কৰিবলৈ উদ্যোগী আগবাঢ়ি আহিব।

'মিছন বসুন্ধৰা' আঁচনিৰ জৰিয়তে ৮,১৩,৯৮১ খন আবেদন নিষ্পত্তি কৰিবলৈ সক্ষম হৈছে। বছৰ বছৰ ধৰি পৰি থকা আবেদনসমূহ কম সময়ৰ ভিতৰত নিকা আৰু স্বচ্ছভাৱে নিষ্পত্তি কৰে। তাৰ উপৰি ভূমিহীন লোকসকলক ভূমি পট্টা প্ৰদান কৰি এই লোকসকলক উপকৃত কৰিছে।

দুৰ্নীতি মুক্ত অসম এতিয়াও গঢ় দিব পৰা নাই। পদ্ধতিগত পৰিৱৰ্তন কৰি নীতি নিৰ্ধাৰণৰ চেষ্টা অব্যাহত ৰাখিছে যদিও দুৰ্নীতি কৰণৰ পদ্ধতি পৰিৱৰ্তন কৰিছে। আগতে মুকলিভাৱে দুৰ্নীতি কৰিছিল এতিয়া কৌশলগতভাৱে দুৰ্নীতি কৰি আহিছে। মানুহৰ মনৰ পৰিৱৰ্তন হোৱা নাই। দুৰ্নীতিৰ বিৰুদ্ধে প্ৰতিজন মানুহৰ মনত ঘৃণাৰ জন্ম দিব লাগিব। তেতিয়াহে দুৰ্নীতি ৰোধ কৰিব পৰা হ'ব। তাৰ বাবে পৰিৱেশ সৃষ্টি কৰিব লাগিব। বগলী ভকতৰ ভাও ধৰি থকা লোকসকলে সুবিধা পালেই দুৰ্নীতিক প্ৰশ্ৰয় দিয়ে। 'দিনত মুখে ৰাম নাম, ৰাতি সিন্ধি খন্দাই কাম।' এই চৰকাৰখনে দুৰ্নীতি নিবাৰণৰ বাবে চেষ্টা অব্যাহত ৰাখিছে।

নিবনুৱাক সংস্থাপনৰ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে যদিও সফলতা লাভ কৰিব পৰা নাই। ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰীৰ আসন গ্ৰহণ কৰিয়েই একলাখ নিবনুৱাক চৰকাৰী বিভাগসমূহত নিয়োগৰ ব্যৱস্থা কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল। কিন্তু বিভিন্ন নীতি নিয়ম পালন কৰিবলগীয়া হোৱাত এবছৰ উকলি গ'ল। এক লাখ চাকৰি দিব পৰা নগ'ল। চেষ্টা অব্যাহত আছে। দিনে দিনে নিবনুৱা বাঢ়ি গ'ল। মূল্যবৃদ্ধিয়ে জনসাধাৰণক নগুৰ-নাগতি কৰিছে। বস্তুৰ দাম দিনে দিনে বাঢ়িয়েই আছে, নিয়ন্ত্ৰণ ব্যৱস্থা নাই। চৰকাৰ নিমাত নিস্তব্ধ। উপায়বিহীন জনসাধাৰণ। হা-হুমুনিয়াহ কাঢ়ি দিন কটাইছে। যিয়ে কৰিব পাৰে সিয়ে নকৰে। যাৰ ক্ষমতা নাই, তেওঁলোকে চিঞৰ-বাখৰ কৰে। মূল্যবৃদ্ধিৰ কাৰণসমূহ ফহিয়াই চাবলৈ কাৰো সময় নাই। অসাধু ব্যৱসায়ীসকলে ইয়াৰ সুযোগ গ্ৰহণ কৰি জনসাধাৰণক ৰাম টাঙোন সোধাইছে। এই চৰকাৰখন মূল্যবৃদ্ধি নিয়ন্ত্ৰণত বিফল হৈছে। এনেকৈ মূল্যবৃদ্ধি হৈ থাকিলে চৰকাৰখনৰ প্ৰতি থকা আস্থা আৰু বিশ্বাস লাহে লাহে লোপ পোৱাৰ আশংকাও নুই কৰিব নোৱাৰি। গতিকে সময় থাকোতে ব্যৱস্থা গ্ৰহণ কৰা উচিত।

গৰাখহনীয়া, বানপানী, খোৱাপানী আদি সমস্যসমূহৰ স্থায়ী সমাধানৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব লাগে। কৃষি, উদ্যোগ, মৎস পালন, খাদ্য প্ৰস্তুত কৰা, ক্ষুদ্ৰ উদ্যোগ আদি গঢ়ি তুলিব লাগে। কিন্তু এবছৰীয়া কাৰ্যকালত ইয়াৰ প্ৰতিফলন পৰিলক্ষিত হোৱা নাই। এনআৰচি, অসম চুক্তিৰ ছয় নম্বৰ দফা কাৰ্যকৰণ, ছয় জনগোষ্ঠীৰ জনজাতি কৰণ আদি বিষয়ৰ ওপৰত চৰকাৰৰ মনোভাৱ জানিব পৰা হোৱা নাই। সময়ত এইকেইটা বিষয়ে গুৰুত্ব লাভ কৰিব পাৰে।

ফোন ঃ ৯৮৫৪০৪১৮১৫

# সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষা

## অসমৰ ছাত্ৰ-ছাত্ৰী পিছ পৰি ৰৈছে কিয় ?

**লোকসেৱা** আয়োগৰ জৰিয়তে পৰিচালিত হোৱা ভাৰতীয় প্ৰশাসনীয় সেৱাৰ পৰীক্ষাত বছৰি অসমৰ কেইগৰাকীমানহে শিক্ষাৰ্থী সফল হোৱা পৰিলক্ষিত হয়। কিন্তু এইখিনি যথেষ্ট বুলি নিশ্চয়কৈ ক'ব নোৱাৰি আমাৰ ৰাজ্যত মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ অভাৱ নাই। এনে পৰীক্ষাত অসমৰ শিক্ষাৰ্থীৰ সফলতা বৃদ্ধিৰ বাবে বিভাগীয় কৰ্তৃপক্ষই বা আন স্বেচ্ছাসেৱী সংস্থাই পদক্ষেপ লোৱাটো জৰুৰী বুলি ভবাৰ থল আছে। অৱশ্যে এতিয়া তুলনামূলকভাৱে এনে পৰীক্ষাক লৈ সজাগতা বাঢ়িছে। আমাৰ প্ৰবল বিশ্বাস অনাগত সময়ত আমাৰ ৰাজ্যৰ পৰা অধিকসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে এই পৰীক্ষাত সফলতা লাভ কৰিব। পূৰ্বতে লোকসেৱা আয়োগৰ পৰীক্ষাত বহাৰ বাবে আমাৰ শিক্ষাৰ্থীসকলৰ আগ্ৰহ বৰ্তমানতকৈ কম আছিল। প্ৰতি বছৰে সৰ্বভাৰতীয় স্তৰত কে'বাটাও প্ৰতিযোগিতামূলক পৰীক্ষা অনুষ্ঠিত হয়। ইউপিএছচি, আইএএছ, আইপিএছ পৰীক্ষাত উত্তীৰ্ণ হৈ প্ৰতিবছৰে সহস্ৰাধিক যুৱক-যুৱতীয়ে গুৰুত্বপূৰ্ণ পদ লাভ কৰিবলৈ সক্ষম হয়। কিন্তু দুৰ্ভাগ্যজনকভাৱে অসমৰ ছাত্ৰ-ছাত্ৰীসকলে এই পৰীক্ষাসমূহত আশানুৰূপভাৱে সফলতা লাভ কৰিব পৰা নাই। অৱশ্যে মুষ্টিমেয়সংখ্যক ছাত্ৰ-ছাত্ৰীৰ কথা সুকীয়া। ইয়াৰ বহুকেইটা কাৰণ দেখিবলৈ পোৱা গৈছে। বিহাৰ, পশ্চিমবংগ, কেৰালা, তামিলনাডু আদি ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীসকল সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰতি যিমান সচেতন তাৰ তুলনাত অসমৰ ছাত্ৰ-ছাত্ৰীসকল সেই পৰীক্ষাসমূহৰ প্ৰতি সিমান সচেতন নহয়। তেওঁলোকে প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ শংকাবোধ কৰে। এক ধৰণৰ মানসিক হীনমন্যতাত ভুগিও অসমৰ বহু ছাত্ৰ-ছাত্ৰীয়ে সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ নহয় বা ভালদৰে প্ৰস্তুতি নচলোৱাকৈ পৰীক্ষাত অৱতীৰ্ণ হোৱা দেখা যায়। অসমৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে উদ্গনি পোৱা কোনো ধৰণৰ সঠিক পৰিৱেশ লাভ নকৰে। তেওঁলোকক উদ্গনি



যোগোৱা ব্যক্তি বা পৰিৱেশৰ যথেষ্ট অভাৱ পৰিলক্ষিত হয় আৰু ছাত্ৰ-ছাত্ৰীসকল প্ৰতিযোগিতামূলক পৰীক্ষাত ব্যৰ্থ হোৱাৰ সম্ভৱতঃ এটা কাৰণ হৈছে ভাষাৰ সমস্যা। ইংৰাজী আৰু হিন্দী ভাষাত আমাৰ বহুতো ছাত্ৰ-ছাত্ৰীৰ পৰ্যাপ্ত দখল নাই। সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত আমাৰ অসমৰ ছাত্ৰ-ছাত্ৰীসকল অৱতীৰ্ণ হ'ব পৰাকৈ উপযুক্ত প্ৰশিক্ষণ কেন্দ্ৰৰ অভাৱ পৰিলক্ষিত হয়। আন ঠাইবোৰত আনকি সৰু সৰু মফচলীয় চহৰবোৰতো বিভিন্ন প্ৰশিক্ষণ কেন্দ্ৰ গঢ়ি উঠিছে। আমাৰ অসমৰ ৰাজধানী গুৱাহাটী মহানগৰীত কিছুমান প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰশিক্ষণ কেন্দ্ৰ গঢ়ি উঠিছে যদিও অন্য মফচলীয় চহৰসমূহত পৰ্যাপ্ত পৰিমাণে তেনেধৰণৰ প্ৰশিক্ষণ কেন্দ্ৰ গঢ়ি উঠা নাই। আমাৰ ছাত্ৰ-ছাত্ৰীসকলে বহু সময়ত নিজৰ গৃহ চহৰ এৰি যাব নিবিচাৰে, তেওঁলোকে নিজৰ গৃহ চহৰতেই এক আকৰ্ষণীয় বৃত্তিত নিয়োজিত হ'ব বিচাৰে। অসমৰ ছাত্ৰ-ছাত্ৰীসকলৰ বহু ক্ষেত্ৰত আত্মবিশ্বাসৰ অভাৱ। সৰ্বভাৰতীয় স্তৰৰ পৰীক্ষাত কৃতকাৰ্যতা লাভ কৰিব বুলি তেওঁলোক আত্মবিশ্বাসী নহয়। ফলস্বৰূপে তেওঁলোকে সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ পৰা বিৰত থাকে। প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰি পঢ়া-শুনা কৰি থাকিলে নিশ্চয়কৈ সফলতা অৰ্জন কৰিব পাৰিব। ইয়াৰ বাবে তেওঁলোকৰ লক্ষ্য আৰু উদ্দেশ্য থাকিব লাগিব। সেনাবাহিনী, অৰ্ধসামৰিক বাহিনী আদি সশস্ত্ৰ বাহিনীসমূহত অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ যথেষ্টসংখ্যক লোকে কৰ্মসংস্থাপন লাভ কৰিবলৈ সক্ষম হৈছে। কেইটামান দশকৰ পূৰ্বে এই সংখ্যা যথেষ্ট কম আছিল। এই ৰাজ্যসমূহত উগ্ৰপন্থী সমস্যা সেই সময়ত ভৰপক আছিল। বৰ্তমান যথেষ্টসংখ্যক উগ্ৰপন্থীয়ে আত্মসমৰ্পণ কৰিছে আৰু প্ৰায়সংখ্যক উগ্ৰপন্থী সংগঠনে যুদ্ধ বিৰতিত আছে। ইয়াৰ পূৰ্বতে সেনাবাহিনীয়ে নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠনসমূহৰ বিৰুদ্ধে অভিযান চলাই যথেষ্টসংখ্যক উগ্ৰপন্থীক কৰায়ত্ত কৰাৰ লগতে

**ফটিকদত্ত গোস্বামী**

কিছুসংখ্যক উগ্ৰপন্থীক সংঘৰ্ষত নিহত কৰে। এই সময়ছোৱাত বিৰাজমান অশান্তজৰ্জৰ পৰিস্থিতিৰ বাবে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়নৰ সু-পৰিৱেশ লাভ কৰিবলৈ সক্ষম হোৱা নাছিল। কিন্তু বৰ্তমানে এই ৰাজ্যসমূহলৈ শান্তিপূৰ্ণ পৰিৱেশ ঘূৰি আহিছে। ফলস্বৰূপে, ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰাৰ সুবিধা লাভ কৰিছে।

হিংসাজৰ্জৰ পৰিৱেশৰ অৱসান ঘটাৰ ফলস্বৰূপে সেনাবাহিনী আৰু অৰ্ধসামৰিক বাহিনীত যিদৰে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে সফলতা লাভ কৰিছে। সেইদৰে অন্যান্য প্ৰতিযোগিতমূলক পৰীক্ষা সমূহতো সফলতা লাভ কৰিব বুলি আশা কৰো। বৰ্তমান অসমৰ ছাত্ৰ-ছাত্ৰীসকলে আন্দোলনমুখী হোৱাতকৈ কৰ্মমুখী হোৱাৰ ওপৰতহে গুৰুত্ব আৰোপ কৰিছে। ই অতিকৈ শুভ লক্ষণ। তেওঁলোকে ভালদৰে লক্ষ্য আৰু উদ্দেশ্য পূৰণত অগ্ৰসৰ হ'লে নিশ্চয়কৈ সফলতা অৰ্জন কৰিব পাৰিব। পূৰ্বৰ ছাত্ৰ-ছাত্ৰীসকলৰ সফলতাৰ খবৰে পাছৰ প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ প্ৰদান কৰে। যিসকল ছাত্ৰ-ছাত্ৰীয়ে সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতা লাভ কৰিছে তেওঁলোকে সমাজৰ বৃহত্তৰ স্বাৰ্থৰ বাবে পাছৰ প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ প্ৰদান কৰি দিহা-পৰামৰ্শ দিবলৈ আগবাঢ়ি অহা উচিত। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীসকল উৎসাহী হৈ পৰিব আৰু তেওঁলোকৰ মনত আত্মবিশ্বাস আৰু কৰ্মস্পৃহাৰ সৃষ্টি হ'ব। তেওঁলোকে অধিক উৎসাহ আৰু চেষ্টাৰে নিজৰ লক্ষ্য প্ৰাপ্তিৰ বাবে অগ্ৰসৰ হ'বলৈ অনুপ্ৰাণিত হ'ব। এইদৰে অসমৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ধৰণৰ পদক্ষেপ গ্ৰহণ কৰি সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতা অৰ্জন কৰিব পাৰে। সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত



অৱতীৰ্ণ হৈ এদিন অসমৰ ছাত্ৰ-ছাত্ৰীয়ে আইএএছ আৰু আইপিএছৰ লগতে আই এফ এছ আই আৰএছ আদিৰ দৰে উচ্চপদস্থ বিষয়াৰ আসনত অধিষ্ঠিত হৈ দেশৰ শাসন ক্ষমতাৰ এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিব পাৰিব বুলি নিশ্চয়কৈ ভাবিবৰ থল আছে।

*লেখক প্ৰাক্তন এডিজিপি*
*ফোন ঃ ৬০০০৬০৩৮১৭*

# বিশ্ব স্বাস্থ্য সংস্থাৰ ক'ভিড মৃত্যুৰ প্ৰতিবেদনত ভাৰত

**ভাৰতত** ক'ভিড-১৯ৰ প্ৰৱলতাক লৈ আমি ইমানদিনে সন্তুষ্টি লভি আছিলো। আমাৰ এই সন্তুষ্টিৰ ভিত্তি আছিল এই সংক্ৰান্তত চৰকাৰীভাৱে প্ৰকাশ কৰা তথ্য। কিন্তু অলপতে বিশ্ব স্বাস্থ্য সংস্থাই ক'ভিড-১৯ৰ ফলত মৃত্যু হোৱা লোকৰ তথ্যপূৰ্ণ প্ৰতিৱেদন প্ৰকাশ কৰি চৰকাৰৰ টোপনি হৰণ কৰিছে। যিকোনো সংক্ৰামক ৰোগৰ মাৰাত্মকতাৰ প্ৰথম জোখটো লোৱা হয় সংক্ৰমণটোৱে হানি কৰা জীৱনৰ লেখেৰে। ভাৰত চৰকাৰৰ তথ্য মতে ভাৰতত মুঠ ৪৩০.৯৪ লাখ লোক কভিড আক্ৰান্ত হোৱাৰ বিপৰীতে মুঠ ০৫.২৪ লাখ লোক মৃত্যু মুখত পৰিছে। এই হিচাপত মৃত্যুৰ হাৰ মাত্ৰ ০১.২২ শতাংশ। আমি যদি এতিয়া ক'ভিডত আটাইটকৈ বেছি আক্ৰান্ত হোৱা পৃথিৱীৰ বিভিন্ন দেশৰ অৱস্থালৈ চাওঁ, তেতিয়া দেখা পাম যে প্ৰতি হেজাৰজন কভিড আক্ৰান্ত লোকৰ বিপৰীতে মুঠ ২২ জন লোকৰ মৃত্যুৰ হাৰৰ স'তে ব্ৰাজিল তালিকাৰ শীৰ্ষ স্থানত আছে আৰু তাৰ পাছতেই আছে ৰুছিয়া (২১/১০০০)। ভাৰত আৰু আমেৰিকা প্ৰতি হেজাৰ ক'ভিডাক্ৰান্ত লোকৰ বিপৰীতে ১২ জনকৈ মৃত্যুৰ হাৰ লৈ তৃতীয় আৰু চতুৰ্থ স্থানত আছে। বাদ বাকী পূৰ্ব ইউৰোপৰ দেশ সমূহৰ ভিতৰত প্ৰতি এহেজাৰ আক্ৰান্তৰ ভিতৰত ইটালীত ১০ জন, স্পেইনত নজন, ব্ৰিটেইনত আঠজন, জাৰ্ম্মানী আৰু ফ্ৰান্সত পাঁচজনকৈ লোকৰ মৃত্যু হোৱা দেখা গৈছে।

এতিয়া বিশ্ব স্বাস্থ্য সংস্থাই প্ৰকাশ কৰা তথ্য মতে ভাৰতত ২০২০-২২ৰ পৰা ২০২১-২২লৈ এই সময়চোৱাত ক'ভিডত মৃত্যু হোৱা লোকৰ সংখ্যা ৪৭.৪ লাখ হ'ব বুলি উল্লেখ কৰিছে। অৰ্থাৎ সদ্যহতে চৰকাৰীভাৱে মৃতক বুলি ঘোষণা কৰা মুঠ ৫.২৪ লাখৰ প্ৰায় নগুণ। দেখাত স্বাস্থ্য সংস্থাৰ এই তথ্য শুদ্ধ যেন নালাগিলেও এই কথা সত্য যে এক বৃহৎ সংখ্যক মৃতকৰ তথ্য আমাৰ নথিত পঞ্জীভুক্ত হোৱা নাছিল। ইতিপূৰ্বেও এই কথা বহুবাৰ প্ৰমাণিত হৈছে। দুৰ্ভাগ্যজনক ভাৱে ভাৰতত চিকিৎসা বিষয়ক তথ্য এতিয়াও জনসাধাৰণে বিচাৰিলেই হাতত পোৱাকৈ নাই। ডিজিটেল ইণ্ডিয়াৰ নামত চৰকাৰে হেজাৰ হেজাৰ কোটি টকা খৰচ কৰিছে যদিও জনসাধাৰণৰ জীৱনৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত চিকিৎসা সম্পৰ্কীয় তথ্য এতিয়াও ডিজিটেল হ'বলৈ বহুদূৰ বাকী। এনেকুৱা কোনো চৰকাৰী ৱেবছাইট বা এপ্ নাই য'ত সাধাৰণ লোকৰ কিবা অসুখ বিসুখ হ'লে, অসুখৰ নাম দিলে ওচৰতে কোন ডাক্তৰক দেখুৱাব পাৰি, কিমান ধন খৰচ হ'ব পাৰে, তালৈ কেনেকৈ যাব পাৰি সেই তথ্যসমূহ পাব পাৰি। যেতিয়ালৈকে চৰকাৰে অনলাইনতে হওক বা পুস্তক আকাৰেই হওক এনে তথ্যসমূহ দিবলৈ সাহস নকৰিব তেতিয়ালৈকে সাধাৰণ ৰাইজৰ বাবে এই ডিজিটেল ইণ্ডিয়াৰ কোনো উপযোগিতা নাই।

বিভিন্ন দেশত ক'ভিডত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰা বিষয়টো লৈ আৰম্ভণিৰে পৰাই বিভিন্ন গৱেষণা প্ৰতিষ্ঠানৰ চিন্তা-চৰ্চাৰ বিষয় হৈ আছিল। বিশ্ববিখ্যাত কে'বাখনো বিশ্ববিদ্যালয় যেনে— অক্সফৰ্ড, কেম্ব্ৰিজ, জন হপকিঞ্চন আদিয়ে ক'ভিডৰ সংক্ৰমণৰ ফলত একো একোখন দেশত ক'ভিড বছৰটোত, তাৰ আগৰ বছৰতকৈ কিমান বেছি লোকৰ মৃত্যু হ'ল সেই তথ্য সম্পৰ্কে গৱেষণা চলাই আহিছে। ইয়াৰ বাবে তেওঁলোকে একো একোখন দেশৰ কে'বা বছৰৰো মৃত্যুৰ হাৰ তুলনা কৰি চাইছে। দেখা গৈছে যে একোটা স্বাভাৱিক বছৰত একোখন দেশত বছৰি মত্যু হোৱা লোকৰ সংখ্যাৰ খুব বেছি তাৰতম্য নহয়; কিন্তু কোনোটো বছৰত ৰাজ্যখনত সংক্ৰামক ৰোগৰ প্ৰাদুৰ্ভাৱ হ'লে তেনে ৰোগত মৃত্যুৰ হোৱা লোকৰ সংখ্যা বছৰি সাধাৰণতে মৃত্যু হোৱা লোকৰ সংখ্যাতকৈ বহু বেছি হয়। গৱেষকসকলে সেয়েহে একো একোখন দেশৰ কে'বা বছৰৰো মৃত্যু হাৰৰ অধ্যয়ন কৰি আগৰ বছৰতকৈ পাছৰ বছৰত হোৱা মৃত্যুৰ হাৰৰ তাৰতম্যৰ প্ৰকৃতি সম্পৰ্কে স্থিৰ নিশ্চিত হৈছে। দেখা গৈছে যে ২০১৯, অৰ্থাৎ প্ৰাক-ক'ভিড বছৰটোত বিভিন্ন বেমাৰত চৰকাৰীভাৱে নথিভুক্ত হোৱা মুঠ মৃতকৰ সংখ্যা আৰু ২০২০ অৰ্থাৎ ক'ভিড বছৰত একেদৰে নথিভুক্ত হোৱা মুঠ মৃতকৰ সংখ্যাৰ মাজত এক বিৰাট ব্যৱধান আছে। মহামাৰী সংক্ৰমণৰ ফলত এনে হোৱাটোৱেই স্বাভাৱিক। গতিকে ক'ভিড বছৰত আগৰ বছৰৰ তুলনাত যি অতিৰিক্ত মৃত্যু নথিভুক্ত হ'ল, সেইখিনিৰ পৰা সাধাৰণতেই হোৱা তাৰতম্যৰ অংশ বাদ দি বাকী অংশ ক'ভিডৰ ফলস্বৰূপে হোৱা মৃত্যু বুলি ক'ব খোজা হৈছে। উদাহৰণ স্বৰূপে অসমত ২০১৮ আৰু ২০১৯ত চৰকাৰী তথ্যমতে বিভিন্ন বেমাৰত গড়ে ৫০,০৮০ জন লোকৰ মৃত্যু ঘটিছিল। পাছৰ বছৰত অৰ্থাৎ ২০২০ত যেতিয়া ক'ভিড-১৯ৰ সংক্ৰমণ মাৰাত্মক হ'বলৈ ধৰিলে, তেতিয়া আগষ্টৰ পৰা নৱেম্বৰৰ ভিতৰত বিভিন্ন বেমাৰত মৃত্যু হোৱা লোকৰ সংখ্যা বৃদ্ধি হৈ হ'লগৈ ৭৭,৮৪৫ জন। অৰ্থাৎ পূৰ্বৰ দুটা বছৰতকৈ ২০২০ত মুঠ (৭৭৮৪৫ - ৫০০৮০) = ২৭,৭৬৫ জন অতিৰিক্ত লোকৰ মৃত্যু হ'ল। দৰাচলতে এই অতিৰিক্তভাৱে বৃদ্ধি পোৱা মৃতকৰ সংখ্যাৰ ভিতৰতে ২০২০ত ক'ভিড১৯ত মৃত্যু হোৱা লোকৰ সংখ্যাটো

**উদয়ন হাজৰিকা**

সোমাই আছে; কিন্তু সমস্যা হৈছে এই তথ্যটো চৰকাৰী হিচাপ মতে সেই বছৰটোত ক'ভিডত যিমান লোকৰ মৃত্যু হ'ল বুলি দেখুওৱা হৈছে তাৰ লগত মিলা নাই। আনকি ওচৰে-পাঁজৰেও যোৱা নাই। অথচ দুয়োটাই চৰকাৰী তথ্য। চৰকাৰী হিচাপ মতে ২০২০ৰ নৱেম্বৰ পৰ্যন্ত অসমত ক'ভিডত মৃত্যু হোৱা লোকৰ সংখ্যা

| ৰাজ্য | মৃত্যুৰ চৰকাৰী তথ্য | আবেদনকাৰীৰ সংখ্যা |
|---|---|---|
| অন্ধ্ৰপ্ৰদেশ | ১৪,৭৩০ | ৪৭,৮১৮ |
| উৰিষ্যা | ৯১৭৯ | ১৭১১৫** |
| বিহাৰ | ১২২৫৬ | ১১৯০০ |
| গুজৰাট | ১০৯৪৩ | ১২১২৭১ |
| কেৰালা | ৬৯১৬৪ | ৬৪৮৭৪ |
| মহাৰাষ্ট্ৰ | ১৪৭৮৪৫ | ২৫৩০০০ |
| পঞ্জাৱ | ১৭৭৫১ | ১৮৬৪৮ |
| উত্তৰ প্ৰদেশ | ৪৬৮৯৪ | ৪৩৯২৫ |
| ৰাজস্থান | ৯৫৫২ | ১১৪৩৯** |
| চত্তিছগড় | ১৪০৩৪ | ১৯৩১৮** |
| তামিলনাডু | ৩৮০২৫ | ৭৫০০০ |
| মুঠ | ৩৯০৩৭৩ | ৬৮৪৩ |

*** আবেদন আহি থকা অৱস্থাত। *ইণ্ডিয়ান এক্সপ্ৰেছ কাকতৰ সৌজন্যত*

আছিল ৯৭৫ জন। অৰ্থাৎ গণনা কৰি উলিওৱা মুঠ ২৭,৭৬৫ জন অতিৰিক্ত মৃতকৰ ভিতৰত কেৱল ৯৭৫ জনহে (৩.৫১ শতাংশ) কভিডত মৃত্যু হোৱা বুলি ক'ব খোজা হৈছে— যিটো সম্ভৱ নহয়। তেতিয়া প্ৰশ্ন উঠিব হঠাৎ ইমান সংখ্যক লোক কি হৈ ঢুকাল? দৰাচলতে এনে বহু লোক আছে যি সকলৰ কভিডত মৃত্যু হোৱা সত্বেও আন কাৰণত মৃত বুলি পঞ্জীয়ন কৰা হ'ল আৰু তেওঁলোকৰ সংখ্যাও এই ২৭৭৬৫ জনৰ ভিতৰতে সোমাই আছে। তেওঁলোকৰ সংখ্যা প্ৰকৃততে কিমান সেইটো উলিয়াবলৈ আমাক এক শুদ্ধ তথ্য ব্যৱস্থা লাগিব।

ওপৰত উল্লেখ কৰা গৱেষণাৰ ফল বৰ্তমান মুক্তভাৱে ব্যৱহাৰ কৰিব পৰা হৈছে। মিছিগান বিশ্ববিদ্যালয়ৰ অধ্যাপক ভ্ৰামাৰ মুখাৰ্জীৰ মতে, ভাৰতত ক'ভিডত মৃত্যু হোৱা হিচাপে নথিভুক্ত হোৱা লোকৰ সংখ্যা ওপৰত কৈ অহা অতিৰিক্ত মৃত্যুৰ সংখ্যাৰ মাত্ৰ ১০ শতাংশৰ ভিতৰতে থাকিব। বাকী ৰৈ যোৱা ৯০ শতাংশ দৰাচলতে নথিভুক্ত নোহোৱা অথচ কভিডত মৃত্যু হোৱা লোকেই।

ভাৰতৰ বাবে ওপৰত কৈ অহা ধৰণে অতিৰিক্ত মৃত্যুৰ পৰিমাণ নিৰ্ণয় কৰাটোৱেই এটা কঠিন কাম। কাৰণ আমাৰ বেছি ভাগ ৰাজ্যতে অসামৰিক পঞ্জীয়ন ব্যৱস্থাৰ অৱস্থা অতি শোচনীয়। বহুত সময়ত তথ্য নথিবদ্ধ কৰা হয়; কিন্তু অদক্ষতাৰ ফলত এই তথ্য ব্যৱহাৰৰ উপযোগী হৈ নাথাকে; কাৰণ বিশদ বিৱৰণসমূহ নথিবদ্ধ কৰা নহয়। অতিৰিক্ত মৃত্যু সম্পৰ্কে অধ্যয়ন কৰি ভাৰ্জিনিয়া কমনৱেলথ্ বিশ্ববিদ্যালয়ৰ গৱেষক ক্ৰিষ্টোফাৰ লেফ্লাৰ, জজেফ লাইকিনছ্ আৰু এডৱাৰ্ড য়াঙে কয় যে কভিডৰ সংক্ৰমণৰ কালত অৰ্থাৎ ২০২০ত ভাৰতৰ অতিৰিক্ত মৃত্যুৰ পৰিমাণ হ'ব ১০.৪৩ লাখ আৰু ২০২১ৰ জুন পৰ্যন্ত এনে অতিৰিক্ত মৃত্যুৰ পৰিমাণ হ'বগৈ ১৫.৮৬ লাখ। অৰ্থাৎ এই গণনা অনুসৰি ক'ভিড-১৯ৰ আৰম্ভণিৰ পৰা ২০২১ৰ জুন পৰ্যন্ত মৃত্যু হোৱা লোকৰ সংখ্যা হ'বগৈ ২৬.২৯ লাখ। অথচ ভাৰতৰ চৰকাৰী তথ্যমতে ক'ভিডত মৃত্যু হোৱা লোকৰ সংখ্যাই এতিয়াও ৫.২৪ লাখেই অতিক্ৰম কৰা নাই। মুঠ ১৭ খন ৰাজ্যৰ সংগৃহীত তথ্যৰ পৰা এই তথ্য গণনা কৰি উলিওৱা হৈছে। এই কেইখন ৰাজ্যই ভাৰতৰ মুঠ জনসংখ্যাৰ ৬০ শতাংশ সামৰি লয়। এই ৰাজ্যকেইখন হ'ল— গুজৰাট, কৰ্ণাটক, কেৰালা, মহাৰাষ্ট্ৰ, তামিলনাডু, পশ্চিমবংগ, দিল্লী, মধ্যপ্ৰদেশ, অন্ধ্ৰপ্ৰদেশ, তেলেংগানা, অসম, বিহাৰ, উৰিষ্যা, ৰাজস্থান, হাৰিয়ানা, পঞ্জাব আৰু উত্তৰ প্ৰদেশ। এই ৰাজ্যসমূহত ২০১৯ত হোৱা মৃত্যুৰ তথ্য আৰু ২০২০ত হোৱা মৃত্যুৰ তথ্যৰ তুলনা কৰি ২০২০ আৰু ২০২১ৰ জুন পৰ্যন্ত হোৱা ওপৰোক্ত অতিৰিক্ত মৃত্যুৰ সংখ্যা গণনা কৰি উলিওৱা হৈছে।

একেদৰে চেণ্টাৰ ফ'ৰ গ্ল'বেল ডেভেলপমেণ্ট নামৰ সংগঠনটোৰ অভিষেক আনন্দ, জাষ্টিন চেণ্ডেফাৰ আৰু অৰবিন্দ সুব্ৰমণিয়মে অসামৰিক পঞ্জীয়ন ব্যৱস্থাৰ তথ্যৰ ওপৰ নিৰ্ভৰ কৰি ভাৰতৰ সাতখন ৰাজ্যৰ অতিৰিক্ত মৃত্যুৰ হাৰ নিৰ্ণয় কৰিছে আৰু তাৰ ভিত্তিত গণনা কৰি দেখুৱাইছে যে ক'ভিডৰ সময় চোৱাত ভাৰতত অতিৰিক্তভাৱে মৃত্যু হোৱা লোকৰ সংখ্যা ৩৪ লাখ হবগৈ। এই অধ্যয়নৰ ভিত্তিতে 'দ্য হিন্দু' কাকতে কৈছে যে ভাৰতত অতিৰিক্ত মৃত্যুৰ পৰিমাণ চৰকাৰীভাৱে ঘোষণা কৰা ক'ভিড-১৯ত মৃত্যু হোৱা লোকৰ সংখ্যাৰ প্ৰায় ৮.২২ গুণ হ'বগৈ। সেয়ে হ'বলৈ হ'লে ক'ভিডৰ ফলত মৃত্যুৰ সন্মুখীন হোৱা দেশসমূহৰ ভিতৰত ভাৰতৰ স্থান হ'ব প্ৰথম।

এই ক্ষেত্ৰত আন এটা গুৰুত্বপূৰ্ণ দিশ নিজে নিজে উন্মোচিত হৈছে; সেয়া হ'ল উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ ভিত্তিত ক'ভিডত মৃত্যু হোৱা লোকৰ নিকটতম আত্মীয়লৈ আগবঢ়োৱা এককালীন সাহায্যৰ বাবে কৰা আবেদনকাৰীৰ



সংখ্যা। দেখা গৈছে যে মৃত্যু হোৱা লোকতকৈ আবেদনকাৰীৰ সংখ্যা বহু বেছি। তলত কেইখনমান ৰাজ্যৰ এটা উদাহৰণ দিয়া হ'ল।

এতিয়ালৈকে যিসমূহ এনে অধ্যয়ন হৈছে, সকলোৱে ভাৰতৰ ক'ভিডত মৃত্যুৰ সংখ্যা চৰকাৰীভাৱে কৰা ঘোষণাতকৈ সাত গুণৰ পৰা ১০ গুণ বেছি হোৱাৰ আশংকা প্ৰকাশ কৰিছে। কেন্দ্ৰীয় চৰকাৰে এই বিষয়টো নজনা নহয়। অলপতে উচ্চতম ন্যায়ালয়ৰ হেচাত দাখিল কৰা এখন ১৮৩ পৃষ্ঠাৰ প্ৰতিবেদনত ক'ভিডত মৃত্যুৰ ক্ষেত্ৰত হ'ব পৰা তেনে মাৰাত্মক অসামঞ্জস্যতাৰ কথা চৰকাৰে নুই কৰা নাই। ইয়াৰ পৰা দেখা যায় যে চৰকাৰে ইমানদিনে বিষয়টো লঘু দৃষ্টিৰে চাই আহিছে। প্ৰয়াগৰাজত উদ্ঘাটন হোৱা মৃতকৰ গণ-কবৰ আৰু সেই সম্পৰ্কত চৰকাৰৰ উদাসীনতা তাৰেই উদাহৰণ মাত্ৰ। চৰকাৰীভাৱে ঘোষিত ৪.৫ লাখ মৃতকৰ ঠাইত যদি ২৮ লাখ লোকৰো মৃত্যু হৈছে, তেনেহ'লে চৰকাৰী ব্যৱস্থা এটা নথকাৰে সমান বুলি ক'ব লাগিব। অসমতো ২০২০ত ১৫,২৪৬ জন লোকৰ মৃত্যু হৈছে বুলি গণনা কৰি উলিওৱা হৈছে। অথচ চৰকাৰী হিচাব মতে ২০২০ৰ ৩১ ডিচেম্বৰ পৰ্যন্ত অসমত ক'ভিডত মৃত হোৱা লোকৰ সংখ্যা হ'লগৈ মাত্ৰ ১০৪৫ জন। গতিকে ৰাজ্য চৰকাৰেও এতিয়া নিজৰ স্থিতি বিশ্লেষণ কৰা সময় আহি পৰিছে।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে বিশ্ব স্বাস্থ্য সংস্থাই প্ৰকাশ কৰা তথ্য একেবাৰেই বিসংগতিপূৰ্ণ বুলি নাকচ কৰি দিব নোৱাৰি। ৰাজ্যসমূহৰ বেছিভাগেই মৃত্যুৰ তথ্য প্ৰকাশ কৰাত জানিয়েই হওক বা নজনাকৈ ভুল কৰিছে। কিন্তু গুৰুত্বপূৰ্ণ কথাটো হ'ল এয়ে যে নজনাকৈ কৰা ভুলৰ ফলত ইমান মাৰাত্মক বিসংগতিৰ সম্ভাৱনা নাই। কাৰণ তেনে ভুল সোনকালে ধৰা পৰে আৰু শুধৰাই লয়; কিন্তু বিসংগতি মাৰাত্মক হয় তেতিয়া, যেতিয়া ভুল দেখি শুনিও শুধৰোৱাৰ কোনো প্ৰৱণতা নাথাকে। এনেবোৰ ঘটনাৰ স'তে জড়িত হৈ থাকে ৰাজনৈতিক আৰু আৰ্থিক লাভালাভৰ অভিলাস। *ফোন ঃ ৯৪৩৫০৪৫৬৮২*

# চুটি জীৱনকালত সাফল্যৰ অভিলেখ



**হিন্দু** ধৰ্ম আৰু দৰ্শনৰ প্ৰখ্যাত পণ্ডিত, তত্ত্বজ্ঞ আৰু প্ৰচাৰক শংকৰাচাৰ্যৰ স্বল্পায়ু জীৱনত তেওঁ যি দৃষ্টান্ত ৰাখি থৈ গৈছে সেয়া জগতৰ ইতিহাসত বিৰল। যিটো যুগত তেওঁ জন্মিছিল, সেই যুগত ভাৰতবৰ্ষত নানা জাতিৰ অভ্যুদয় আৰু বহু মতবিৰোধৰ পৰিৱেশ সৃষ্টি হৈছিল। শংকৰাচাৰ্যই যুক্তিৰ দ্বাৰা বিভিন্ন মতাৱলম্বীক নিজৰ মতলৈ আনি স্তিমিতপ্ৰায় বৈদিক ধৰ্মক পুনৰুজ্জীৱিত আৰু পুনঃপ্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হৈছিল।

আচাৰ্য শংকৰ আছিল সন্ন্যাসী সম্প্ৰদায়ৰ গুৰু, বেদান্তৰ অদ্বৈতবাদৰ প্ৰতিষ্ঠাতা। শংকৰে তেওঁৰ অপূৰ্ব প্ৰতিভা, অলৌকিক সাধন আৰু মনস্বিতাৰ প্ৰভাৱত পতনোন্মুখ হিন্দু সমাজক ৰক্ষা কৰিছিল। তেওঁ যে মাথোঁ অদ্বৈতবাদী আছিল এনে নহয়, দ্বৈতবাদ, বিশিষ্টা দ্বৈতবাদৰো তেওঁ যথাৰ্থ মৰ্যাদা দি গৈছে। তেওঁৰ ৰচিত ভক্তিমূলক স্তৱাদি দ্বৈতবাদৰ পৰিচায়ক। সাধকৰ প্ৰতি কৃপাবশতঃ ভগৱানে যে মায়া বিগ্ৰহ ধাৰণ কৰে— এই কথাও তেওঁৰ ভাষ্যৰ একাধিক স্থানত উল্লিখিত হৈছে। হিন্দু ধৰ্মৰ বিভিন্ন স্তৰৰ বাবে উপাসনাদিৰ প্ৰয়োজনীয়তাও তেওঁ স্বীকাৰ কৰি গৈছে।

## শংকৰাচাৰ্য

### জীৱনকাল ৩২ বছৰ মাত্ৰ (৭৮৮-৮২০)

যথা সময়ত শংকৰাচাৰ্যৰ আবিৰ্ভাৱ নহ'লে প্ৰবল বৌদ্ধধৰ্মৰ হেঁচাত হিন্দুধৰ্ম লোপ পাই গ'লহেঁতেন। অমানুষিক পৰিশ্ৰম কৰি তেওঁ হিন্দুধৰ্মক দৃঢ়মূলত প্ৰতিষ্ঠা কৰিছিল। ইয়াৰ বাবে তেওঁ বেদান্তৰ সৰ্বোচ্চ তত্ত্ব অদ্বৈতবাদ প্ৰচাৰৰ বাবে ভাৰতৰ চাৰি প্ৰান্তত চাৰিটা মঠ আৰু দশনামধাৰী ১০টা সন্ন্যাসী সম্প্ৰদায় স্থাপন কৰিছিল। সেইবোৰেই তেওঁৰ কীৰ্তি আৰু দূৰদৰ্শিতা আজিও ঘোষণা কৰি আছে।

ক্ষুৰধাৰ বুদ্ধি আৰু অকাট্য যুক্তিৰ বলত তেওঁ তৎকালীন প্ৰচলিত বৌদ্ধ, জৈন, সাংখ্য, কৰ্মমীমাংসা, শৈৱ, শাক্ত আৰু পঞ্চৰাত্ৰ প্ৰভৃতি মতবাদক খণ্ডন কৰি 'অদ্বৈতবাদ' প্ৰতিষ্ঠা কৰিছিল। ব্ৰহ্মপুত্ৰৰ ওপৰত তেওঁ যি ভাষ্য ৰচনা কৰে, সেয়া শাৰীৰিক ভাষ্য, বিৱৰ্তবাদ মায়াবাদ নামেৰেও পৰিচিত। শংকৰাচাৰ্যৰ মূল প্ৰতিপাদ্য হ'ল— 'ব্ৰহ্ম সত্যং জগন্মিথ্যা জীবো ব্ৰহ্মৈব নাপৰঃ'।

শংকৰাচাৰ্য দক্ষিণ ভাৰতৰ কেৰালা ৰাজ্যৰ কালাদি গাঁৱত ৭৮৮ খ্ৰীষ্টাব্দত জন্মগ্ৰহণ কৰে। তেওঁৰ পিতৃ আছিল শাস্ত্ৰজ্ঞ অধ্যয়নশীল ব্ৰাহ্মণ, নাম শিৱগুৰু আৰু মাতৃ বিশিষ্টা। শংকৰৰ জন্মৰ চন-তাৰিখ আৰু তিথি সম্বন্ধে কিছু মতভেদ আছে। কিছুমানৰ মতে ৬৮৬ৰ ব'হাগৰ শুক্লা তৃতীয়া তিথিত শুভ মধ্যাহ্নত বিশিষ্টা দেৱীয়ে শিশু শংকৰ সদৃশ এক কমনীয় পুত্ৰসন্তান প্ৰসৱ কৰে। কিন্তু বেছি ভাগৰ মতে ৭৮৮ৰ ব'হাগৰ পঞ্চমীত শংকৰৰ জন্ম হয়। দশনামী সন্ন্যাসী সম্প্ৰদায়ৰ অধিকাংশ মঠ আৰু আখড়াই শুক্লা পঞ্চমী তিথিত শংকৰৰ আবিৰ্ভাৱ বুলি মান্য কৰি থাকে। কথিত আছে শিৱগুৰু আৰু বিশিষ্টাৰ কোনো সন্তান নথকাত শিৱৰ ব্ৰত, উপাসনা আৰু তপস্যা কৰাৰ ফলতহে অৱশেষত সৰ্বসুলক্ষণযুক্ত পুত্ৰ সন্তান লাভ কৰিবলৈ তেওঁলোক সক্ষম হয় আৰু ভগৱান শংকৰৰ আশিসত সন্তান লাভ হেতু পুত্ৰৰ নাম ৰখা হয় শংকৰ।

পাঁচ বছৰ বয়সত শংকৰৰ উপনয়ন কাৰ্য সম্পন্ন কৰা হয়। ইয়াৰ পাছত আৰম্ভ হয় শংকৰৰ অধ্যয়ন। তেওঁ ইমান বিপুল স্মৃতিৰ অধিকাৰী আছিল যে মাথোঁ আঠ বছৰ বয়সতে ৰামায়ণ, মহাভাৰত, বেদ, পুৰাণ সকলো অধ্যয়ন সম্পূৰ্ণ কৰি পেলায়। এই ঘটনা অবিশ্বাস্য হ'লেও সত্য। কথিত আছে তৰ্কশাস্ত্ৰত তেওঁ ইমানেই পাৰদৰ্শী আছিল মাথোঁ ন-১০ বছৰৰ বয়সতেই

**ড° নীলমোহন ৰায়**

*ফোন ঃ ৯৮৬৪০৬৪২৭৪*

ডাঙৰ ডাঙৰ পণ্ডিতক তেওঁ পৰাস্ত কৰিবলৈ সক্ষম হৈছিল।

শংকৰৰ আঠ-ন বছৰ বয়সতে পিতৃ শিৱগুৰুই পৰলোক গমন কৰে। স্বাভাৱিক কাৰণতে পুত্ৰৰ সকলো দায়িত্ব আহি পৰে মাকৰ ওপৰত। এই সময়তে শংকৰৰ মনত সন্ন্যাসী হোৱাৰ বাসনা প্ৰবলভাৱে জাগ্ৰত হয়। একমাত্ৰ পুত্ৰক সন্ন্যাসী হ'বলৈ দিয়াৰ সামান্য ইচ্ছাও মাকৰ আছিল যদিও অৱশেষত ঘটনা পৰম্পৰাত তেওঁ পুত্ৰক সন্ন্যাসী হোৱাৰ অনুমতি দিবলৈ বাধ্য হয়।

মাকৰ পৰা অনুমতি পাই তেওঁ গুৰুৰ সন্ধানত গৃহ ত্যাগ কৰিলে। বিভিন্ন স্থান পৰিভ্ৰমণৰ অন্তত তেওঁ গুৰুৰ সন্ধান পালে। তেওঁ লগ পালে প্ৰখ্যাত দাৰ্শনিক আৰু সাধক গৌড়পালৰ শিষ্য গোবিন্দ ভগৱৎপাদৰ। শংকৰে তেওঁৰ ওচৰতে সন্ন্যাস গ্ৰহণ কৰি তেওঁৰ আশ্ৰমতে থাকিবলৈ ল'লে। নৰ্মদাৰ পাৰত মনোৰম প্ৰাকৃতিক পৰিৱেশত অৱস্থিত আশ্ৰমখনত সাধনা কৰি শংকৰে অলপ দিনৰ ভিতৰতে সিদ্ধি লাভ কৰিলে।

শিষ্যৰ লোকোত্তৰ প্ৰতিভা দেখি গুৰু অতি মুগ্ধ হ'ল। তেওঁ স্থিৰ কৰিলে শংকৰৰ দ্বাৰা এনে কিছুমান কাম কৰাবলৈ যি মানৱ সমাজত চিৰকাল স্মৰণীয় হৈ ৰ'ব। গুৰু ভগৱৎপাদে অনুভৱ কৰিছিল, এতিয়া ব্ৰহ্মসূত্ৰ, উপনিষদ আৰু গীতাৰ ভাষ্যৰ প্ৰয়োজন। যদিও এইবোৰৰ ভাষ্য আছে তথাপি সকলো গূঢ়াৰ্থ এতিয়াও উন্মোচিত হোৱা নাই। সেইবোৰ উন্মোচন কৰাৰ প্ৰতিভা একমাত্ৰ শংকৰৰে আছে। গুৰুৰ আদেশত শংকৰ গ'ল কাশীলৈ, স্থাপন কৰিলে আশ্ৰম। লিখিবলৈ ল'লে ব্ৰহ্মসূত্ৰ, উপনিষদ আৰু গীতাৰ ভাষ্য। ক্ৰমে ক্ৰমে বিয়পি পৰিল তেওঁৰ খ্যাতি। বহু জ্ঞানপিপাসু যুৱকে আহি তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিলে। সেই সময়ত শংকৰৰ বয়স আছিল মাথোঁ ১২ বছৰ। গুৰু গোবিন্দপাদৰ ওচৰত শিকা শংকৰৰ ব্ৰহ্মসূত্ৰৰ ব্যাখ্যা শুনি বাৰাণসীৰ বিদ্বৎমণ্ডলী স্তম্ভিত হ'ল। এনেদৰে সকলোৱে একান্ত আগ্ৰহত শংকৰে নিতৌ ব্ৰহ্মসূত্ৰৰ ব্যাখ্যা কৰিবলৈ ধৰিলে। এজন দুজনকৈ বহু বিদ্বান আৰু সন্ন্যাসী আহি শংকৰৰ শিষ্যত্ব গ্ৰহণ কৰিলে। এনেদৰেই এদিন চোলদেশীয় যুৱক বিষ্ণু শৰ্মাই শংকৰৰ ওচৰত দীক্ষা ল'লে। শিষ্যত্ব গ্ৰহণ কৰাৰ পাছত শংকৰাচাৰ্যই তেওঁৰ নাম ৰাখিলে সনন্দন।

বাৰাণসীৰ পাছত শংকৰ উপস্থিত হ'ল হিমালয়ৰ প্ৰৱেশদ্বাৰস্বৰূপ হৰিদ্বাৰত। পৰম ভক্তিৰে তেওঁ তাত বিষ্ণুমূৰ্তি প্ৰতিষ্ঠা কৰিলে। তাৰ পাছত হৃষিকেশ, লছমনঝোলা প্ৰভৃতি পৱিত্ৰ ভূমি দৰ্শন কৰি তেওঁ উপস্থিত হয় শ্ৰীক্ষেত্ৰ অৰ্থাৎ শ্ৰীনগৰত।

ইয়াত তান্ত্ৰিকৰ প্ৰাধান্য আছিল বৰ বেছি। তেতিয়াও তাত নৰবলি প্ৰথা বৰ্তি আছিল। স্থানীয় ব্ৰাহ্মণসকলৰ মুখত তান্ত্ৰিকসকলৰ দ্বাৰা নৰবলি প্ৰথাৰ কথা শুনি শংকৰৰ মন বেদনাত সিক্ত হৈ পৰিল। তেওঁ বিস্মিত হৈ ক'লে—ধৰ্মৰ নামত নৰবলি চৰাচৰ প্ৰসৱিনী আদ্যাশক্তিয়েই হ'ল সকলো প্ৰাণীৰ চিৰন্তনী জননী। নিজৰ সন্তানৰ ৰক্তপাত ঘটাই আৰু তাৰ মুণ্ড উপহাৰ পাই কোন জননী সুখী হ'ব পাৰে? তেওঁ স্থানীয় সকলো তান্ত্ৰিকাচাৰ্যকে তৰ্কযুদ্ধত আহ্বান জনালে। কিন্তু শংকৰৰ ওচৰত প্ৰকৃতিতত্ত্বৰ ব্যাখ্যা শুনি সকলো তান্ত্ৰিকেই মুগ্ধ আৰু বশীভূত হ'ল। শংকৰৰ চেষ্টাত ইয়াত বীভৎস নৰবলি প্ৰথা বন্ধ হ'ল।

শ্ৰীক্ষেত্ৰৰ পাছত ৰুদ্ৰপ্ৰয়াগ আৰু নন্দপ্ৰয়াগ পাৰ হৈ শংকৰাচাৰ্যই প্ৰৱেশ কৰিলে বদৰিক্ষেত্ৰত । ইয়াৰ পাছত জ্যোতিৰ্ধাম, বিষ্ণুপ্ৰয়াগ, ধৌলীগংগা, ব্ৰহ্মকুণ্ড, বিষ্ণুকুণ্ড, শিৱকুণ্ড প্ৰভৃতি দৰ্শন কৰি তেওঁ পাণ্ডুকেশ্বৰ আৰু শেষত বদৰিক্ষেত্ৰত প্ৰৱেশ কৰে।

আচাৰ্যৰ এই তীৰ্থভ্ৰমণত তেওঁৰ প্ৰধান শিষ্যসকলৰ স'তে বহু গৃহী শিষ্যয়ো তেওঁৰ অনুগমন কৰিছিল। বদৰিক্ষেত্ৰলৈ যোৱাৰ সময়ত ৰজা সুধন্বাও তেওঁৰ অনুগামী হৈছিল। বদৰিক্ষেত্ৰতেই আচাৰ্য শংকৰে তেওঁৰ অন্তিম স্তোত্ৰটি ৰচনা কৰে। এই স্তোত্ৰটি 'হৰিমীড়' স্তোত্ৰ নামে বিখ্যাত।

বদৰিধামত কিছুদিন অৱস্থান কৰাৰ পাছত সশিষ্য তেওঁ যাত্ৰা কৰে কেদাৰধাম অভিমুখে। এই সময়ছোৱাত তেওঁ প্ৰায়েই ধ্যানমগ্ন হৈ আছিল। শাস্ত্ৰ ব্যাখ্যা কৰা বা ধৰ্মোপদেশ দিয়াৰ ক্ষেত্ৰতো তেওঁৰ কোনো উৎসাহ নাছিল। যি শংকৰে সুদীৰ্ঘ ১৬ বছৰ অক্লান্ত প্ৰচাৰ কাৰ্য কৰিছে, মহা উৎসাহেৰে পদযাত্ৰাৰে অতিক্ৰম কৰিছে শ শ মাইল, সেই শংকৰ সম্প্ৰতি যেন নিষ্ক্ৰিয় ব্ৰহ্মস্বৰূপ।

যথা সময়ত কেদাৰধামত উপনীত হৈ আচাৰ্যই প্ৰথমেই শ্ৰীমন্দিৰলৈ গৈ পূজাঅৰ্চনাত তন্ময় হৈ পৰিল। ক্ৰমে এই তন্ময়তা বৃদ্ধি পালে। আহাৰাদি সম্বন্ধে তেওঁ সম্পূৰ্ণ উদাসীন হ'ল। কিছুদিন এনেদৰে অতিবাহিত হোৱাৰ পাছত এদিন আবেলি শিষ্যসকলক কাষলৈ মাতি স্নিগ্ধ কণ্ঠেৰে জনাই দিলে যে তেওঁৰ দেহৰ কাৰ্য সমাপ্ত হৈছে আৰু স্বৰূপত লীন হোৱাৰ সময় উপস্থিত হৈছে। তাৰ পাছত শিষ্যসকলক কিছু প্ৰয়োজনীয় উপদেশ প্ৰদান কৰি মৌনাৱলম্বন কৰি গভীৰ ধ্যানত মগ্ন হ'ল। এই অৱস্থাত বহুত সময় অতিবাহিত হোৱাৰ পাছত তেওঁ যোগবলত স্ব-স্বৰূপত লীন হৈ যায়। প্ৰবাদ আছে যে তেওঁৰ ভৌতিক দেহও লগে লগে কেদাৰনাথৰ প্ৰাংগণত বিলীন হৈ যায়।

অৱশ্যে শংকৰাচাৰ্যৰ তিৰোধান সম্পৰ্কে যথেষ্ট মতভেদ আছে। এই মতানুসাৰে ত্ৰিচুৰ (কেৰল), কাঞ্চী, দক্ষিণ কৈলাশ (কেৰলৰ অন্তৰ্গত বৃষণ্ণাঞ্চল নামৰ ঠাইক দক্ষিণ কৈলাশ বোলা হয়।)-ত আচাৰ্যৰ দেহাৱসান ঘটে। সি যি কি নহওক, মাথোঁ ৩২ বছৰৰ জীৱনকালত তেওঁ যি অসাধ্য সাধন কৰি থৈ গৈছে সেয়া ভাবিলে বিস্ময়ত হতবাক হ'ব লাগে।

শংকৰাচাৰ্য হিন্দুসকলৰ জগৎগুৰু হিচাপে বিবেচিত হৈছে। কাৰণ বেদশাস্ত্ৰৰ প্ৰচাৰ কাৰ্যত তেওঁ আছিল অনলস। সমগ্ৰ ভাৰতবৰ্ষত বৈদিক সমাজ আৰু সংস্কৃতি প্ৰচাৰৰ বাবে তেওঁ বহু কেন্দ্ৰ প্ৰতিষ্ঠা কৰি থৈ গৈছে। হিন্দুধৰ্মৰ পুনৰজাগৰণৰ বাবে তেওঁ আছিল সদা সচেষ্ট। তেওঁ অতি স্বল্পস্থায়ী জীৱনকালতেই বহু উন্নতমানৰ ধৰ্ম-দৰ্শনৰ গ্ৰন্থ লিখি থৈ গৈছে। সেইবোৰৰ মাজত অন্যতম হ'ল ব্ৰহ্মসূত্ৰ, মনীষ পঞ্চকাম, গীতাভাষ্য, বিবেক চূড়ামণি, প্ৰবোধ সুধাকৰ, সমবেদান্ত সিদ্ধান্ত সংগ্ৰহ প্ৰভৃতি। এইবোৰ গ্ৰন্থত তেওঁ তেওঁৰ বিশ্বাসৰ ভিত্তিসমূহৰ ব্যাখ্যা আগবঢ়াইছে। পৰৱৰ্তী কালত এইবোৰেই তেওঁৰ দৰ্শনৰ ঐতিহ্য হিচাপে বিবেচিত হয়।

বেদান্ত দৰ্শন সম্পৰ্কে আলোচনা কৰিবলৈ গৈ শংকৰাচাৰ্যই মায়াবাদ বা অদ্বৈতবাদ প্ৰৱৰ্তন কৰে। ঋক্‌বেদত উল্লিখিত আছে— পৰম সত্তা একক। একাধিক সত্তাৰ অস্তিত্ব নাই। একাধিক সত্তাৰ কল্পনা অবান্তৰ। জীৱ আৰু অজীৱ, বস্তু আৰু অবস্তুক শংকৰে অভিন্ন বুলি কৈছে। এই সত্তাক উপনিষদত কেতিয়াবা অসৎ আৰু কেতিয়াবা সৎ বুলি পৰিচিত কৰা হৈছে। উপনিষদত এনে ধৰণৰ সূত্ৰ বিচাৰি পোৱা যায় যে সকলোবোৰ ব্ৰহ্ম আৰু আত্মাই ব্ৰহ্ম।

অতি অল্পকালীন জীৱন পৰিক্ৰমাত শংকৰে সমগ্ৰ ভাৰতৰ জনগণক সাংস্কৃতিকভাৱে একীভূত কৰাৰ যি প্ৰয়াস কৰিছিল, সেয়া যিদৰে আছিল অভূতপূৰ্ব সেইদৰে আছিল সকলো প্ৰচেষ্টাৰ আগত। আজিলৈকে তেওঁৰ সমতুল্য কোনেও এই কৃতিত্ব অৰ্জন কৰিব পৰা নাই। যি সময়ত ভাৰতীয় সমাজ জীৱন অনেক অসুস্থতা, কূপমণ্ডুকতা, কুসংস্কাৰ, ৰক্ষণশীলতা আৰু ধৰ্মীয় গোড়ামিৰ দ্বাৰা আচ্ছন্ন হৈ পৰিছিল, তেনে সময়তে শংকৰাচাৰ্যই যেন হঠাৎ আবিৰ্ভূত হৈ সিবোৰৰ সংস্কাৰ সাধনৰ কাম আৰম্ভ কৰিলে আৰু এনেদৰেই হিন্দু সমাজৰ পুনৰ্জাগৰণৰ বাবে জীৱনপাত কৰিলে। তাৰ বাবেই তেওঁ সমগ্ৰ ভাৰত পৰিভ্ৰমণ কৰিলে আৰু ক্ষয়িষ্ণু হিন্দুধৰ্মৰ মাজত নৱজীৱনৰ সঞ্চাৰ কৰিলে। তেওঁ য'তেই গৈছে তাতেই তেওঁৰ প্ৰতিদ্বন্দ্বী তৰ্কশাস্ত্ৰীয় পণ্ডিতসকলৰ স'তে তৰ্কযুদ্ধত অৱতীৰ্ণ হৈছে আৰু তেওঁলোকক বাধ্য কৰিছে তেওঁৰ পণ্ডিতসুলভ যুক্তিৰ আগত হাৰ মানিবলৈ। তৎকালীন ভাৰত-খ্যাত পণ্ডিত মণ্ডন মিশ্ৰক তেওঁ নতি স্বীকাৰ কৰিবলৈ বাধ্য কৰি ডাঙৰ কৃতিত্বৰ পৰিচয় দিছিল। এই ঘটনাৰ পাছত মণ্ডন মিশ্ৰই পত্নীৰে স'তে শংকৰাচাৰ্যৰ ওচৰত সন্ন্যাস গ্ৰহণ কৰে। এনেদৰে যুক্তিযুদ্ধৰ জৰিয়তেই শংকৰে বেদান্ত দৰ্শনৰ সাৰবত্তা তেওঁলোকৰ আগত তুলি ধৰিছিল।

হিন্দু ধৰ্মৰ প্ৰচাৰৰ উদ্দেশ্যে তেওঁ পূবত পুৰী, পশ্চিমত দ্বাৰকা, উত্তৰত বদ্ৰীনাথ আৰু দক্ষিণত শৃংগেৰী—ভাৰতৰ এই চাৰি প্ৰান্তত চাৰিখন মঠ স্থাপন কৰে। কাশ্মীৰৰ শ্ৰীনগৰতো সম্ভৱতঃ শংকৰাচাৰ্য গৈছিল আৰু তাতো এখন মঠ স্থাপন কৰিছিল। আচাৰ্যই চাৰিজন প্ৰধান শিষ্যক চাৰিখন মঠৰ অধ্যক্ষ পদত নিয়োগ কৰিছিল—যথাক্ৰমে পুৰীৰ গোবৰ্ধন মঠত সনন্দন, দ্বাৰকাৰ সাৰদা মঠত মণ্ডন মিশ্ৰ, বদ্ৰীনাথৰ জ্যোতি মঠত তোটক আচাৰ্য আৰু শৃংগেৰীৰ সৰস্বতী মঠত পৃথ্বীধৰ আচাৰ্যক। প্ৰাচীন প্ৰথা পদ্ধতিৰে আকীৰ্ণ হিন্দু সমাজত এক নৱজাগৰণ আনিবলৈ সক্ষম হোৱা মহান দাৰ্শনিক, পণ্ডিত শংকৰাচাৰ্য ৮২০ত মাত্ৰ ৩২ বছৰ বয়সত দেহত্যাগ কৰে।

** লেখকৰ 'অকাল প্ৰয়াত মানুহৰ স্মৰণীয় কথা' পুথিৰ পৰা লোৱা হৈছে।*

## ইউক্রেইনক ৪০ বিলিয়ন ডলাৰৰ সাহায্য দিব আমেৰিকাই



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১০ মে' ঃ** ৰাছিয়াৰ ধাৰাবাহিক আক্ৰমণত বিধ্বস্ত হোৱা ইউক্রেইনক বিত্তীয় সাহায্য প্ৰদানৰ কথা ঘোষণা কৰিলে আমেৰিকাই। হোৱাইট হাউছে প্ৰকাশ কৰা অনুসৰি আমেৰিকাই ইউক্রেইনক ৪০ বিলিয়ন ডলাৰৰ সাহায্য আগবঢ়াব। ইতিমধ্যে মাৰ্কিন কংগ্রেছে ইউক্রেইনক বিত্তীয় সাহায্য প্ৰদানৰ প্ৰস্তাৱত অনুমোদন জনালে। আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে যোৱা ২৮ এপ্ৰিলত ইউক্রেইনৰ বাবে মাৰ্কিন কংগ্রেছত ৩৩ বিলিয়ন ডলাৰৰ সামৰিক সাহায্য প্ৰদানৰ অনুমতি বিচাৰিছিল। ইতিমধ্যে মাৰ্কিন কংগ্রেছে বাইডেনৰ এই প্ৰস্তাৱলৈ সন্মতি প্ৰকাশ কৰিছে।

## দুমাহত সোণৰ মূল্য ৫০০০ টকা হ্ৰাস পালে



**নিউজ ব্যুৰ', নতুন দিল্লী, ১০ মে' ঃ** ভাৰতীয় বজাৰত সোণ আৰু ৰূপৰ মূল্য পুনৰ সামান্য বৃদ্ধি হ'বলৈ ধৰিছে। মঙলবাৰে বজাৰত প্ৰতি ১০ গ্ৰাম সোণৰ মূল্য ০.০৮ শতাংশ বৃদ্ধিৰে ৫০,৯৯৮ টকা হ'ল। আনহাতে, দেশৰ বজাৰত আজি প্ৰতি কিলোগ্ৰাম ৰূপৰ মূল্য ০.৫৯ শতাংশ বৃদ্ধিৰে ৬১,৮৬০ টকা হ'ল। এপ্ৰিলৰ অন্তিম সপ্তাহৰ পৰা মে'ৰ প্ৰথম সপ্তাহলৈকে দেশৰ বজাৰত সোণৰ মূল্য হ্ৰাস অব্যাহত আছিল। মাৰ্চৰ আৰম্ভণিতে প্ৰতি ১০ গ্ৰাম সোণৰ মূল্য ৫৬,০০০ টকালৈ বৃদ্ধি পাইছিল। বিগত দুমাহত ভাৰতীয় বজাৰত সোণৰ মূল্য প্ৰায় ৫০০০ টকা হ্ৰাস পালে। সম্প্ৰতি ২২ কেৰেটৰ প্ৰতি ১০ গ্ৰাম সোণৰ মূল্য ৪৭,১৬১ টকাৰ আশে-পাশে আছে। মঙলবাৰে ২৪ কেৰেটৰ সোণৰ মূল্য সামান্য বৃদ্ধিৰে ১০ গ্ৰামত ৫১,৪৮৬ টকা হ'ল। আনহাতে, ২৩ কেৰেটৰ ১০ গ্ৰাম সোণৰ মূল্য ৫১,২৮০ টকা, ২২ কেৰেটৰ ১০ গ্ৰাম সোণৰ মূল্য ৪৭,১৬১ টকা, ২০ কেৰেটৰ প্ৰতি ১০ গ্ৰাম সোণৰ মূল্য ৩৮,৬১৫ টকা আৰু ১৪ কেৰেটৰ প্ৰতি ১০ গ্ৰাম সোণৰ মূল্য ৩০,১১৯ টকা হ'ল।

## তাজিক যোদ্ধাৰ আক্ৰমণত আফগানিস্তানত ২১ তালিবান সন্ত্ৰাসবাদীৰ মৃত্যু



**নিউজ ব্যুৰ', কাবুল, ১০ মে' ঃ** তালিবানৰ বিৰুদ্ধে পঞ্চশিৰত তাজিক যোদ্ধাসকলে সংগ্ৰাম অব্যাহত ৰাখিছে। প্ৰয়াত দুৰ্ধৰ্ষ আফগান যুঁজাৰু আহমেদ শ্বাহ মাছুদৰ অনুগত তাজিক যোদ্ধাই তালিবানৰ বিৰুদ্ধে আক্ৰমণ অধিক ব্যাপক কৰি তুলিছে। শেহতীয়া খবৰ অনুসৰি তাজিক যোদ্ধাৰ আক্ৰমণত ২১ জন তালিবান সন্ত্ৰাসবাদীৰ মৃত্যু হ'ল। আফগানিস্তান লিবাৰেচন ফ্ৰণ্ট আৰু নেচনেল ৰেছিষ্টেনছ ফ্ৰণ্টৰ সদস্যই যৌথভাৱে চলোৱা আক্ৰমণত তালিবান যথেষ্ট ক্ষতিগ্ৰস্ত হৈছে। তালিবান চৰকাৰে তাজিক যোদ্ধাৰ ঘাটি উচ্ছেদ কৰিবলৈ ইতিমধ্যে পঞ্চশিৰলৈ চাৰিখন যুঁজাৰু হেলিকপ্টাৰ প্ৰেৰণ কৰিছে।

## দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি নিযুক্ত ইউল



**নিউজ ব্যুৰ', ছিউল, ১০ মে' ঃ** ৰক্ষণশীল ইউন ছুক ইউলে আজি দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি হিচাপে দায়িত্ব গ্ৰহণ কৰিলে। মাজনিশা দক্ষিণ কোৰিয়াৰ ৫,৫৫,০০০ সদস্যৰ সামৰিক বাহিনীৰ কমাণ্ড গ্ৰহণ কৰিলে ইউলে। প্ৰচিকিউটৰ হিচাপে ২৬ বছৰ কৰ্মৰত হোৱাৰ পাছত ৰাজনীতিত প্ৰৱেশ কৰা ইউলে পিপ'ল পাৱাৰ পাৰ্টিৰ হৈ অলপতে নিৰ্বাচনত জয়লাভ কৰিছিল। দায়িত্ব গ্ৰহণৰ পাছত ইউলে মূলত দুটা সমস্যাৰ সন্মুখীন হ'ব। প্ৰথমে উত্তৰ কোৰিয়াৰ নতুন অস্ত্ৰ পৰীক্ষা আৰু দ্বিতীয়তে ক'ভিড পৰিপ্ৰেক্ষিতত দক্ষিণ কোৰিয়াৰ দুৰ্বল অৰ্থনীতি সবলীকৰণ কৰাটো ইউলৰ বাবে মুখ্য সমস্যাত পৰিণত হ'ব।

## পোলেণ্ডত ক্ষুব্ধ জনতাই ৰুছ ৰাষ্ট্ৰদূতক কৰিলে অপদস্থ



**নিউজ ব্যুৰ', কীভ, ১০ মে' ঃ** ইউক্রেইন যুদ্ধৰ কাৰণত পোলেণ্ডত অপদস্থ হ'ল ৰাছিয়াৰ ৰাষ্ট্ৰদূত ছাৰ্গেই এণ্ড্ৰিভ। দ্বিতীয় বিশ্বযুদ্ধত মৃত্যু হোৱা ছোভিয়েট সৈনিকক শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ বাবে ৰুছ ৰাষ্ট্ৰদূত ছাৰ্গেয়ে বাৰ্চাত উপস্থিত হোৱাৰ সময়তে একাংশ লোকে ৰং দলিয়াই ৰাষ্ট্ৰদূতজনক আক্ৰমণ কৰে। অৱশ্যে ৰুছ ৰাষ্ট্ৰদূতে নিজৰ সংযম বৰ্তাই ৰাখি পৰিস্থিতিৰ সন্মুখীন হয়। পাছত আক্ৰমণকাৰীয়ে প্ৰকাশ কৰা অনুসৰি ৰাছিয়াই ইউক্রেইনত আক্ৰমণ চলোৱা হেতুকে প্ৰতিবাদ জনোৱাৰ বাবে এইদৰে ৰুছ ৰাষ্ট্ৰদূতক ৰং দলিয়াই আক্ৰমণ কৰা হৈছিল।

### বিগত ২৪ ঘণ্টাত বৃহৎ ব্যৱসায়িক ক্ষতিৰ সন্মুখীন বিশ্বৰ সকলো শীৰ্ষ অৰ্বুদপতি

## আদানী-আম্বানীসহ বিশ্বৰ শীৰ্ষ ধনাঢ্যৰ সম্পত্তি হ্ৰাস ঃ মাস্কৰো ১৮ বিলিয়ন ডলাৰৰ লোকচান

**নিউজ ব্যুৰ' নতুন দিল্লী, ১০ মে' ঃ** বিশ্বৰ সকলো শীৰ্ষ অৰ্বুদপতিৰ সম্পত্তিৰ পৰিমাণ বিগত ২৪ ঘণ্টাত যথেষ্ট হ্ৰাস পালে। শীৰ্ষৰ ধনাঢ্যৰ প্ৰথম ১০ স্থানত থকা আটাইকেইজন অৰ্বুদপতিৰ সম্পত্তিৰ পৰিমাণ এদিনতে উল্লেখনীয় পৰিমাণত হ্ৰাস পালে। ধনাঢ্য ব্যক্তিৰ তালিকাত প্ৰথম স্থানত থকা এলন মাস্কৰ পৰা আৰম্ভ কৰি দশম স্থানত থকা মুকেশ আম্বানীলৈকে সকলোৱে বিগত ২৪ ঘণ্টাত বৃহৎ ব্যৱসায়িক ক্ষতিৰ সন্মুখীন হ'ল। বিলিয়নেৰ ইনডেক্সৰ পৰিসংখ্যা অনুসৰি, যোৱা ২৪ ঘণ্টাত বিশ্বৰ প্ৰায় সকলোবোৰ অৰ্বুদপতিৰ সম্পত্তি হ্ৰাস পালে। সম্প্ৰতি অৰ্বুদপতিৰ তালিকাত প্ৰথম স্থানত থকা টেছলা আৰু স্পেচএক্সৰ মুৰব্বী এলন মাস্কৰ সৰ্বাধিক পৰিমাণৰ বাণিজ্যিক ক্ষতি হ'ল। প্ৰকাশিত বাতৰি অনুসৰি মাস্কৰ মুঠ সম্পত্তিৰ পৰিমাণ বিগত এদিনত ১৮.৫ বিলিয়ন ডলাৰ হ্ৰাস পোৱাৰ ফলত ২২৯ বিলিয়ন ডলাৰ হ'ল। টুইটাৰ ক্ৰয়ৰ পাছতে হঠাতে মাস্কৰ সম্পত্তি হ্ৰাস পাবলৈ ধৰে। মাস্কৰ মালিকনাধীন টেছলাৰ শ্বেয়াৰমূল্য ১২ শতাংশ হ্ৰাস পালে। মাস্কৰ লগতে ধনাঢ্য ব্যক্তিৰ তালিকাত দ্বিতীয় স্থানত থকা এমেজনৰ প্ৰতিষ্ঠাপক জেফ বেজ'ছৰো সম্পত্তি বিগত এদিনত যথেষ্ট হ্ৰাস পালে। যোৱা ২৪ ঘণ্টাত বেজ'ছৰ ৬.০৪ বিলিয়ন ডলাৰ লোকচান



হোৱাৰ ফলত তেওঁৰ সম্পত্তিৰ পৰিমাণ ১৩৩ বিলিয়ন ডলাৰলৈ হ্ৰাস পালে। তৃতীয় স্থানত থকা মাইক্ৰ'ছফটৰ প্ৰতিষ্ঠাপক বিল গেটছৰ সম্পত্তিৰ পৰিমাণ ৩.১৫ বিলিয়ন ডলাৰ হ্ৰাস পোৱাত বৰ্তমানে তেওঁৰ মুঠ সম্পত্তিৰ পৰিমাণ হ'ল ১২০ বিলিয়ন ডলাৰ। চতুৰ্থ স্থানত থকা অৰ্বুদপতি বৰ্ণাৰ্ড অৰ্ণাল্টৰ ৪.২৪ বিলিয়ন ডলাৰ সম্পত্তি হ্ৰাসৰ ফলত মুঠ সম্পত্তিৰ পৰিমাণ ১২০ বিলিয়ন ডলাৰ হ'ল। পঞ্চম স্থানত থকা ভাৰতীয় উদ্যোগপতি গৌতম আদানীৰ সম্পত্তিৰ পৰিমাণ যোৱা ২৪ ঘণ্টাত ৫.১৯ বিলিয়ন ডলাৰ হ্ৰাস পালে আৰু বৰ্তমানে তেওঁৰ মুঠ সম্পত্তিৰ পৰিমাণ হৈছে ১১৫ বিলিয়ন ডলাৰ। একেদৰে দশম স্থানত থকা ভাৰতীয় উদ্যোগপতি মুকেশ আম্বানীৰ সম্পত্তিও বিগত এদিনত ৪.২৪ বিলিয়ন ডলাৰ হ্ৰাসৰ ফলত ৯২.১ বিলিয়ন ডলাৰ হ'ল। যোৱা ২৪ ঘণ্টাত ৱাৰেন বফেৰ ২.৫৩ বিলিয়ন ডলাৰ, লেৰি পেজৰ ২.২৫ বিলিয়ন ডলাৰ, ছৰ্গেই ব্ৰিনৰ ২.১৭ বিলিয়ন ডলাৰ আৰু ষ্টিভ উইলমাৰৰ ৩.২৪ বিলিয়ন ডলাৰৰ সম্পত্তি হ্ৰাস পালে।



## চাৰি ভাৰতীয়লৈ পুলিৎজাৰ সন্মান প্ৰদান

**নিউজ ব্যুৰ', নতুন দিল্লী, ১০ মে' ঃ** দানিছ ছিদ্দিকী, চানা ইৰচাদ মাট্টু, আদনান আদিবি আৰু অমিত দাভেক পুলিৎজাৰ সন্মান প্ৰদান কৰা হ'ল। আফগানিস্তানত তালিবানৰ গুলিত নিহত সাংবাদিক দানিছক মৰণোত্তৰভাৱে এই সন্মান আগবঢ়োৱা হৈছে। সাংবাদিকতা, সাহিত্য, সংগীতসহ কে'বাটাও ক্ষেত্ৰত উল্লেখনীয় অৱদানৰ বাবে প্ৰতি বছৰে পুলিৎজাৰ সন্মান আগবঢ়োৱা হয়। এই বছৰ পুলিৎজাৰ প্ৰাপকৰ তালিকাত নাম অন্তৰ্ভুক্ত হ'ল এই চাৰিজন ভাৰতীয়ৰ। উল্লেখ্য যে তালিকাত স্থান লাভ কৰা চাৰিজন ভাৰতীয়ই হৈছে চিত্ৰ সাংবাদিক। আদনান, ছানা আৰু অমিতক ক'ভিড পৰিস্থিতিত আগবঢ়োৱা সেৱাৰ বাবে এই স্বীকৃতি প্ৰদান কৰা হৈছে। আনহাতে, দানিছে ভাৰতৰ ক'ভিড পৰিস্থিতিৰ ছবিগ্ৰহণ কৰাৰ লগতে আফগানিস্তানত যুদ্ধৰ ছবি সংগ্ৰহ কৰিবলৈ গৈ তালিবানৰ গুলিত প্ৰাণ হেৰুৱাইছিল। উল্লেখ্য যে ২০১৮ বৰ্ষতো দানিছে ৰোহিংগ্যা শৰণাৰ্থীৰ সমস্যাক লৈ ফটো তুলি পুলিৎজাৰ বঁটা লাভ কৰিছিল।



## ফিলিপাইনছত পুনৰ ক্ষমতা দখল মাৰ্ক'ছ পৰিয়ালৰ

**নিউজ ব্যুৰ' মনিলা, ১০ মে' ঃ** ফিলিপাইনছৰ প্ৰয়াত নেতা ফাৰ্দিনেণ্ড মাৰ্ক'ছৰ পুত্ৰ ফাৰ্দিনেণ্ড মাৰ্ক'ছ জুনিয়ৰ দেশখনৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত জয়ী হ'ল। মাৰ্ক'ছ জুনিয়ৰে বৰ্তমানৰ দেশখনৰ উপ-ৰাষ্ট্ৰপতি মাৰিয়া লিঅ'নেৰ ৰ'ব্ৰেডক পৰাজিত কৰি ফিলিপাইনছৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত হ'ল। সদ্য ঘোষিত নিৰ্বাচনৰ ফলাফলত মাৰ্ক'ছ জুনিয়ৰে ৮৩.১ শতাংশ ভোট লাভ কৰিলে। মাৰ্ক'ছৰ পৰিয়ালে এসময়ত ফিলিপাইনছৰ ক্ষমতাত আছিল যদিও পাছত দুৰ্নীতিভ্ৰষ্ট একাধিক অভিযোগত মাৰ্ক'ছ পৰিয়াল হাৰাইলৈ পলাই যাবলৈ বাধ্য হৈছিল।

## বীমা ব্যৱসায়ত বৈপ্লৱিক পৰিৱৰ্তনৰ সিদ্ধান্ত আই আৰ ডি এৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ১০ মে' ঃ** বীমা ব্যৱসায়ৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন আনিবলৈ সাজু হৈছে বীমা নিয়ন্ত্ৰক আৰু উন্নয়ন কৰ্তৃপক্ষ (আই আৰ ডি এ)ই। আই আৰ ডি এৰ এই নতুন পদক্ষেপৰ ফলত বীমা গ্ৰাহকসকলে বৰ্তমানৰ তুলনাত অধিক সা-সুবিধা লাভ কৰিব। এই সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণৰ বাবে আই আৰ ডি এয়ে এখন পৃথক পেনেল গঠন কৰিছে। এই পেনেলে বীমা ব্যৱসায়ত নানা পৰিৱৰ্তন সাধনৰ পৰামৰ্শ দিছে। আগন্তুক সময়ত এখন বীমা আঁচনিৰ জৰিয়তে সকলো ধৰণৰ সুযোগ, সুবিধা আৰু কভাৰেজ গ্ৰাহকসকলে লাভ



কৰাৰ সম্ভাৱনা আছে। পেনেলে দিয়া পৰামৰ্শ অনুসৰি, এখন বীমা আঁচনিৰ অধীনত জীৱন বীমা, সাধাৰণ বীমা আৰু স্বাস্থ্য বীমাৰ সমন্বয় থাকিব। গ্ৰাহকে নিজৰ সুবিধা আৰু প্ৰয়োজন অনুসৰি এই বীমা পণ্যৰ যিকোনো এটা ক্ৰয় কৰিব পাৰিব। অৱশ্যে সকলো বীমা পণ্যত এখন জীৱন, এখন 'নন-লাইফ' আৰু এখন স্বাস্থ্য বীমা বাধ্যতামূলক হ'ব। আই আৰ ডি এৰ পেনেলে পৰামৰ্শ দি কৈছে যে বীমা কোম্পানীয়ে এই পণ্যসমূহক যৌথ অথবা পৃথক পণ্য হিচাপে গ্ৰাহকক বিক্ৰী কৰিব পাৰিব। স্বাস্থ্য আৰু ব্যক্তিগত বীমাৰ 'কভাৰেজ' পলিচিধাৰীৰ পৰিয়াল পৰ্যন্ত প্ৰসাৰিত কৰা হ'ব পাৰে। পলিচিৰ অন্তত, পলিচিধাৰীয়ে যদি 'কম্বিনেচন প্ৰ'ডাক্ট' নবীকৰণ কৰাব নিবিচাৰে, তেন্তে তেওঁ জীৱন, সাধন বা স্বাস্থ্য বীমা আঁচনি নিৰ্বাচন কৰি ল'ব পাৰিব।

## এম ফিল-পি এইচ ডিৰ গৱেষণাপত্ৰ জমাৰ অন্তিম দিন বৃদ্ধি




**নিউজ ব্যুৰ', নতুন দিল্লী, ১০ মে' ঃ** বিশ্ববিদ্যালয় অনুদান আয়োগ (ইউ জি চি)-এ দেশৰ উচ্চ শিক্ষানুষ্ঠানসমূহৰ শিক্ষাৰ্থীক এম ফিল আৰু পি এইচ ডি পাঠ্যক্ৰমৰ গৱেষণাপত্ৰ (থেছিছ) জমা দিয়াৰ বাবে অতিৰিক্ত ছমাহ সময় প্ৰদান কৰিলে। কৰ'না মহামাৰীৰ কাৰণত হোৱা শিক্ষাৰ্থীৰ ক্ষতিৰ প্ৰতি লক্ষ্য ৰাখি ইউ জি চিয়ে এই সিদ্ধান্ত গ্ৰহণ কৰিলে। ইউ জি চিৰ মুৰব্বী অধ্যাপক এম জগদীশ কুমাৰে আজি টুইটাৰত আয়োগৰ এই সিদ্ধান্তৰ কথা ঘোষণা কৰিছে। ইউ জি চিয়ে পূৰ্বে এম ফিল আৰু পি এইচ ডি পাঠ্যক্ৰমৰ গৱেষণাপত্ৰ জমা দিয়াৰ অন্তিম দিন ৩০ জুন ২০২২ নিৰ্ধাৰণ কৰিছিল। ইউ জি চিৰ নতুন সিদ্ধান্তৰ ফলত এম ফিল-পি এইচ ডি পাঠ্যক্ৰমৰ শিক্ষাৰ্থীয়ে গৱেষণাপত্ৰ জমা দিয়াৰ বাবে ৩০ জুনৰ পৰা পুনৰ ছমাহ সময় লাভ কৰিব।



## দুহেজাৰলৈ হ্ৰাস দেশৰ দৈনিক ক'ভিড সংক্ৰমণ, নিম্নমুখী মৃত্যু

**নিউজ ব্যুৰ' নতুন দিল্লী, ১০ মে' ঃ** সপ্তাহৰ দ্বিতীয় দিনতো দেশৰ ক'ভিড পৰিস্থিতি সামান্য উন্নত হ'ল। বিগত ২৪ ঘণ্টাত দেশৰ দৈনিক সংক্ৰমণ আৰু মৃত্যু নিম্নমুখী হোৱাৰ লগতে সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যাও হ্ৰাস পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত ২২৮৮ জন লোক কৰ'নাত সংক্ৰমিত হ'ল। সোমবাৰে দেশত ক'ভিড আক্ৰান্তৰ সংখ্যা আছিল ৩২০০ জন। যোৱা ২৪ ঘণ্টাত দেশত পুনৰ ১০ জন লোকৰ ক'ভিডত মৃত্যু হ'ল। দেশত সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যা হ্ৰাস পাই ১৯,৬৩৭ জন হ'ল।

## দেশ ৰক্ষাৰ যুঁজত ২০০ বোমা নিষ্ক্ৰিয়কৰণৰ পুৰস্কাৰ কুকুৰক দিলে ইউক্রেইনৰ ৰাষ্ট্ৰপতি জেলেনস্কিয়ে



**নিউজ ব্যুৰ', কীভ, ১০ মে' ঃ** ৰাছিয়াৰ আক্ৰমণ প্ৰতিৰোধ কৰিবলৈ এতিয়াও ইউক্রেইনৰ সেনা বাহিনীয়ে প্ৰচেষ্টা অব্যাহত ৰাখিছে। দেশ ৰক্ষাৰ যুঁজত কেৱল সেনাই নহয়, বিশেষ অৱদান আগবঢ়াইছে কুকুৰেও। ইয়াৰে স্বীকৃতি ইউক্রেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ জেলেনস্কিয়ে প্ৰদান কৰিলে কুকুৰক। আঢ়ৈ বছৰ বয়সৰ পেট্ৰ'ন নামৰ কুকুৰ এটাক জেলেনস্কিয়ে আনুষ্ঠানিকভাৱে পুৰস্কৃত কৰিলে। প্ৰকাশিত বাতৰি অনুসৰি এই কুকুৰটোৱে ৰুছ বিৰোধী যুঁজত কমেও ২০০ বিস্ফোৰক উদ্ধাৰ কৰি ইউক্রেইনবাসীৰ জীৱন ৰক্ষা কৰিলে। পেট্ৰ'নৰ গৰাকীৰ নাম হৈছে মাইহেইল' ইলিভ। ইলিভ সেনা বাহিনীত মেজৰ পদত নিযুক্ত। পেট্ৰ'নৰ লগতে ইলিভেও পুৰস্কাৰ লাভ কৰিলে। যোৱা দেওবাৰে কানাডাৰ প্ৰধানমন্ত্ৰী জাষ্টিন ট্ৰুডুৰ উপস্থিতিত কুকুৰৰ লগতে ইলিভেও আনুষ্ঠানিকভাৱে দেশসেৱাৰ বাবদ পুৰস্কাৰ লাভ কৰিলে। অনুষ্ঠানৰ সমাপ্তিত জেলেনস্কিয়ে কয়, 'আমাৰ দেশৰ যিসকল বীৰে বিভিন্ন বোমা নিষ্ক্ৰিয় কৰিছিল, তেওঁলোকক আজি সন্মানিত কৰা হ'ল। তেওঁলোকৰ স'তে আছে পেট্ৰ'ন নামৰ এটা কণমানি কুকুৰ। বোমা নিষ্ক্ৰিয় কৰাৰ লগতে শিশুসকলক বোমা থকা অঞ্চলত কেনেকৈ থাকিব লাগে সেই শিক্ষাও পেট্ৰ'নে প্ৰদান কৰি আহিছে।'

## জাতিগত জনগণনাৰ দাবীৰে পাটনাৰ পৰা দিল্লীলৈ পদযাত্ৰা কৰিব তেজস্বীয়ে

**নিউজ ব্যুৰ', পাটনা, ১০ মে' ঃ** নিৰ্বাচন ৰণনীতিজ্ঞ প্ৰশান্ত কিশোৰে কিছুদিন পূৰ্বে ঘোষণা কৰি কৈছিল যে তেওঁ অহা গান্ধী জয়ন্তীৰ দিনা চম্পাৰণৰ পৰা তিনি হেজাৰ কিলোমিটাৰ পদযাত্ৰা কৰিব। কিশোৰে এই ঘোষণাৰ লগতে জন সুৰাজৰ শ্ল'গান দিছিল। কিশোৰৰ পাছত এইবাৰ আৰ্জেদিৰ নেতা তেজস্বী যাদৱে পাটনাৰ পৰা দিল্লীলৈ পদযাত্ৰা কৰাৰ কথা ঘোষণা কৰিলে। তেজস্বীয়ে আজি এই কথা ঘোষণা কৰি কয় যে জাতিগত জনগণনাৰ দাবীৰে তেওঁ এই পদযাত্ৰা অভিযান চলাব। তেজস্বীয়ে কয়, 'দীৰ্ঘসময় ধৰি আমি বিহাৰত জাতিগত জনগণনাৰ দাবী উত্থাপন কৰি আহিছো। আৰ জে ডি আৰু এই দলৰ নেতা লালুপ্ৰসাদ যাদৱৰ উদ্যোগত ৰাজ্যৰ বিধানসভাই দুবাৰকৈ



জাতিগত জনগণনাৰ দাবীৰ সমৰ্থনত প্ৰস্তাৱ গৃহীত কৰিছিল। এতিয়া আমি এই দাবীৰে ৰাজপথত থিয় দিয়াৰ বিকল্প নাই।'

## পুনৰ টাইৱানৰ প্ৰতিৰক্ষা বলয়ত অনুপ্ৰৱেশ চীনা যুঁজাৰু বিমানৰ

**নিউজ ব্যুৰ', টাইপে, ১০ মে' ঃ** ইউক্রেইন যুদ্ধত সমগ্ৰ বিশ্ব প্ৰভাৱিত হোৱাৰ সময়তে পুনৰ আন এখন যুদ্ধৰ সম্ভাৱনা প্ৰকট কৰি টাইৱানৰ প্ৰতিৰক্ষা বলয়ত আকৌ এবাৰ অনুপ্ৰৱেশ কৰিলে চীনৰ যুঁজাৰু বিমানে। প্ৰকাশিত বাতৰি অনুসৰি দ্বীপৰাষ্ট্ৰখনৰ বায়ুসীমাত চীনৰ দুখনকৈ যুঁজাৰু বিমানে প্ৰৱেশ কৰিছিল। উল্লেখ্য যে চলিত মাহত ষষ্ঠবাৰৰ বাবে টাইৱানক বায়ুসীমা লংঘন কৰিলে চীনৰ যুঁজাৰু বিমানে। টাইৱানৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ে এই কথা প্ৰকাশ কৰি কয়, 'দেওবাৰে পুনৰ চীনৰ দুখন যুঁজাৰু বিমানে টাইৱানৰ প্ৰতিৰক্ষা বলয়ত অনুপ্ৰৱেশ কৰিছিল। ইয়াৰ মাজত আছিল কে এ ২৮ ছাবমেৰিন বিধ্বংসী এখন হেলিকপ্টাৰ।' স্মৰ্তব্য যে যোৱা জানুৱাৰীত



টাইৱানৰ প্ৰতিৰক্ষা বলয়ত ৩৯ খন চীনৰ যুঁজাৰু বিমানে অনুপ্ৰৱেশ কৰিছিল। এই বিমানসমূহৰ ভিতৰত ৩৪ খন যুঁজাৰু জেট, চাৰিখন ইলেকট্ৰিক ৱাৰফেয়াৰ বিমান আৰু এখন বোমাৰু বিমান আছিল। চীনে সঘনে এইদৰে টাইৱানৰ বায়ুসীমা উলংঘন কৰি দেশখনক আক্ৰমণ কৰাৰ ভাবুকি দি আহিছে।

## চীনৰ ক'ভিড পৰিস্থিতি পুনৰ উদ্বেগজনক, ২৪ ঘণ্টাত আক্ৰান্ত ৩৫০০ জন



**নিউজ ব্যুৰ', বেইজিং, ১০ মে' ঃ** চীনসহ বিশ্বৰ একাধিক দেশত ক'ভিড পৰিস্থিতি সম্প্ৰতি উদ্বেগজনক হৈ আছে। যোৱা ২৪ ঘণ্টাত চীনত পুনৰ ক'ভিড আক্ৰান্তৰ সংখ্যা বৃদ্ধি পালে। এদিনতে চীনত প্ৰায় ৩৫০০ জন লোক ক'ভিড আক্ৰান্ত হ'ল। ছাংঘাইৰ লগতে ৰাজধানী বেইজিঙতো বহু লোক এই মাৰাত্মক ভাইৰাছত সংক্ৰমিত হৈছে। অৱশ্যে আক্ৰান্তসকলৰ সৰহ সংখ্যকে উপসৰ্গহীন। তদুপৰি চীনত ক'ভিডত মৃত্যুৰ হাৰো সীমিত হৈ আছে। বিপুল সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি ছাংঘাইত বৰ্তমানেও তলাবন্ধ অব্যাহত আছে। ইফালে, বেইজিঙত সংক্ৰমণ নিয়ন্ত্ৰণৰ বাবে প্ৰশাসনে ৰাজধানীৰ বাসিন্দাসকলৰ ক'ভিড পৰীক্ষণ বাধ্যতামূলক কৰিছে।

## কুটুব মিনাৰৰ নাম সলনিকৰণৰ দাবী হিন্দু সংগঠনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১০ মে' ঃ** দিল্লীত বৰ্তমানে নাম সলনিকৰণৰ ৰাজনীতিয়ে বিশেষ গুৰুত্ব লাভ কৰিছে। এফালে বিজেপিয়ে দিল্লীৰ কে'বাখনো গাঁৱৰ নাম সলনি কৰাৰ প্ৰস্তাৱ চৰকাৰলৈ প্ৰেৰণ কৰিছে। আজি মহাকাল মানৱ সেৱা নামৰ এটা হিন্দু সংগঠনে কুটুব মিনাৰৰ নাম সলনি কৰাৰ দাবী উত্থাপন কৰিলে। সংগঠনটোৰ একাংশ সদস্যই কুটুব মিনাৰৰ সন্মুখত উপস্থিত হৈ আজি ইয়াৰ নাম সলনি কৰাৰ দাবী জনায়। অৱশ্যে লগে লগে আৰক্ষীয়ে মহাকাল মানৱ সেৱাৰ সদস্যক বাধাদান কৰে আৰু তেওঁলোকক জিম্মাত লয়। এই সংগঠনটোৰ সদস্যই আজি কুটুব মিনাৰ চৌহদত হনুমান চালিচা পাঠ কৰাৰ প্ৰস্তুতি চলাইছিল। আৰক্ষীয়ে তৎপৰতাৰে কুটুব মিনাৰ অঞ্চলত উপস্থিত হৈ বেৰিকেড গঢ়ি তোলে আৰু মহাকাল মানৱ সেৱাৰ সদস্যক আটক কৰি লৈ যায়। সংগঠনটোৰ সদস্যই দাবী কৰি কয় যে কুটুব মিনাৰৰ নাম সলনি কৰি বিষ্ণু স্তম্ভ ৰখা হৈছে। মহাকাল মানৱ সেৱাৰ সদস্যই হাতত বেনাৰ-প'ষ্টাৰ লৈ কুটুব মিনাৰৰ নাম বিষ্ণু স্তম্ভ ৰখাৰ বাবে শ্ল'গানো দিয়ে।

## আফগান মহিলাৰ অৱস্থাক লৈ উদ্বেগ প্ৰকাশ মালালাৰ



**নিউজ ব্যুৰ', ইছলামাবাদ, ১০ মে' ঃ** আফগানিস্তানৰ মহিলাৰ অৱস্থাক লৈ উদ্বেগ প্ৰকাশ কৰিলে ন'বেলজয়ী মালালা ইউছুফজায়ে। অলপতে আফগানিস্তানত মহিলাৰ বাবে বোৰ্খা পৰিধান বাধ্যতামূলক কৰি এক ফটোৱা জাৰি কৰিছিল তালিবান শাসকে। মালালাই টুইটাৰত উদ্বেগ প্ৰকাশ কৰি এইদৰে কয়, 'তালিবানে আফগানিস্তানৰ জনজীৱনৰ পৰা মহিলাক সম্পূৰ্ণৰূপে মচি দিব বিচাৰিছে। সেয়েহে তেওঁলোকে মহিলাক কাম-কাজৰ পৰা আৰম্ভ কৰি বিদ্যালয়ৰ বাহিৰত ৰাখিবলৈ ঘোষণা কৰিছে। পুৰুষসংগী অবিহনে মহিলাই বাহিৰত ভ্ৰমণ কৰিব নোৱাৰিব বুলিও ফটোৱা জাৰি কৰিছে। এই তালিকাত নৱতম সংযোজন হ'ল মহিলাক বোৰ্খা পৰিধানৰ বাবে দিয়া নিৰ্দেশ। তালিবানে এটাৰ পাছত আন এটা প্ৰতিশ্ৰুতি ভংগ কৰিছে। এনে পৰিস্থিতিত আফগান মহিলাৰ পক্ষত সৰৱ হ'বলৈ আমি যাতে দ্বিধাগ্ৰস্ত নহওঁ। এতিয়াও মানৱাধিকাৰ আৰু সম্ভ্ৰমৰ দাবীত মহিলাসকলে ৰাজপথত নামিছে। এই যুঁজত আমিও তেওঁলোকৰ কাষত থিয় দিয়া উচিত।'

# শুৱালকুছি ন-পাৰা আদাবৈৰ পথৰ দুৰৱস্থা ঃ হুহুৱাজানত বেদখল



**অগ্ৰদূতবাৰ্তা**
**শুৱালকুছি, ১০ মে' ঃ** বস্ত্ৰ নগৰী শুৱালকুছিৰ মধ্য পঞ্চায়তৰ অন্তৰ্গত ন-পাৰা আদাবৈৰ পথৰ দুৰৱস্থাই ৰাইজক জীয়াতু ভোগাইছে। এজাক বৰষুণতে পথত পানী একাঠু লৈ ওপচি পৰে। তদুপৰি ঠায়ে ঠায়ে নৰ্দমাৰ লেতেৰা পানী মানুহৰ ঘৰত সোমাই এক পুতিগোন্ধ পৰিৱেশৰ সৃষ্টি কৰি আহিছে। লোক নিৰ্মাণ বিভাগে পথটোৰ দুয়ো কাষে পকী নৰ্দমা নিৰ্মাণ কৰিছে যদিও বিজ্ঞান সন্মত নোহোৱা বাবে এজাক সাধাৰণ বৰষুণতে পানী ওফন্দি উঠি বাসিন্দাৰ গৃহত প্ৰৱেশ কৰে। পথটোৰ পৰা নাতিদূৰৈত শুৱালকুছি খন্দ উন্নয়নৰ কাৰ্যালয়টো অৱস্থিত। উক্ত কাৰ্যালয়টোৰ পৰা বৃহত্তৰ শুৱালকুছিৰ আঠখন পঞ্চায়তৰ উন্নয়ন মুলক আঁচনি গ্ৰহণ কৰি ৰাইজক সকাহ দিয়া হয়। তেনে এটি বিভাগীয় কাৰ্যালয়ৰ বিষয়ববীয়াসকল নিতৌ এই পথেৰে অহা-যোৱা কৰি পথটোৰ অৱস্থা উন্নত কৰাৰ কোনো পৰিকল্পনা নকৰাতো বেজৰ নাকত খৰে খোৱাৰ লেখিয়া বুলি মন্তব্য কৰিছে স্থানীয় ৰাইজে। এই ক্ষেত্ৰত সমাজ সেৱক অৰুণ দাসে কয় যে পূৰ্বতে ন-পাৰা আদাবৈ সংযোগী এই পথটোত এটা হহুৱা নামেৰে জান আছিল। উক্ত জানটোৰে বৃহত্তৰ অঞ্চলটোৰ বৰসত্ৰ কলিতা পাৰা ন-পাৰা আদাবৈ আদিৰ বৰষুণৰ পানী জানটোৰে ওলাই গৈ বিলত পৰিছিল। সময়ৰ তাগিদাত জানটো বেদখল হোৱাত পানী যোৱা পথ নোহোৱাত ৰাইজে যমৰ যাতনা ভুগিবলগীয়া হৈছে বুলি কয়। আনহাতে, জোৎস্না দাস নামৰ সৰবৰহী মহিলাগৰাকীয়ে কয় যে উন্নয়নৰ নামত চমক সৃষ্টি কৰি পথ নৰ্দমা নিৰ্মাণ কৰা বিভাগীয় অভিযন্তা-ঠিকাদাৰৰ কোনো বৈজ্ঞানিক পৰিকল্পনা নাই। সাধাৰণ এজাক বৰষুণতে পানী ওপচি পৰি ঘৰৰ ভিতৰত প্ৰৱেশ কৰে। শোৱনি কোঠা পৰ্যন্ত পানীময় হয়। পানী ওলাই যোৱা বাট-পথ নথকাৰ বাবে পানী শুকোৱাত পলম হয়। ফলত ৰাইজে কৃত্ৰিম বানপানীৰে দীৰ্ঘদিন ধৰি সহবাস কৰিব লগা হয়। ইয়াৰ এটা স্থায়ী সমাধান কৰিবলৈ স্থানীয় ৰাইজে দাবী জনাইছে।

# গোসাঁইগাঁৱৰ দলগাঁৱত বনৰীয়া ম'হৰ সন্ত্ৰাস ঃ আহত এক



**অগ্ৰদূত বাৰ্তা**
**শ্ৰীৰামপুৰ, ১০ মে' ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ ভাৰত-ভূটান সীমান্তৰ দলগাঁৱত আজি পুৱা বনাঞ্চলৰ পৰা ওলাই অহা এটি বনৰীয়া ম'হে গাঁওখনত সন্ত্ৰাস চলায়। গোসাঁইগাঁও মহকুমাৰ দাঁতিকাষৰীয়া ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলোৱা এটা বনৰীয়া ম'হ গাঁওখনত প্ৰৱেশ কৰি ৰাইজৰ মাজত আতংকতৰ সৃষ্টি কৰে। বনৰীয়া ম'হ দেখা পাই গাঁওবাসী আতংকিত হৈ খেদিবলৈ ওলাই আহে। সেই সময়তে ম'হৰ আক্ৰমণত গাঁওখনৰ হপৰা তিৰ্কী নামৰ এগৰাকী বৃদ্ধা গুৰুতৰ আহত হোৱাৰ লগতে ঘৰৰ কিছু ক্ষতি সাধন কৰে। পাছত বন বিভাগৰ ৰাইমনা ৰেঞ্জৰ বনকৰ্মীৰ দল এটাই ঘটনাস্থলীত উপস্থিত হৈ গাঁওখন ঘেৰি ৰাখি ম'হটোক ট্ৰেংকুলাইজ কৰি বন বিভাগে নিজৰ জিম্মাত নিয়াত গাঁওবাসীয়ে বনৰীয়া ম'হৰ আক্ৰমণৰ পৰা ৰক্ষা পৰে। আহত ম'হটোক চিকিৎসা কৰাৰ অন্তত পুনৰ ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানত এৰি দিয়া হয়। ৰাইজে কাঁড় মৰাত ম'হটোৰ শৰীৰত চাৰিডাল কাঁড় লাগিছিল। উল্লেখ্য যে ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানত যথেষ্ট সংখ্যক বনৰীয়া ম'হ আছে আৰু এই ম'হসমূহ খাদ্য বিচাৰি ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত প্ৰায়ে প্ৰৱেশ কৰে।

# ছহিদ কনকলতা বৰুৱাৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপনৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**
**গহপুৰ, ১০ মে' ঃ** ১৯৪২ৰ ভাৰত ত্যাগ আন্দোলনৰ অমৰ ছহিদ বীৰাংগনা কনকলতা বৰুৱাৰ পবিত্ৰ স্মৃতিত গঠিত ছহিদ কনকলতা বৰুৱা স্মৃতিৰক্ষা সমিতিৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা কালি গহপুৰ মহকুমাৰ বৰঙাবাৰীস্থিত কনকলতা আদৰ্শ ছোৱালী হাইস্কুলৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। বিয়লি তিনি বজাৰ পৰা ছহিদ কনকলতা বৰুৱা স্মৃতিৰক্ষা সমিতিৰ সভাপতি সিদ্ধেশ্বৰ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে ছহিদ কনকলতা বৰুৱা স্মৃতিৰক্ষা সমিতিৰ মুখ্য সম্পাদক তথা ছহিদ কনকলতা বৰুৱাৰ ভতিজা অভিজিত বৰুৱাই। উদ্দেশ্য ব্যাখ্যাত অভিজিত বৰুৱাই ছহিদ কনকলতা বৰুৱা স্মৃতিৰক্ষা সমিতিৰ কাম-কাজৰ খতিয়ান দাঙি ধৰাৰ লগতে অমৰ ছহিদ বীৰাংগনাগৰাকীৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপনৰ সন্দৰ্ভত আলোচনা কৰিবৰ বাবেই সভাখন ১২ পৃষ্ঠাত চাওক

# ডিগবৈত ৰেলৰ খুন্দাত নিহত এজন

**ডিগবৈ, ১০ মে' ঃ** তিনিচুকীয়া জিলাৰ ডিগবৈ আৰক্ষী থানাৰ অন্তৰ্গত ৰামনগৰৰ হাতীপটীৰ কাষতে ৰেলৰ খুন্দাত এজন লোক নিহত হয়। গুৱাহাটিৰ পৰা লিডু অভিমুখি উজনিমুৱা ইন্টাৰচিটি ৰেলখনৰ খুন্দাতে লোকজনৰ মৃত্যু হয়। স্থানীয় লোকে উল্লেখ কৰা মতে, দুৰ্ঘটনাত পতিত হৈ অকাল মৃত্যুক সাবটিব লগা হোৱা লোকজন হ'ল ডিগবৈৰ নিবাসী নাৰায়ণ প্ৰধান (৬০)ৰ পাছত ডিগবৈ আৰক্ষীৰ সহায়ত ৰেল আৰক্ষীয়ে মৃতদেহটো চমজি লৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে তিনিচুকীয়ালৈ প্ৰেৰণ কৰে। উল্লেখ বিষয় যে দুৰ্ঘটনা সংঘটিত হোৱা ৰামনগৰৰ হাতীপটিত ৰেলৰ দুৰ্ঘটনাত বিগত এমাহত চাৰিজন লোকে লোকে প্ৰাণ হেৰুৱাবলগীয়া হৈছে।

# নাট্যপীঠৰ ৰূপোৱালী বাটেৰে সোণোৱালী যাত্ৰা

## ■ সাহিত্যাচাৰ্য যোগেন চেতিয়াৰ সোঁৱৰণত অনুষ্ঠিত নাট সন্ধিয়াৰ সামৰণি

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ১০ মে' ঃ** প্ৰকৃতিৰ সহজাত পৰিৱেশ বিনষ্ট কৰা মানুহৰ অবিচাৰত নিৰাপদ আশ্ৰয়স্থল বিচাৰি ফুৰা বালিমাহী চৰাই এটাৰ জীৱন সংগ্ৰামৰ ৰূপকধৰ্মী চিত্ৰায়ণৰ মাজেদি শিৱসাগৰৰ ২৪ গৰাকী শিশু শিল্পীৰ অভিনৱ অভিনয়েৰে শিশু সাহিত্যৰ অকাডেমী বটা প্ৰাপক প্ৰখ্যাত শিশু সাহিত্যিক হৰেন্দ্ৰনাথ বৰঠাকুৰৰ শিশু নাটক 'বালিমাহীৰ কথা' মঞ্চস্থ কৰা 'ৰূপোৱালী বাটেৰে সোণোৱালী যাত্ৰা' শীৰ্ষক শিৱসাগৰ নাট্যপীঠৰ ৰূপালী জয়ন্তী উপলক্ষে শিৱসাগৰ যুৱদলৰ প্ৰেক্ষাগৃহত সাহিত্যাচাৰ্য যোগেন চেতিয়াৰ সোঁৱৰণত দুদিনীয়াকৈ অনুষ্ঠিত কৰা বিশেষ নাট সন্ধিয়া অনুষ্ঠানটোৰ



কালি সামৰণি পৰে। সন্ধিয়া নাট্যপীঠৰ অধ্যক্ষ প্ৰশান্ত শৰ্মাৰ সামগ্ৰিক পৰিকল্পনা আৰু পৰিচালনা, ড° অনিল শইকীয়াৰ সংগীত আৰু প্লাৱিতা বৰঠাকুৰৰ নৃত্য নিৰ্দেশনাত মঞ্চস্থ হোৱা হৰেন্দ্ৰনাথ বৰঠাকুৰৰ নাটক 'বালিমাহীৰ কথা' নাট সন্ধিয়াটি ১২ পৃষ্ঠাত চাওক

# মধ্য যোৰহাটত ব'হাগী বিদায় উদ্‌যাপন মহিলাৰ

**অগ্ৰদূত বাৰ্তা**
**লাহদৈগড়, ১০ মে' ঃ** মুদৈজান ভৰলুৱা গাঁৱৰ মহিলা সমিতিৰ উদ্যোগত আৰু সমূহ গাওবাসীৰ সহযোগত ২৪ নম্বৰ ৰাজৈ বাদুলিপুখুৰী গাঁও পঞ্চায়ত প্ৰাংগণত 'ব'হাগী বিদায় ২০২২' শীৰ্ষক এক বৰ্ণাঢ্য কাৰ্যসূচী গ্ৰহণ কৰা হয়। পুৱা পতাকা উত্তোলন, পৰিৱেশ নিষ্কাসন, গছপুলি ৰোপণ আদি কে'বাটাও কাৰ্যসূচীৰ পাছতে এখন মুকলি সভা অনুষ্ঠিত কৰা হয়। মুদৈজান ভৰলুৱা মহিলা সমিতিৰ প্ৰাক্তন সভানেত্ৰী নিবেদিতা শইকীয়াৰ সভানেত্ৰিত্বত অনুষ্ঠিত মুকলি সভাত উদ্বোধক হিচাপে নিৰূপমা গগৈ বৰা, নিৰ্দিষ্ট বক্তা হিচাপে কাকজান মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক তুফেল জিলানী, বিশিষ্ট অতিথি হিচাপে ৰাজেন বৰা, অনিল শইকীয়া, ৰমেশ শইকীয়া, মোহন শইকীয়া, গাঁওবুঢ়া গোবিন বৰা, পঞ্চায়তৰ কৰ্মচাৰী মৃদুল বৰা প্ৰমুখ্যে অঞ্চলৰ ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে। ইপিনে, মুকলি সভাৰ সমান্তৰালকৈ অঞ্চলৰ কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ পৰা যুৱক-যুৱতীসকলৰ কে'বাটাও হুঁচৰি দলে বিহু প্ৰদৰ্শন কৰি সকলোকে আপ্লুত কৰে। উল্লেখ্য যে মহিলা সমিতিখনৰ বৰ্তমানৰ সভানেত্ৰী দুলুমণি বাঢ়ৈ, সম্পাদিকা অনু বৰাৰ নেতৃত্বত তথা সদস্যসকলৰ পূৰ্ণ প্ৰচেষ্টাত অঞ্চলৰ উঠি অহা প্ৰজন্মক নিজৰ সংস্কৃতি ৰক্ষাৰ লগতে প্ৰতিভা বিকাশক এখন মঞ্চ দিয়াৰ ক্ষেত্ৰত যি পদক্ষেপ গ্ৰহণ কৰিছে সেয়া উপস্থিত সকলোৱে আদৰণীয় বুলি মন্তব্য কৰিছে আৰু আগলৈও এইদৰে কৃষ্টি-সংস্কৃতি ৰক্ষাৰ ক্ষেত্ৰত মহিলাসকলক আগভাগ ল'বলৈ আহ্বান জনাইছে। ইপিনে, অনুষ্ঠানৰ শেষত মহিলা সমিতিৰ অন্যতম সদস্যা জুলি শইকীয়াৰ পৰিচালনাৰে মহিলাসকলে জেং বিহু প্ৰদৰ্শন কৰি অনুষ্ঠানৰ সামৰণি পৰে।

# ঘগ্ৰাপাৰত গুণোৎসৱৰ প্ৰশিক্ষণৰ সামৰণি



**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ১০ মে' ঃ** সমগ্ৰ শিক্ষা নলবাৰীৰ অন্তৰ্ভুক্ত ঘগ্ৰাপাৰস্থিত বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ অনুষ্ঠিতব্য ২০১ খন বিদ্যালয়ৰ ন'ডেল শিক্ষক আৰু লায়েজন বিষয়াসকলৰ দুটা পৰ্যায়ৰ এদিনীয়া প্ৰশিক্ষণ বৰ্গৰ আজি সামৰণি পৰে। ঘগ্ৰাপাৰ হাইস্কুলৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত আৰু ঘগ্ৰাপাৰৰ ৰাজহ চক্ৰ বিষয়া মণিষা কলিতাই উদ্বোধন কৰা সভাখনত খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ৰাজেন্দ্ৰ কলিতা হাইস্কুলৰ প্ৰধান শিক্ষক নাথুৰাম তালুকদাৰ, সহকাৰী প্ৰধান শিক্ষক গিৰীশ তালুকদাৰ, খণ্ডৰ এম আই এছ সমন্বয়ক সুশান্ত মল্ল বৰুৱাৰ লগতে সমল ব্যক্তি সুভাষ বৰ্মন, নৱ কুমাৰ দাস, প্ৰাঞ্জল ৰাজবংশী, অৰূপজ্যোতি দাস, মহেশ কলিতা, ইডিপি ইলা দত্তৰ লগতে চি আৰ চিসকল উপস্থিত থাকে। উদ্বোধনী ভাষণত চক্ৰ বিষয়াগৰাকীয়ে চৰকাৰৰ এই অভিলাষী আঁচনি সমাপনত সকলোৱে সহযোগিতা বিচাৰে। শিক্ষক-প্ৰশিক্ষণ বিভাগৰ জিলা আঁচনি বিষয়া আবেদুৰ ৰহমান প্ৰশিক্ষণস্থলীত উপস্থিত হৈ প্ৰশিক্ষাৰ্থীসকলৰ প্ৰতি কেতবোৰ গঠনমূলক পৰামৰ্শ আগবঢ়ায়। দুদিন ধৰি চলা এই প্ৰশিক্ষণৰ বিভিন্ন সত্ৰত সুভাষ বৰ্মন, প্ৰাঞ্জল ৰাজবংশী, নৱ কুমাৰ দাস, অৰূপজ্যোতি দাস, মহেশ কলিতাই গুণোৎসৱৰ সময়ত পালন কৰিবলগীয়া নীতি-নিয়ম, স্বমূল্যায়ন আৰু বহিঃমূল্যায়নৰ দিনা শিক্ষকৰ ভূমিকা, বিদ্যায়তনিক ক্ষেত্ৰত দিয়া নম্বৰৰ বিভাজন সম্পৰ্কত ব্যাখ্যা কৰে।

# কলিয়াবৰত বন্যহস্তীৰ আক্ৰমণত আহত বনকৰ্মী

**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ১০ মে' ঃ** কলিয়াবৰৰ শিলঘাট খণ্ড বন বিষয়াৰ কাৰ্যালয়ৰ সমীপতে ৰবৰবাৰীত যোৱানিশা এটা বন্যহস্তীৰ আক্ৰমণত আহত হয় এজন বনকৰ্মী। আহত বনকৰ্মীজনৰ নাম নৱ চমুৱা। কৰ্তব্যৰত অৱস্থাত শিলঘাট-কামাখ্যা বনাঞ্চলৰ পৰা ওলাই অহা এটা বন্য হস্তীয়ে বনকৰ্মীজনক অতৰ্কিতে আক্ৰমণ কৰে। পাছত আঘাতপ্ৰাপ্ত চমুৱাক ততাতৈয়াকৈ জখলাবন্ধা চিকিৎসালয়লত ভৰ্তি কৰোৱা হয়। অৱশ্যে আঘাতপ্ৰাপ্ত বনকৰ্মীজন বৰ্তমানে শংকামুক্ত। আনহাতে, বন বিভাগ আৰু স্থানীয় লোকে হাতীটো অহাৰ পথত বাধা দিয়াৰ বাবে উক্ত ঘটনাটো সংঘটিত হোৱা বুলি উল্লেখ কৰিছে।

# তেজপুৰত হেমলতা বৰুৱাক তিলোত্তমা বৰুৱা স্মাৰক বঁটা প্ৰদান

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ১০ মে' ঃ** 'হেমলতা বৰুৱাই শিক্ষকতাৰে জীৱনৰ যাত্ৰা আৰম্ভ কৰিছিল যিয়ে পৰৱৰ্তী সময়চোৱা মহিলাসমিতিৰ হৈ অতিবাহিত কৰে। তেওঁ এগৰাকী অন্যতম নিষ্ঠাবান সমাজকৰ্মী, কিন্তু দেশৰ উত্তৰ পূৱ নতুবা দক্ষিণৰ অঞ্চলত তেওঁৰ বিষয়ে কিমানে জানে।' এই মন্তব্য নাৰী আৰু শিশু কল্যাণ বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি জুবিন ইৰাণীৰ। উল্লেখ্য যে, সংগ্ৰামৰ প্ৰতীক স্বৰূপ তেজপুৰৰ ৯৪ বছৰীয়া হেমলতা বৰুৱাক কালি তেজপুৰ বিশ্ববিদ্যালয়ৰ চন্দ্ৰপ্ৰভা শইকীয়ানী মহিলা অধ্যয়ন কেন্দ্ৰই 'তিলোত্তমা বৰুৱা সোঁৱৰণী বঁটা' প্ৰদান কৰে। প্ৰবীণ স্বাধীনতা সংগ্ৰামী মহিলা সৱলীকৰণৰ অগ্ৰণী নেত্ৰী সমাজসেৱিকা তিলোত্তমা বৰুৱাৰ কালি ৪০ সংখ্যক মৃত্যু বাৰ্ষিকীৰ দিনটোতে তেজপুৰ বিশ্ববিদ্যালয়ৰ চন্দ্ৰ প্ৰভা শইকীয়ানী মহিলা অধ্যয়ন কেন্দ্ৰই আয়োজন কৰা তিলোত্তমা বৰুৱা স্মাৰক বক্তৃতা আৰু বঁটা প্ৰদান অনুষ্ঠানত নতুন দিল্লীৰ পৰা ভাৰ্চুৱেলি প্ৰদান কৰা ভাষণত মন্ত্ৰী ইৰাণীয়ে কয়।

'এতিয়া প্ৰযুক্তিয়ে সকলো সহজ কৰিছে। মহিলাসকলৰ যিকোনো বিষয় এই মঞ্চৰ জৰিয়তে বহু সংখ্যক লোকৰ স'তে আলোচনা কৰিব পাৰি। মই বিচাৰো দেশৰ গ্ৰাম্য অঞ্চলৰ মহিলাসকলৰ কঠোৰ সংগ্ৰামৰ বিষয়ে দেশৰ সকলো লোকেই জ্ঞাত হওঁক।' তেজপুৰ বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিষদীয় ভৱনত অনুষ্ঠিত বিশেষ অনুষ্ঠানত ভাৰ্চুৱেল ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰী ইৰাণীয়ে তিলোত্তমা বৰুৱা সন্দৰ্ভত কয় যে যে তিলোত্তমা বৰুৱাৰ মূল দাবী আছিল শিক্ষা আৰু ই তেওঁৰ বহুমুখী কৰ্মৰ এক চানেকী। উল্লেখ্য যে এই বিশেষ অনুষ্ঠান আৰম্ভ হয় তিলোত্তমা বৰুৱাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে। ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত উপাচাৰ্য ড° ধ্ৰুৱ কুমাৰ ভট্টাচাৰ্য, পঞ্জীয়ক ড° বীৰেন দাস, তিলোত্তমা বৰুৱাৰ পৰিয়ালৰ সদস্যসকলৰ লগতে বঁটা প্ৰাপক ১২ পৃষ্ঠাত চাওক

# ভূপেন উজীৰ-শান্তা উজীৰলৈ ডাঃ নবীন চন্দ্ৰ বৰদলৈ-আদৰ্শ মাতৃ তিলোত্তমা বৰদলৈ স্মাৰক বঁটা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ১০ মে' ঃ** যোৰহাট জিলা সাহিত্য সভাই সমাজৰত্ন ডাঃ নবীন চন্দ্ৰ বৰদলৈ স্মৃতি ৰক্ষা সমিতিৰ সহযোগত সমাজৰত্ন ডাঃ নবীন চন্দ্ৰ বৰদলৈ আৰু আদৰ্শ মাতৃ তিলোত্তমা বৰদলৈ স্মাৰক বঁটা প্ৰদান কৰি আহিছে। ২০২২ৰ বাবে এই বঁটা আগবঢ়োৱা হ'ব অসমৰ সংগীত জগতৰ অন্যতম যুটি ভূপেন উজীৰ আৰু শান্তা উজীৰক। অহা ১৪ মে'ত গুৱাহাটীৰ পূব দীঘলী পুখুৰীস্থিত সত্যনাথ বৰা হলত এক অনুষ্ঠানত উক্ত বঁটা প্ৰদান কৰা হ'ব। বিয়লি চাৰি বজাৰ পৰা হ'ব লগা অনুষ্ঠান সঞ্চালনা কৰিব জিলা সাহিত্য সভাৰ সভাপতি ড° ৰাতুল চন্দ্ৰ বৰাই। অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱীয়ে উদ্বোধন কৰিব লগা অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰিব অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° পৰমানন্দ ৰাজবংশীয়ে। 'স্মৃতিমাল্য' উন্মোচন কৰিব অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মাই। বিশিষ্ট লেখক ময়ূৰ বৰা, কামৰূপ (মহানগৰ) জিলা সাহিত্য সভাৰ সভাপতি দাসো কলিতা, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ সম্পাদক ৰমানন্দন বৰা উপস্থিত থাকিব। উল্লেখ্য যে ২০১০ৰ পৰা প্ৰৱৰ্তন কৰা এই বঁটা ইতিপূৰ্বে মাজুলীৰ মুখা আৰু মৃৎ শিল্পী মালভোগ কলিতা, মঞ্চপ্ৰাণ পুষ্প ফুকন, অসমৰ সত্ৰীয়া সংস্কৃতিৰ এজন সাধক টংকেশ্বৰ বৰবায়ন, বিশিষ্ট নাট্যকাৰ-পৰিচালক ৰফিকুল হুছেইন, সংগীত প্ৰাণ ইন্দ্ৰেশ্বৰ শৰ্মা প্ৰমুখ্যে বৰেণ্য ব্যক্তিসকলক প্ৰদান কৰা হৈছে।

# যোৰহাটৰ বিদ্যালয়ত ৰঙালীৰ এদিন



**অগ্ৰদূত বাৰ্তা**
**পশ্চিম যোৰহাট, ১০ মে' ঃ** যোৰহাট জিলাৰ উপকণ্ঠৰ উত্তৰ-পশ্চিম যোৰহাটৰ মালৌপথাৰ বৰমেৰত অৱস্থিত নৱৰূপ আদৰ্শ প্ৰাথমিক বিদ্যালয়ত আজি দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয় ৰঙালীৰ এদিন। পুৱা পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ আৰম্ভ হোৱা এই অনুষ্ঠানত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে হুঁচৰি প্ৰদৰ্শন কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ এই হুঁচৰিত স্থানীয় লোক তথা যুৱকসকলেও সহযোগিতা আগবঢ়ায়। বিদ্যালয়খনৰ প্ৰধান শিক্ষক প্ৰদীপ শইকীয়াৰ ত্যাগ আৰু আপ্ৰাণ প্ৰচেষ্টাত অনুষ্ঠিত উক্ত অনুষ্ঠানত অঞ্চলটোৰ বহুকেইটা হুঁচৰি দলে বিহু প্ৰদৰ্শন কৰাৰ উপৰি কে'বাগৰাকী যুৱতীয়ে কুঁৱৰী প্ৰদৰ্শন কৰে।

# অনাতাঁৰ শিল্পী জগত ভূঞাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ১০ মে' ঃ** জামুগুৰিহাটৰ মাধৱ গাঁও নিবাসী, অৱসৰপ্ৰাপ্ত শিক্ষক, নাট্যকাৰ তথা অনাতাঁৰ স্বীকৃতিপ্ৰাপ্ত শিল্পী জগত ভূঞা (৮০)ৰ আজি মৃত্যু হয়। জামুগুৰি সাহিত্য সভা মাধৱ ৰূপজ্যোতি শিল্পী সমাজকে ধৰি একাধিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত ভূঞাৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত ভূঞাই পত্নীসহ তিনি কন্যা, জোঁৱাইসহ অনেক গুণমুগ্ধক ইহসংসাৰত এৰি যায়।

# অসমীয়া ভাষাটোৰ ওপৰত অত্যাচাৰ চলি আছে ঃ বৰা

## দক্ষিণপাটৰ জাগীয়ালত প্ৰবীণ শিক্ষাবিদ বৃন্দাবন বৰাৰ ওপজাদিন উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ১০ মে' ঃ** 'মই ছাত্ৰৰ পৰা বহুত শিকিলো। তেওঁলোকৰ পৰাও জানিবলগীয়া, শিকিবলগীয়া বহু কথাই থাকে। মই এনেকুৱা ছাত্ৰও পাইছো যিজন ছাত্ৰ চোকা, ভাল কিন্তু এলেহুৱা। স্কুললৈ যাবলৈ মন নকৰে, স্কুল নাযায়। তেনে ছাত্ৰৰ ঘৰত ভিজিট দিবলৈ গৈ মই সেই



ছাত্ৰক কাণ চেপাও দিছিলো। আজি সেই দিনবোৰৰ স্মৃতিয়ে বৰকৈ আমনি কৰিছে।' এনেদৰে নিজৰ শিক্ষকতা জীৱনৰ সুখ-দুখ মিশ্ৰিত স্মৃতি ৰোমন্থন কৰি আত্মবিভোৰ হৈ পৰে নগাঁও জিলাৰ বেবেজীয়াৰ দাঁতিকাষৰীয়া দক্ষিণপাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, অশীতপৰ সমাজ সংগঠক বৃন্দাবন বৰা। ১২ পৃষ্ঠাত চাওক

# চকলাঘাটত মাধৱদেৱৰ আৱিৰ্ভাৱ মহোৎসৱৰ প্ৰস্তুতি ঃ কাৰ্যসূচী মুকলি

**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া,১০ মে' ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা শাখাৰ ৫৩৪ সংখ্যক শ্ৰীশ্ৰী মাধৱদেৱৰ আৱিৰ্ভাৱ মহোৎসৱ শ্ৰীমন্ত শংকৰদেৱ আঞ্চলিক শাখাৰ আতিথ্য আৰু ব্যৱস্থাপনাত অহা ২২ মে'ত চকলাঘাটত অনুষ্ঠিত হ'ব। পূৱ হাতীচোং ৰাস মন্দিৰ প্ৰাংগনত অনুষ্ঠিত উৎসৱটোৰ বাবে শ্ৰীমন্ত শংকৰদেৱ আঞ্চলিক শাখা আৰু আদৰণি সমিতিয়ে পূৰ্ণোদ্যমে প্ৰস্তুতি আৰম্ভ কৰিছে। তদুপলক্ষে কালি চকলাঘাট ৰাস মন্দিৰত আদৰণি সমিতিৰ সভাপতি দেৱ কুমাৰ বৰাৰ পৌৰোহিত্যত অনুষ্ঠিত আদৰণি সমিতিৰ পূৰ্ণাংগ বৈঠকত উৎসৱৰ কাৰ্যসূচী মুকলি কৰাৰ লগতে আই-মাতৃসকলৰো উপ-সমিতিখন গঠন কৰা হয়। শ্ৰীমন্ত শংকৰদেৱ আঞ্চলিক শাখাৰ সম্পাদক পংকজ শইকীয়াই উদ্দেশ্য বাখ্যা কৰা সভাখনত আঞ্চলিক শাখাৰ সভাপতি চেনীৰাম ভূঞা, আদৰণি সমিতিৰ সম্পাদক উৎপল ১২ পৃষ্ঠাত চাওক

# শ্ৰীমন্ত শংকৰদেৱ সংঘৰ স্মাৰক বক্তৃতা যোৰহাটত

**অগ্ৰদূত বাৰ্তা**
**লাইদৈগড়, ১০ মে' ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন পদাধিকাৰ, উপদেষ্টা কৰ্মযোগী প্ৰয়াত মুখ্যেশ্বৰ শইকীয়াৰ স্মৃতিত অহা ১৬ মে'ত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উদ্যোগত আৰু যোৰহাট জিলাৰ শাখাৰ আতিথ্যত জিলা শাখাৰ নামঘৰত স্মাপক বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰিছে। পুৱা গছপুলি ৰোপণ, ৰোপক তুলসীনাথ বৰা আৰু ৰুদ্ৰকান্ত বৰা উপদেষ্টা শ্ৰীমন্ত শংকৰদেৱ সংঘ, যোৰহাট জিলা শাখা। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈৰ সঞ্চালনাত অনুষ্ঠিত স্মাৰক বক্তৃতা অনুষ্ঠান উদ্বোধন কৰিব শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাই। স্মৰকগ্ৰন্থ উন্মোচন কৰিব শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মুখ্য উপদেষ্টা ১২ পৃষ্ঠাত চাওক

# তিতাবৰত লোকনিৰ্মাণ বিভাগত অনিয়ম

## ■ ৰাইজৰ অভিযোগৰ পাছতহে তৎপৰতা মহকুমা প্ৰশাসনৰ

**তিতাবৰ, ১০ মে' ঃ** আজি তিতাবৰত লোকনিৰ্মাণ বিভাগৰ দুৰ্নীতি-অনিয়মৰ বিৰুদ্ধে ৰাইজে ৰাজপথত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে লোকনিৰ্মাণ বিভাগৰ তিতাবৰত থকা ক্ষেত্ৰীয় কাৰ্যালয়ৰ অধীনত তিতাবৰৰ বান্দৰচলিহাৰ পৰা ধোদৰআলিলৈকে ৮.৪৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত নিৰ্মাণৰত পথছোৱাত বিভাগটোৰ বিষয়া-কৰ্মচাৰীৰ পৃষ্ঠপোষকতাত জুৱেল বৰা নামৰ ঠিকাদাৰজনে পৰ্বতসম দুৰ্নীতি কৰা বুলি স্থানীয় ৰাইজে অসন্তুষ্টি প্ৰকাশ কৰি আহিছে। এই সন্দৰ্ভত ক্ষুব্ধ ৰাইজে বিভাগীয় অভিযন্তা আৰু ঠিকাদাৰজনক কে'বাবাৰো ওজৰ-আপত্তি দৰ্শাই আহিছিল। উপায়ন্তৰত ৰাইজৰ কোনো ওজৰ-আপত্তিয়ে বিভাগটোৰে গুৰুত্ব দিব নোখোজে বুলি ১২ পৃষ্ঠাত চাওক



# মাজুলী জিলাত পথৰ শিশু চিনাক্তকৰণ অভিযান

**অগ্ৰদূত বাৰ্তা**
**কমলাবাৰী, ১০ মে' ঃ** মাজুলী জিলা শিশু কল্যাণ সমিতিয়ে মাজুলী জিলা শিশু সুৰক্ষা বিষয়া তথা মাজুলী জিলা সহকাৰী আয়ুক্ত দেৱ নাৰায়ণ হাজৰিকাৰ সহযোগত জিলা সুৰক্ষা বিষয়াৰ কাৰ্যালয়তে 'মাজুলী পথৰ দাঁতিত শিশু' শীৰ্ষক এক পৰ্যালোচনা অনুষ্ঠিত হয়। সেই সভাৰ সিদ্ধান্ত মৰ্মে, অহা ১২ মে'ৰ ভিতৰত মাজুলী জিলাৰ কোনো সদাশয় লোকে পথৰ দাঁতিত থকা শিশু, পথত জীৱন-নিৰ্বাহ কৰা শিশু বা পথত কোনো সন্দেহজনক অকলশৰীয়া শিশুক দেখা পালে চাইল্ডলাইন ইণ্ডিয়া মাজুলী গোটৰ কৰ্মীসকলক আৰু ০৯৪ নম্বৰত ফোন কৰি জনাবলৈ আহ্বান জনোৱা হৈছে। অথবা জিলা শিশু সুৰক্ষা বিষয়াক ৯৫৭৭৪৭৮৭২৪ আৰু জিলা শিশু কল্যাণ সমিতিক ৯৪০১১২৪২৪৬, ৯৫০৮৭৬৬৭০২, ৯৪০১১১১৪১০ আৰু ৭০৮৬১২৪৭২৪ নম্বৰত ফোন যোগে জনাব পাৰিব।

# ৰামদিয়া জ্ঞানোদয় সাহিত্য সভাৰ মাহিলি আলোচনাচক্ৰ সম্পন্ন

অগ্ৰদূত বাৰ্তা
**হাজো, ১০ মে' ঃ** অসম সাহিত্য সভাৰ অন্তৰ্গত কামৰূপ জিলা সাহিত্য সভাৰ অধীনস্থ অন্যতম শাখা সাহিত্য সভা ৰামদিয়া জ্ঞানোদয় সাহিত্য সভা। জন্মলগ্নৰে পৰা নবীন তথা উদীয়মান লেখকসকলক এখন মঞ্চ দিয়াৰ উদ্দেশ্যৰে মাহেকীয়া আলোচনাচক্ৰ অনুষ্ঠিত কৰি অহা হৈছে য'ত কবি-লেখকসকলে ভিন্ন লেখা পাঠ কৰে । তদৰূপভাৱে কালিও ৰামদিয়া জ্ঞানোদয় সাহিত্য সভাৰ এখন মাহিলি আলোচনাচক্ৰ অনুষ্ঠিত হৈ যায় । সহ-সম্পাদক অনিৰুদ্ধ ডেকাৰ আহ্বান মৰ্মে নামপাৰাস্থিত শ্ৰীশ্ৰী হাতভাঙা সত্ৰ প্ৰাংগণত অনুষ্ঠানৰ সভাপতি অতুল চন্দ্ৰ কাকতিৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত সভাৰ উদ্দেশ্য বাখ্যা আৰু যোৱা সভাৰ কাৰ্য বিৱৰণী পাঠ কৰে সম্পাদক ৰঞ্জিত তালুকদাৰে। মাহিলি বৈঠকত স্ব-ৰচিত শিতানত-ৰজত চন্দ্ৰ ভৰালী নৰপতি মেধি অৰূপ কাকতি কুশল মেধি, ৰাহুল চক্ৰৱৰ্তী বসন্ত ডেকা, সঞ্জীৱ দাসে স্বৰচিত কবিতা পাঠ কৰাৰ পাছত ৰামদিয়াৰ ভঠেলি শীৰ্ষক আলোচনা আগবঢ়াই ক্ৰমে বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয় ৰামদিয়াৰ ইংৰাজী বিষয়ৰ অধ্যাপক ললিত চন্দ্ৰ ভৰালী আৰু ৰামদিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহ-শিক্ষক হৰিশ্চন্দ্ৰ ভৰালীয়ে । দুয়োগৰাকী আলোচকে অসমৰ ভঠেলিৰ উদ্ধৃতিৰে ৰামদিয়াৰ ঐতিহ্যমণ্ডিত ভঠেলিৰ ব্যাখ্যা দাঙি ধৰে। সাংস্কৃতিক কৰ্মী তপন ডেকাৰ গীতেৰে আৰম্ভ হোৱা সভাত ৰামদিয়া জ্ঞানোদয় সাহিত্য সভাৰ সদ্য প্ৰয়াত নিষ্ঠাবান বিষয়ববীয়া বিষ্ণুৰাম ডেকাৰ বিদেহ আত্মাৰ সদগতি কামনাৰে এক মিনিট সময় মৌন প্ৰাৰ্থনা জনোৱা হয়। শেষত শলাগৰ শৰাই আগবঢ়ায় আহ্বায়ক অনিৰুদ্ধ ডেকাই। সভাত কবি-লেখক ড° মুকুট পাঠক, মহেন্দ্ৰ নাথ ডেকা, কৈলাশ দাস, জ্যোতিৰঞ্জন কাকতিকে ধৰি অৰ্ধশতাধিক সাহিত্যপ্ৰেমী উপস্থিত থাকে ।

■ চৰকাৰী ধন অপচয়ৰ নমুনা ঘগ্ৰাপাৰৰ গুৱাকুছিৰ পানী যোগান প্ৰকল্প

# ন বছৰে ৰাইজে নাপালে খোৱাপানী



অগ্ৰদূত বাৰ্তা
**ঘগ্ৰাপাৰ, ১০ মে' ঃ** ৰাজ্য চৰকাৰৰ বিয়াগোম জনস্বাস্থ্য কাৰিকৰী বিভাগে বিশুদ্ধ খোৱা পানী প্ৰকল্প স্থাপনৰ নামত লাখ লাখ টকা শৰাধ কৰি আহিছে যদিও বাস্তৱ ক্ষেত্ৰত সেই ধন যে অপচয় হৈছে সেয়া নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ গুৱাকুছিত প্ৰমাণ হৈছে বুলি ৰাজহুৱা অভিযোগ উঠিছে। উল্লেখ্য যে নলবাৰী জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগ, নলবাৰী সংমণ্ডলৰ অধীনস্থ ঘগ্ৰাপাৰ ৰাজহ চক্ৰ অঞ্চলৰ একাংশ পানী যোগান আঁচনি ভেঁকোভাওনাত পৰিণত হোৱাৰ লগতে ঘগ্ৰাপাৰৰ-গুৱাকুছিস্থিত এক নম্বৰ চুবুৰি পানী যোগান প্ৰকল্পটো নিৰ্মাণৰ ন বছৰ অতিক্ৰম কৰা পাতো এটুপিও বিশুদ্ধ খোৱা পানী গঞা ৰাইজে নোপোৱাতো বিভাগটোৰ কাৰণে চৰম লজ্জাজনক, চুড়ান্ত ব্যৰ্থ তথা অৱহেলিত বুলি চৰ্চিত হৈছে। উল্লেখ্য যে নলবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত ঘগ্ৰাপাৰ ৰাজহ চক্ৰ অঞ্চলৰ গুৱাকুছিৰ উক্ত স্থানত নলবাৰী জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগ, নলবাৰী সংমণ্ডলে ঠিকাদাৰৰ জৰিয়তে প্ৰায় ৫৬ লাখ টকা ব্যয়ৰে প্ৰকল্পটোৰ নিৰ্মাণকাৰ্য সম্পন্ন কৰে যদিও আজি ন বছৰে প্ৰকল্পটোৰ চকৰি নুঘূৰিল বুলি ৰাজহুৱা অভিযোগ উঠিছে। সম্প্ৰতি প্ৰকল্পটো হাবি-জংঘলৰে আৱৰি ধৰিছে যদিও বিভাগে চকু মুদা কুলিৰ ভাওঁ লৈছে বুলি চৰ্চিত হৈছে। উল্লেখ্য যে ২০১২-১৩তে নিৰ্মাণ কৰা এই আঁচনিখন গুৱাকুছি ৰাইজৰ সেৱাত মুকলি কৰি বিশুদ্ধ খোৱা পানী যোগানৰ বাবে বহুবাৰ বিভাগৰ ওচৰত আবেদন-নিবেদন কৰি আহিছে যদিও কোনো সুফল নোপোৱাত ৰাইজ ক্ষোভিত হৈ পৰিছে। জানিব পৰা মতে, আঁচনিৰ নদী পানী, টেংক, ভূ-গৰ্ভৰ ৰিজাৰ্ভৰ, বালি টেংক, পৰিশুদ্ধ ব্যৱস্থা, পাম্প ঘৰ, বিদ্যুৎ সংযোগ, বহিঃপাইপ লাইন আদি নলবাৰী জনস্বাস্থ্য কাৰিকৰী বিভাগে সম্পূৰ্ণ হোৱা বুলি বিভাগীয় ফাইলত দেখুৱাইছে যদিও গুৱাকুছি অঞ্চলটোৰ জনসাধাৰণে আজি পৰ্যন্ত এটুপিও বিশুদ্ধ খোৱাপানী খাবলৈ নাপালে। যাৰ ফলত বৃহত্তৰ অঞ্চলটোৰ ৰাইজে খাল, বিল, নাদ, পুখুৰী, দমকল আদিৰ আৰ্চেনিকযুক্ত পানী সেৱন কৰি আহিছে। যাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন সময়ত বিভিন্ন ৰোগত আক্ৰান্ত হৈছে গঞা ৰাইজ। ইফালে এইবেলি আৰু পুনৰ উক্ত আঁচনিৰ নামত চৰকাৰী ধন লাখ লাখ টকা আৱন্টিত দিয়াৰ পাছতো বৰ্তমানলৈ ৰাইজে এটুপিও পানী নোপোৱা বুলি ৰাজহুৱা অভিযোগ উঠিছে।

# ৰবীন্দ্ৰ জয়ন্তী উপলক্ষে 'তোমাৰ বাণীতে সীমাহীন আশা' উন্মোচন

অগ্ৰদূত বাৰ্তা
**ছিপাঝাৰ, ১০ মে' ঃ** সমগ্ৰ ৰাষ্ট্ৰতে উদযাপন কৰা কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ জন্ম তিথি অৰ্থাৎ ৰবীন্দ্ৰ জয়ন্তীৰ স'তে সংগতি ৰাখি ২৫ ব'হাগ ন মে'ত ছিপাঝাৰত ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ বিষয় শিক্ষক তথা বিশাখাপট্টনমৰ চিন্নাৰাও ৰেলফেৰাৰ এণ্ড চেৰিটেবল সেৱা ট্ৰাষ্টৰ তৰফৰ ৰবীন্দ্ৰনাথ ঠাকুৰ ৰাষ্ট্ৰীয় ফেলশ্বিপ বঁটা প্ৰাপক সাহিত্যিক পৰন কুমাৰ কলিতাই সংকলন কৰি পূৰ্ণিমা-পখিলা গৃহ পুথিভঁৰালৰ দ্বাৰা প্ৰকাশ কৰা ৰবীন্দ্ৰনাথ ঠাকুৰৰ এশটা বাণীৰ সংকলিত গ্ৰন্থ 'তোমাৰ বাণীতে সীমাহীন আশা' ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত অনুষ্ঠিত এক মনোজ্ঞ অনুষ্ঠানত উন্মোচন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে। গ্ৰন্থখন উন্মোচন কৰি ড° ৰাজবংশীয়ে কবিগুৰুৰ প্ৰতি শ্ৰদ্ধা প্ৰদানৰ উদ্দেশ্যে গ্ৰন্থখন সংকলন কৰা বাবে সংকলক কলিতাই শলাগ জ্ঞাপন কৰাৰ লগতে উল্লেখ কৰে যে গ্ৰন্থখনত সংকলিত বাণীসমূহে প্ৰতিগৰাকী পাঠককে জীৱনৰ বিভিন্ন ক্ষেত্ৰত উপকৃত কৰিব। অনুষ্ঠানত ছিপাঝাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ৰামচন্দ্ৰ ডেকা, ছিপাঝাৰ পৌৰ সভাৰ পৌৰপতি পিনাক্ষী শৰ্মা আৰু ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ আব্দুল লতিফেও বক্তব্য প্ৰদান কৰে। আৰম্ভণিতে পৰন কুমাৰ কলিতাই গ্ৰন্থখনৰ বিষয়ে চমু আলোকপাত কৰে।

# টংলাত ষষ্ঠদশ বাৰ্ষিক টংলা আঞ্চলিক বোৱাৰী বিহু সন্মিলন

■ জেং বিহু, একক বিহুনাচ আৰু বিহুনাম প্ৰতিযোগিতা সম্পন্ন

অগ্ৰদূত বাৰ্তা
**টংলা, ১০ মে' ঃ** ওদালগুৰি জিলাৰ টংলাস্থিত ঐতিহ্যমণ্ডিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ স্মৃতি ভৱনৰ বাকৰিত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে যোৱা আঠ মে'ত টংলা আঞ্চলিক বোৱাৰী সন্মিলনে আয়োজন কৰা ষষ্ঠদশ বাৰ্ষিক বোৱাৰী বিহু উদ্‌যাপন সফলতাৰে সম্পন্ন হয়। কাৰ্যসূচী অনুসৰি পুৱা বোৱাৰী বিহুৰ পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ কৰে টংলা আঞ্চলিক বোৱাৰী বিহু সন্মিলনৰ সভানেত্ৰী ৰঞ্জনা শৰ্মা বৰুৱাই। উদযাপন সমিতিৰ সভানেত্ৰী নিবেদিতা ডেকাৰ বৰুৱাই বিহু পতাকা উত্তোলন কৰাৰ পাছতে মহিলা আৰু কণ কণ ল'ৰা-ছোৱালীৰ খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হয়। উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভানেত্ৰী ডলি বৰা ডেকাৰ পৰিচালনাত অনুষ্ঠিত হয় বয়োজ্যেষ্ঠা মহিলাসকলৰ সম্বৰ্ধনা অনুষ্ঠান। বোৱাৰী বিহু সন্মিলনৰ উপদেষ্টা অজন্তা চৌধুৰীয়ে মঞ্চ উদ্বোধন কৰাৰ পাছতে একক বিহুনাচ, একক বিহুনাম আৰু জেং বিহু প্ৰতিযোগিতা অনুষ্ঠিত হয়। আবেলি চন্দ্ৰপ্ৰভা দত্ত আৰু ৰঞ্জি শইকীয়া ডেকাৰ দ্বাৰা সম্পাদিকা স্মৰণিকা 'বৰ্হমথুৰি' উন্মোচন কৰি পানেৰী সমষ্টিৰ প্ৰাক্তন বিধায়িকা কমলী বসুমতাৰীয়ে উদ্যোক্তসকলক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে বোৱাৰী বিহু সন্মিলনৰ প্ৰয়োজনীয়তা আছে বুলি কয়। সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে সাংস্কৃতিক বিভাগৰ সভানেত্ৰী বিজলী বসুমতাৰীয়ে। উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদিকা ৰশ্মিতা শৰ্মা, সহকাৰী সাধাৰণ সম্পাদিকা যতনা ৰাভা, সাংস্কৃতিক বিভাগৰ সম্পাদিকা ৰিপিকা ৰাভাই জানিবলৈ দিয়া মতে জেং বিহু প্ৰতিযোগিতাত স্থানপ্ৰাপক প্ৰথম মংগলদৈ সমন্বয় জেং বিহু, দ্বিতীয় মাজবাট গামখাৰু জেং বিহু দল আৰু তৃতীয় ননাইখুঁট মিলিজুলি জেং বিহু দলক প্ৰদান কৰা হয় নগদ ৫০০১ টকা, ৩০০১ টকা আৰু ১৫০১ টকা। একক বিহুনাচ প্ৰতিযোগিতাত স্থান প্ৰাপ্ত প্ৰতিযোগীসকল প্ৰথম কুইন হাজৰিকা, দ্বিতীয় পিংকিমণি হাজৰিকা, তৃতীয় অনিতা তামুলী আৰু বিহুনাম প্ৰতিযোগিতাত প্ৰথম ৰিজুমণি ডেকা, দ্বিতীয় অনিতা তামুলী আৰু তৃতীয় স্থান প্ৰাপক প্ৰেমলতা তামুলীক প্ৰদান কৰা হয় নগদ ধন। মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে বোৱাৰী বিহু সন্মিলনৰ উদ্যোক্তসকলক ভুয়সী প্ৰশংসা কৰে।

# বৰমাত বিনামূলীয়া চিকিৎসা শিবিৰ

অগ্ৰদূত বাৰ্তা
**বৰমা, ১০ মে' ঃ** বৰমাৰ নিকটৱৰ্তী খাৰুৱাজান শিশু সংঘ আৰু কদমতলা আঞ্চলিক ইয়ংষ্টাৰ সংঘত ভাৰতীয় জনতা যুৱ মৰ্চাৰ মুছলপুৰ মণ্ডলৰ উদ্যোগত আস্থা ডায়গ্নোষ্টিক চেণ্টাৰ, এছ কে ফিজিঅ' থেৰাপি আৰু বৰমাৰ পেৰামেডিকেল এডুকেছনৰ সহযোগত বিনামূলীয়া চিকিৎসা আৰু বিনামূলীয়া ব্লাড পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। পৰহি দুই শতাধিক লোক উপস্থিত থকা কদমতলাৰ চিকিৎসা শিবিৰত সকলো ৰোগীকে বিনামূলীয়া ঔষধ বিতৰণ কৰাৰ লগতে একাংশ ৰোগীৰ তেজ পৰীক্ষা কৰা হয়। যোৱা দেওবাৰে খাৰুৱাত হৈ যোৱা বিনামূলীয়া চিকিৎসা শিবিৰত প্ৰায় ২৫০গৰকী ৰোগীৰ প্ৰতিগৰাকীৰ তেজ পৰীক্ষা কৰাৰ লগতে বিনামূলীয়াকৈ ঔষধ বিতৰণ কৰা হয়। দুয়োটা শিবিৰতে বৰমা পেৰামেডিকেল এডুকেশছনৰ ছাত্ৰী, আস্থা ডাইগ্নোষ্টিক চেণ্টাৰৰ টেকনিচিয়ান আৰু বৰমা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক ডাঃ দৰ্শনা কাশ্যপ, ডাঃ মৌচম দাস, ডাঃ পাপৰি ডেকা, ডাঃ টিকুমণি ৰাভা, ডাঃ ধ্ৰুৱজ্যোতি বৰ্মন (চি এইছ অ') আৰু ডাঃ উৎপল হালৈ, নাৰ্ছ, ফাৰ্মাচিষ্টসকলে সহযোগ কৰে।

# শাক-পাচলি সুবিপণনৰ প্ৰয়াস



বিশেষ সংবাদদাতা
**নগাঁও, ১০ মে' ঃ** শাক-পাচলি উৎপাদনত নগাঁও জিলাই এক বিশেষ স্থান দখল কৰি আহিছে। জিলাখনৰ প্ৰায় ২৬ হেজাৰ হেক্টৰ মাটিত শাক-পাচলি খেতিৰ পৰা বছৰি তিনি লাখ ৫১ হেজাৰ মেট্ৰিকটন শাক-পাচলি উৎপাদন কৰি এক উল্লেখযোগ্য ভূমিকা দখল কৰিবলৈ সক্ষম হোৱাৰ কথা পৰহি নগাঁও জিলা কৃষি বিষয়া তৰুণ হাজৰিকাই সদৰী কৰে। এই উৎপাদিত শাক-পাচলি জিলাখনৰ জনসাধাৰণে চাহিদা পূৰণ হোৱাৰ লগতে ৰাজ্য তথা ভাৰতৰ আন ৰাজ্যলৈও সৰবৰাহ হৈ আছে। নগাঁও জিলা কৃষি বিভাগে এপাৰ্ট প্ৰকল্পৰ জৰিয়তে কৃষকসকলে উৎপাদিত বিভিন্ন শাক-পাচলিৰ যাতে উচিত মূল্য পায় তাৰ বাবে প্ৰয়োজনীয় কাৰ্যব্যৱস্থা হাতত লোৱা পৰিলক্ষিত হৈছে। এই ক্ষেত্ৰত জিলা উদ্যান শস্য সমন্বয়ক পংকজ হাজৰিকা, বিশ্ব শাক-পাচলি সমন্বয়ক সুশান্ত দাস, জিলা কৃষি বিপণন সমন্বয়ক অংকুৰ গোস্বামীৰ বিশেষ তৎপৰতা আৰু জিলা কৃষি বিষয়া, মহকুমা উদ্যান শস্য বিষয়াকে আদি কৰি জিলাখনৰ কৃষি বিষয়াসকলে এক সৰল পদক্ষেপ লৈছে। উক্ত প্ৰচেষ্টাৰ ফলস্বৰূপে এইবাৰ নগাঁৰৰ ডাকৰঘাত গাঁৱত এপাৰ্ট প্ৰকল্পৰ অধীনত উৎপাদিত ছজন কৃষকৰ প্ৰায় ২০ টন ৰঙালাও পশ্চিমবংগৰ ব্যৱসায়ীক উচিত মূল্যত বিক্ৰী কৰি খেতিয়কসকল উপকৃত হৈছে। তদুপৰি নগাঁও জিলাৰ ১৪টা কৃষক উৎপাদন কোম্পানীৰ দ্বাৰা শাক পাচলিৰ বিপণন কৰিবৰ বাবেও কাৰ্যপন্থা হাতত লোৱা হৈছে। যোৰহাটস্থিত খিলঞ্জীয়া শিক্ষিত যুৱকৰ দ্বাৰা গঠিত ব্যক্তিগত কোম্পানী,-পাচলি প্ৰাইভেট লিমিটেড'ৰ লগত এই ১৪টা কৃষক কোম্পানীৰ এক বুজাবুজি চুক্তিৰ জৰিয়তে কৃষকৰ পৰা বজাৰৰ মূল্যতকৈ বেছি দামত শাক-পাচলি ক্ৰয় কৰিবৰ বাবে আয়োজন কৰা হয় বুলি জিলা কৃষি বিষয়া হাজৰিকাই কয়।

# অৰুণোদয় সাহিত্য চ'ৰাৰ ২০২২-২৪ৰ নতুন সমিতি গঠন

বিশেষ সংবাদদাতা
**নগাঁও, ১০ মে' ঃ** ভাষা-সাহিত্য-সংস্কৃতি চৰ্চা আৰু অনুশীলনৰ মুকলি মঞ্চ নগাঁৰৰ অৰুণোদয় সাহিত্য চ'ৰাৰ ২০২২-২৪ৰ নতুন পূৰ্ণাংগ সমিতিখন যোৱা আঠ মে'ত নগাঁও অসম হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয়ত আয়োজিত চ'ৰাৰ বৈঠকত গঠন কৰা হয়। অৰুণোদয় সাহিত্য চ'ৰাৰ নৱনিৰ্বাচিত সভাপতি গুণধৰ নাথৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত নৱনিৰ্বাচিত সম্পাদক আবুল হুছেইনে উদ্দেশ্য ব্যাখ্যা কৰে। অৰুণোদয় সাহিত্য চ'ৰাৰ ২০২২-২৪ৰ পূৰ্ণাংগ সমিতিৰ ভৱেশ মেধি মুখ্য উপদেষ্টা, মৃদু পৱন বৰা, ড° দিলীপ শৰ্মা আৰু নাৰায়ণ শৰ্মাক উপদেষ্টাৰ দায়িত্ব অৰ্পণ কৰে। উপ-সভাপতি কাৰুণ্য ভট্টাচাৰ্য আৰু মুৰুলী বৰুৱা। সভাত অৰুণোদয় সাহিত্য চ'ৰাৰ সাংগঠনিক বিভিন্ন বিষয়ত বক্তব্য আগবঢ়ায় ড° দিলীপ শৰ্মা, মুৰুলী বৰুৱা, মুনীন্দ্ৰ শইকীয়া আৰু মৃদুপৱন বৰাই। কবি ৰিণি নেওগ বৰাই স়্চালনা কৰা সাহিত্য পাঠৰ অনুষ্ঠানটিত মহেন্দ্ৰ হাজৰিকা, খৰ্গেশ্বৰী বৰা, অনুকোৰৰ সিংহ, জোনাকী বৰ্মন বৰা, মৃদু পৱন বৰা, ড° দিলীপ শৰ্মা, মুনীন্দ্ৰ শইকীয়া আৰু প্ৰদীপ শইকীয়াই স্বৰচিত সাহিত্য পাঠ কৰে।

# বাহনা মাউত গাঁৱৰ ব'হাগী উৎসৱ উদ্‌যাপন

ষ্টাফ ৰিপ'ৰ্টাৰ
**যোৰহাট, ১০ মে' ঃ** যোৰহাটৰ বাহনা অঞ্চলৰ মাউত গাঁৱৰ বৰুৱা পুখুৰী সন্মিলিত যুৱ মঞ্চৰ উদ্যোগত যোৱা সাত মে'ত ব'হাগী উৎসৱ অনুষ্ঠিত হয়। পুৱা কৃষ্টি ধ্বজা উত্তোলন কৰি সমাজকৰ্মী মাণিক বৰুৱাই বিহু উৎসৱৰ কাৰ্যসূচী আৰম্ভ কৰে। ব'হাগী উৎসৱৰ লগত সংগতি ৰাখি লেখক লক্ষ্য চাং গগৈৰ 'ঐতিহাসিক বৰুৱা পুখুৰী আঁত বিচাৰি' শীৰ্ষক গ্ৰন্থ উন্মোচন হয়। এই ঐতিহাসিক বৰুৱা পুখুৰীয়ে বিহু উদ্‌যাপিত অঞ্চলত আহোম ৰাজত্বৰ সুকীয়া পৰিচয় বহন কৰি আছে। সেই পুখুৰীক লৈয়েই লক্ষ্য চাং গগৈয়ে গ্ৰন্থখন ৰচনা কৰিছে। বুবুল চন্দ্ৰ দত্তৰ সভাপতিত্বত অনুষ্ঠিত সভাত ইতিহাস বিজৰিত গ্ৰন্থখন উন্মোচন কৰে যোৰহাট চন্দ্ৰকমল বেজবৰুৱা বাণিজ্য মহাবিদ্যালয়ৰ উপাধ্যক্ষ মণিৰাম লাহনে। সভাৰ আঁত ধৰে ডাঃ নবীন বৰদলৈ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপিকা আলেনা বেগমে। সৃষ্টিশীল নৃত্য অনুষ্ঠান উদ্বোধন কৰে সমাজকৰ্মী গুণাৰাম হাতীবৰুৱাই। সাংস্কৃতিক সন্ধিয়াৰ আগে আগে মাউত গাঁও অঞ্চলৰ বয়োজ্যেষ্ঠ হিন্দু আৰু মুছলিম ব্যক্তিসকলক সম্বৰ্ধনা জনাই সাম্প্ৰীতিৰ এক নিদৰ্শন দাঙি ধৰে। আটাছুৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি কুমুদ গগৈয়ে সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে।

## 'ঐতিহাসিক বৰুৱা পুখুৰী' শীৰ্ষক গ্ৰন্থ উন্মোচন

# অভয়াপুৰী সাহিত্য চ'ৰাৰ দ্বাদশ বৰ্ষপূৰ্তি অনুষ্ঠান সম্পন্ন

অগ্ৰদূত বাৰ্তা
**অভয়াপুৰী, ১০ মে' ঃ** অভয়াপুৰী সাহিত্য চ'ৰাৰ বৰ্ষপুতি অনুষ্ঠান যোৱা আঠ মে'ত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। অভয়াপুৰী বাপুজী উচ্চ বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত বৰ্ষপুতি অনুষ্ঠানৰ পতাকা উত্তোলন কৰে সাহিত্য চ'ৰাৰ সভাপতি ড° জগৎ চন্দ্ৰ কলিতাই। স্মৃতি তৰ্পণ কৰে ধীৰেশ চন্দ্ৰ ৰায়ে। তাৰ পাছতে অনুষ্ঠিত সাংগঠনিক সভাত উপ-সভাপতি মৃদুল কুমাৰ দাসক কাৰ্যকৰী সভাপতিৰ দায়িত্ব অৰ্পণ কৰা হয়। অন্তৰংগ আলাপ অনুষ্ঠানত শিখা অধিকাৰীয়ে গীত পৰিৱেশন কৰাৰ লগতে বুলুমণি দাস কলিতা আৰু সোণালী দেৱনাথে স্ব-ৰচিত কবিতা পাঠ কৰে। তাৰ পাছতে ৰোহিনী কুমাৰ চৌধুৰীৰ উদ্বোধনেৰে চ'ৰাৰ মুখপত্ৰ 'প্ৰত্যাশা' উন্মোচন কৰে মৃদুল কুমাৰ দাসে। তদুপৰি উক্ত সভাতেই পবিত্ৰ কুমাৰ মেধি, ফাৰুল হুছেইন, তনপ্ৰিয়া কলিতাৰ কাব্যগ্ৰন্থও উন্মোচন কৰা হয়। কাব্যগ্ৰন্থ কেইখন ক্ৰমে 'সান্ধ্যস্বৰ', 'প্ৰতিশ্ৰুতি উভতি অহাৰ' আৰু 'এমুঠি সাগৰ'। চ'ৰাৰ জ্যেষ্ঠ সদস্য ক্ৰমে পৰমানন্দ মেধি, দুৰ্গেশ্বৰ দাস, জ্যোতিষ চন্দ্ৰ সৰকাৰক মুকলি সভাতে সম্বৰ্ধনা জনোৱা হয়। মুখ্য অতিথিৰ ভাষণত দেৱজিত ব্ৰহ্মই কয়, 'আমি য'লৈ যাওঁ তাতেই কবিতা, গল্প। কেৱল আমি লিখি নাৰাখো।' তেওঁ লগতে কয় 'কবিয়ে কবিতা সৃষ্টিৰ পাছত কবিতাটি কবিৰ নিজা হৈ নাথাকে। পাঠকে নিজৰ দৃষ্টিভংগীৰে গ্ৰহণ কৰে।' আনহাতে, ৰঞ্জিত কুমাৰ শৰ্মাই কয় যে বহুতৰে সাহিত্যৰ লগত সম্পৰ্ক নাছিল যদিও চ'ৰাৰ লগত সংযোগ ঘটাৰ পাছত সাহিত্য চৰ্চাত আত্মনিয়োগ কৰিছে। বিশিষ্ট অতিথিৰূপে সুৰীতি ব্ৰহ্ম চৌধুৰীয়েও ভাষণ আগবঢ়ায়।

# কাইলৈৰ পৰা আমগুৰি জালুকগাঁৱৰ বৰ নামঘৰৰ শতবৰ্ষৰ অনুষ্ঠান

অগ্ৰদূত বাৰ্তা
**আমগুৰি, ১০ মে' ঃ** অহা ১২, ১৩, ১৪, ১৫ আৰু ১৬ মে'ত আমগুৰিৰ জালুকগাঁৱৰ নামঘৰৰ শতবৰ্ষ অনুষ্ঠান উদ্‌যাপন কৰা হ'ব। অনুষ্ঠানৰ আৰম্ভণিতে চাফাই, ধৰ্মধ্বজা, গছপুলি ৰোপণ বন্তি প্ৰজ্বলনকে ধৰি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। পতাকা উত্তোলন কৰিব শতবৰ্ষ উদ্‌যাপন সমিতিৰ সভাপতি অৰূপ শইকীয়া, বন্তি প্ৰজ্বলন হিচাপে কাৰ্যকৰী সভাপতি হেৰম্ব প্ৰসাদ শইকীয়াই। অনুষ্ঠানৰ উদ্বোধন কৰিব তিতাবৰৰ শ্ৰীশ্ৰী পুৰণি কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ ভৱকান্ত দেৱগোস্বামীয়ে। উদ্বোধন কৰিব আমগুৰি বিধানসভা সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকাই। ঠিক সেইদৰে ২৯ ব'হাগৰ দিনাও নাম-প্ৰসংগকে আদি কৰি ভাওনা প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হ'ব। ৩০ ব'হাগ, ৩১ ব'হাগ আৰু এক জেঠত সমূহীয়া বন্তি প্ৰজ্বলন, স্মৃতিগ্ৰন্থ উন্মোচনী সভা আয়োজন কৰা হৈছে। আমন্ত্ৰিত অতিথিৰূপে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰা, কৃষি মন্ত্ৰী অতুল বৰা শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈ, আমগুৰি সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকা আদি উপস্থিত থাকিব। উল্লেখ যে ১২ৰ পৰা ১৫ মে'লৈকে মুঠ আঠটা ভাওনা দলৰ নাট প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। সকলো অনুষ্ঠানতে ৰাইজৰ সাৰ্বিক সহায়-সহযোগিতা আৰু উপস্থিতি উদ্যোক্তাসকলে কামনা কৰিছে।

# শামুকীয়া গতিত চলিছে মঙলদৈ কানাইচুবা পানী যোগান আঁচনি

বিশেষ সংবাদদাতা
**মঙলদৈ, ১০ মে' ঃ** জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা জলজীৱন আঁচনিৰ অধীনত মঙলদৈৰ নিকটৱৰ্তী কানাইচুবা পানী যোগান আঁচনিৰ নিৰ্মাণকাৰ্য একেবাৰে শামুকীয়া গতিত কৰিবলৈ ধৰাত এই বছৰো স্থানীয় ৰাইজে এটুপি খোৱা পানীৰ পৰা বঞ্চিত হোৱাৰ আশংকা প্ৰকাশ কৰিছে। পাইপলাইনৰ কামকে ধৰি সকলো কামেই একেবাৰে লেহেমীয়া হোৱাত জাণ্ডুৰ খাই উঠিছে একাংশ স্থানীয় ৰাইজ। অভিযোগ অনুসৰি প্ৰায় এক কোটি ২৭ লাখ টকাৰে নিৰ্মিত আঁচনিখনৰ বৰ্তমানলৈকে ৫০ শতাংশ কাম নোহোৱাত স্থানীয় ৰাইজৰ লগতে দাবী জনাইছে সদৌ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ দৰং জিলা সমিতিয়ে।



টেঙাখাতত অনুষ্ঠিত সোণোৱাল কছাৰী লেচেৰী নাচ প্ৰতিযোগিতাৰ দৃশ্য

# ষ্টুডিয়া একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ বিজ্ঞান শাখা মুকলি

অগ্ৰদূত বাৰ্তা
**মাটিয়া, ১০ মে' ঃ** হিষ্টৰী পেজবুক ফাউণ্ডেছনৰ তত্বাৱধানত গোৱালপাৰা চহৰত চলি থকা ষ্টুডিয়া একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ নৱনিৰ্মীত গৃহৰ আজি দ্বাৰ মুকলি কৰা হয়। গোৱালপাৰা চহৰৰ দুৰ্গা মন্দিৰ (বিহু ফিল্ড)ৰ নৱনিৰ্মীত ফিটা কাটি গৃহ প্ৰৱেশৰ দ্বাৰ মুকলি কৰে ষ্টুডিয়া একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল পৰিচালনা সমিতিৰ সভানেত্ৰী নুৰজাহান আৰ মাৰাকে। এই উপলক্ষে আয়োজিত মুকলি সভাৰ আৰম্ভনিতে বন্তি প্ৰজ্বলন কৰে নুৰ জাহান আৰ মাৰাকৰ লগতে শিক্ষানুষ্ঠানখনৰ অধ্যক্ষ সুমিত্ৰা ৰায়ে। আব্দুল হাইয়ে আঁত ধৰা সভাত চলিত বৰ্ষৰ পৰাই পাঠদান আৰম্ভ কৰাৰ বাবেই বিজ্ঞান শাখা মুকলি কৰা বুলি ঘোষণা কৰা হয়। সভাত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক জিতুমণি ভূঞাৰ লগতে অভিভাৱক শুকুৰ আলী, আমিনুল হক হাক্কানি আৰু একাডেমীৰ ফালৰ পৰা সাহৰুখ হুছেইন আৰু স্বপ্না চৌধুৰীয়ে শিক্ষামূলক বক্তব্য ৰাখে। ইপিনে, জিলাখনৰ বিভিন্ন প্ৰান্তত অস্থায়ীভাৱে স্থাপন কৰা একাডেমীৰ শাখাত যোৱা ১৮ এপ্ৰিলৰ পৰা সাত মে'লৈকে বিনামূলীয়া পাঠদানত অংশগ্ৰহণকাৰী ৮০জন ছাত্ৰ-ছাত্ৰীক আজি প্ৰমাণ পত্ৰ বিতৰণ কৰা হয়।

# আগমনীত দুষ্প্ৰাপ্য নেউল উদ্ধাৰ

অগ্ৰদূত বাৰ্তা
**আগমনী, ১০ মে' ঃ** আগমনী আৰক্ষী চকীৰ অন্তৰ্গত কালডোবা প্ৰথম খণ্ডত এটা দষ্প্ৰাপ্য নেউল উদ্ধাৰ কৰে ৰাইজে। আগমনীৰ ৰাইজে উদ্ধাৰ কৰা নেউলটো আগমনী ৰাজ্যিক পশু চিকিৎসালয়ত চমজাই দিয়ে। চিকিৎসকে চিকিৎসা সেৱাৰ পাছত নেউলটোক ছাগলীয়া বন বিভাগক গতাই দিয়ে। দুষ্প্ৰাপ্য নেউলটোক বন বিভাগে ছোটগুমাৰ জংঘলত এৰি দিছে।

# বিজনীৰ মিলন বজাৰত জৰাজীৰ্ণ দলং, ৰাস্তা-ঘাট মেৰামতিৰ দাবী

■ সৰৱ কৃষক সভাৰ প্ৰতিবাদী কাৰ্যসূচী

অগ্ৰদূত ব্যুৰ'
**বঙাইগাঁও, ১০ মে' ঃ** 'চিৰাং জিলাৰ বিজনী মহকুমাৰ বাগৰগাঁও গ্ৰাম্য উন্নয়ন পৰিষদ সমিতিৰ (ভিচিডিচি) অন্তৰ্গত কে'বাখনো গাঁৱৰ কৃষক ৰাইজ উন্নত গ্ৰাম্য পথ আৰু নৈ-জুৰিসমূহত পকী দলঙৰ ব্যৱস্থা নোহোৱাত সমস্যাৰে দিন অতিবাহিত কৰিবলগীয়া হৈছে। কে'বাখনো গাঁৱৰ ৰাইজে দেশে স্বাধীনতা লাভ কৰাৰ পাছতো যাতায়াতৰ দিশত সমস্যাৰে দৈনন্দিন জীৱন যাত্ৰা চলাই লৈ থকাৰ মাজতো যোৱা ন মে'ত বাগৰগাঁও মিলন বজাৰত নিখিল ভাৰত কৃষক সভাৰ বাগৰগাঁও শাখা কমিটীয়ে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ৰাজ্যৰ শাসকীয় দল বিজেপি নেতৃত্বাধীন চৰকাৰৰ দিনতো উন্নয়নৰ মুখ নেদেখা



চিৰাং জিলাৰ বিজনী মহকুমাৰ বাগৰগাঁও, দুই নম্বৰ লাৰুগাঁও, দাওৱাগুৰী, মিলনবজাৰ আদি অঞ্চলৰ ৰাইজে দীৰ্ঘদিনৰ পৰা যাতায়াতৰ ক্ষেত্ৰত সমস্যা হৈ আছে। মিলন বজাৰত নিখিল ভাৰত কৃষক সভাৰ বিজনী আঞ্চলিক কমিটীয়ে স্থানীয় ৰাইজৰ সহযোগত অঞ্চলসমূহৰ ৰাস্তা-ঘাট আৰু চাৰিখনকৈ পদ দলঙৰ অৱস্থা অতি শোচনীয়। এনে পৰিপ্ৰেক্ষিতত মিলন বজাৰত নিখিল ভাৰত কৃষক সভাৰ মিলন বজাৰ শাখা কমিটীৰ বাগৰগাঁও শাখাৰ সহযোগত আৰু স্থানীয় ৰাইজৰ সহযোগত ৰূপায়ণ কৰে এক প্ৰতিবাদী বিক্ষোভ কাৰ্যসূচী। প্ৰতিবাদী ৰাইজে উক্ত অঞ্চলত থকা চাৰিখনকৈ পকী দলং নিৰ্মাণ কৰা আৰু শোচনীয় ৰাস্তা-ঘাট মেৰামতি কৰাৰ বাবে চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰে। আনহাতে, এই ক্ষেত্ৰত বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়ক কে'বাবাৰো মৌখিল অভিযোগ দিয়াৰ পাছতো গুৰুত্ব নিদিয়া বুলি কৃষক সভাই অভিযোগ উত্থাপন কৰে। সুদীৰ্ঘ কাল জৰাজীৰ্ণ পথেৰে যাতায়াত কৰিবলৈ যোৱাত কৃষিপ্ৰধান অঞ্চলটোৰ ৰাইজৰ সমস্যা সমাধান কৰিবলৈ ৰাইজে কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ নব কুমাৰ শৰণীয়ালৈও দাবী জনায়।

# বজালী জিলাৰ ছাগলচাৰীত নাট মঞ্চস্থ

অগ্ৰদূত বাৰ্তা
**কয়াকুছি, ১০ মে' ঃ** নাট্যনগৰী পাঠশালাৰ সমীপৱৰ্তী বজালী জিলাৰ ছাগলচাৰীত যোৱা আঠ মে'ত মঞ্চস্থ হ'ল অভিজিৎ ভট্টাচাৰ্যৰ ৰচিত আৰু স্থানীয় যুৱক উজ্জ্বল কলিতাৰ দ্বাৰা পৰিচালিত নাট 'মা'। অঞ্চলবাসীৰ মাজত ঐক্যতা আৰু সমন্বয় জীয়াই ৰখাৰ স্বাৰ্থত বিগত ৩২ বছৰে ছাগলচাৰী কল্যাণ সংঘই মঞ্চস্থ কৰি আহিছে ভিন্নধৰ্মী নাটক। নাট মঞ্চস্থ কৰাৰ প্ৰাক্‌ক্ষণত মুকলি বিহু আৰু স্থানীয় নৃত্য শিল্পীৰ জৰিয়তে প্ৰদৰ্শন কৰা হয় নৃত্য। তাৰ পাছতেই নিশা ১০ বজাত স্থানীয় ন-পুৰণি অভিনেতা-অভিনেত্ৰী আৰু কলা কুশলীৰ দ্বাৰা মঞ্চস্থ কৰা হয় 'মা' নামৰ বিশেষ নাটখন। অভিনেতা মনোজ কুমাৰ ৰয়, উজ্জ্বল কলিতা, হৰেন ৰয়, কিশোৰ কুমাৰ ৰয় আৰু গণেশ কলিতাৰ অভিনয়ে দৰ্শকৰ মাজত সমাদৰ লাভ কৰিবলৈ সক্ষণ হয়। আনফালে নাটখনৰ নাৰী চৰিত্ৰ 'মানসী'ৰ অভিনয় ৰাইজে আদৰি লয়।

## ডকমকা থানা চৌহদত বৃক্ষৰোপণ

অগ্ৰদূত বাৰ্তা
**ডংকামোকা, ১০ মে' ঃ** অসম আৰক্ষীৰ বাবে এটা গৌৰৱৰ বিষয় যে ভাৰতৰ আৰক্ষী ইতিহাসত দশম সদস্য হিচাপে অসম আৰক্ষীয়ে নামভৰ্তি কৰিবলৈ সক্ষম হৈছে। সেইবাবে অহা কাইলৈ অৰ্থাৎ মঙলবাৰে গুৱাহাটীত ভাৰতৰ গৃহমন্ত্ৰী অমিত শ্বাহে অসম আৰক্ষীক যি ৰাষ্ট্ৰপতি নিচানৰ সন্মান প্ৰদান কৰিব। সেয়েহে সোমবাৰে আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তৰ নিৰ্দেশ মৰ্মে ডকমকা আৰক্ষী চকী চৌহদত বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উক্ত বৃক্ষৰোপণ কাৰ্যসূচীৰ লগত সংগতি ৰাখি নিৰ্মল বৰাৰ সভাপতিত্বত এখন সভাৰো আয়োজন কৰা হয়। উক্ত সভাত অতিথিৰূপে উপস্থিত থাকে ক্ৰমে ১৮ নম্বৰ হাওৰাঘাট বিধানসভা সমষ্টিৰ বিধায়ক দৰছিং ৰংহাং, মহামায়া পৰিষদিয় সমষ্টিৰ স্থানীয় জনপ্ৰতিনিধি লুনছিং তেৰন, ডকমকা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নীলমণি মালাকাৰ, লাংহিন টাউন কমিটীৰ অধ্যক্ষ কমল ব্ৰহ্ম, ডকমকা টাউন কমিটীৰ অধ্যক্ষ বীৰেন তেৰনৰ লগতে ডকমকা আৰক্ষী চকীৰ অন্তৰ্গত গাঁওৰক্ষী বাহিনীৰ সদস্যসকলৰ লগতে গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে। উক্ত সভাৰ শেষত ডকমকা আৰক্ষী চকীৰ চৌহদত এশৰো অধিক বিভিন্ন প্ৰজাতিৰ গছপুলি ৰোপণ কৰা হয়।

## হাবিয়াল গাঁও নামঘৰৰ নৱ নিৰ্মিত মণিকূট উদ্বোধন

অগ্ৰদূত বাৰ্তা
**বৰুৱাবামুণগাঁও, ১০ মে' ঃ** গোলাঘাট জিলাৰ গণকপুখুৰী অঞ্চলৰ হাবিয়াল গাঁও নামঘৰৰ নৱ নিৰ্মিত মণিকূটভাগি কালি এক মাংগলিক পৰিৱেশত উদ্বোধন কৰা হয়। এই উপলক্ষে পুৱা হাবিয়াল গাঁও উন্নয়ন সমিতিৰ সভাপতি ধীৰেন্দ্ৰ নাথ ৰাজখোৱাই ধৰ্মধ্বজা উত্তোলন কৰাৰ পাছতে নতুন মণিকূটত গুৰু আসন প্ৰতিষ্ঠা কৰে গাঁওখনৰ জ্যেষ্ঠ ধৰ্মপ্ৰাণ ব্যক্তি দেৰেন্দ্ৰ নাথ ৰাজখোৱাই। এই উপলক্ষে নাম প্ৰসংগৰ পাছতে দুদিনীয়া কাৰ্যসূচীৰে ভাগৱত পাঠ আৰম্ভ কৰা হয়। ভাগৱত মহাশাস্ত্ৰ প্ৰতিষ্ঠা কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন শৰণ সদস্য নবীন বৰাই। উল্লেখ্য যে প্ৰায় ন লাখ টকা ব্যয়েৰে নতুনকৈ নিৰ্মাণ কৰা মণিকূট ভাগিৰ বাবে ৰাইজৰ দান-বৰঙণিৰ উপৰি গাঁওখনৰ সুযোগ্য সন্তান তথা অসমৰ এজন শিক্ষাবিদ প্ৰয়াত উপেন্দ্ৰনাথ বৰাই আগবঢ়াই যোৱা দুই লাখ ৫০ হেজাৰ টকাৰ লগতে স্থানীয় বিধায়ক উন্নয়ন পুঁজিৰ পৰা এক লাখ ৫০ হেজাৰ টকা সংগৃহীত হৈছিল।

## মৃণাল বৰুৱাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**বোকাখাত, ১০ মে' ঃ** বোকাখাত নগৰৰ নিবাসী ব্যৱসায়ী, ক্ৰীড়া, ৰাজনীতি, সমাজকৰ্মী মৃণাল বৰুৱা (৬০)ৰ কালি সন্ধিয়া নিজা বাসভৱনত মৃত্যু হয়। বোকাখাত দৈনিক বজাৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি, বোকাখাত জিলা ক্ৰীড়া পন্থা, অসম গণ পৰিষদ, বোকাখাত নাট্যমন্দিৰ, বাৰোৱাৰী পূজা কমিটী, পশ্চিম বোকাখাত বিহু কমিটী আদি বিভিন্ন অনুষ্ঠানৰ লগত জড়িত হৈ আছিল। বিগত কিছুদিন মধুমেহ ৰোগত আক্ৰান্ত হৈ ঘৰত আছিল। তেওঁ মাতৃসহ পত্নী, দুগৰাকী কন্যাৰ লগতে পৰিয়ালৰ লোকক এৰি গৈছে।

## তেজপুৰত

*আঠ পৃষ্ঠাৰ পৰা* পৰিয়ালৰ সদস্যসকলে অংশ গ্ৰহণ কৰে। ইয়াৰ পাছতেই আৰম্ভ হোৱা এই স্মাৰক বক্তৃতা আৰু বঁটা প্ৰদান অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰি ভাৰপ্ৰাপ্ত উপাচাৰ্য তথা বিশ্ববিদ্যালয়খনৰ প্ৰ-উপাচাৰ্য ড° ধ্ৰুৱ কুমাৰ ভট্টাচাৰ্যই তিলোত্তমা বৰুৱা আৰু বঁটা প্ৰাপক প্ৰবীণ সমাজকৰ্মী হেমলতা বৰুৱাৰ জীৱন দৰ্শন আলোকপাত কৰে। তিলোত্তমা বৰুৱাৰ জীৱনকৃতী সম্পৰ্কে আলোকপাত কৰে বিশিষ্ট সাংবাদিক লেখক প্ৰফুল্ল প্ৰাণ মহন্তই। একেদৰে বঁটা প্ৰাপক হেমলতা বৰুৱাৰ জীৱন কৃতী আলোকপাত কৰাৰ লগতে তেওঁলৈ প্ৰস্তুত কৰা সম্বৰ্ধনা পত্ৰও পাঠ কৰা হয়। এই অনুষ্ঠানতে দুয়ো গৰাকীৰ ওপৰত প্ৰকাশিত পুস্তিকা উন্মোচন কৰে সাংসদ কামাখ্যা প্ৰসাদ তাছাই। অনুষ্ঠানটোত বিশ্ববিদ্যালয়খনৰ চন্দ্ৰ প্ৰভা শইকীয়ানী মহিলা অধ্যয়ন কেন্দ্ৰৰ মুৰব্বী অধ্যাপিকা ডঃ মাধুৰীমা গোস্বামীয়ে অনুষ্ঠানটোৰ বিষয়ে অৱগত কৰে। উল্লেখ্য যে, শাৰীৰিক অসুস্থতাৰ বাবে তেজপুৰ চহৰৰ নতুন আমোলাপট্টীৰ বাসগৃহতে চিকিৎসাধীন হৈ থকা সংগ্ৰামী মহিলা হেমলতা বৰুৱাৰ হৈ ভতিজা দিগন্ত বৰুৱাই এই বঁটা গ্ৰহণ কৰে।

## শ্ৰীমন্ত শংকৰদেৱ সংঘৰ স্মাৰক বক্তৃতা

*আঠ পৃষ্ঠাৰ পৰা* ভবেন্দ্ৰনাথ ডেকাই, মুখ্য অতিথি ড° মৃদুল হাজৰিকা উপাচাৰ্য মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়, সন্মানীয় অতিথি বসুন্ধৰ ডেকা উপ-পদাধিকাৰ শ্ৰীমন্ত শংকৰদেৱ সংঘ, নিৰ্দিষ্ট বক্ত ৰূপেশ্বৰ নেওগ প্ৰাক্তন মূলৰ সদস্য শ্ৰীমন্ত শংকৰদেৱ সংঘ, বিশিষ্ট অতিথি ড° দুৰ্লভ পাঠক আৰু অজিত দাস যুটীয়া সম্পাদক শ্ৰীমন্ত শংকৰদেৱ সংঘ, ফুনু বৰা গগৈ সম্পদিকা কেন্দ্ৰীয় শিশু আই-মাতৃ কল্যাণ সমিতি, শ্ৰীমন্ত শংকৰদেৱ সংঘ। স্মাৰক বক্তৃতা অনুষ্ঠানত ভকত বৈষ্ণৱৰ উপস্থিতি কামনা কৰিছে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ সভাপতি মুকুল গগৈ আৰু ভাৰপ্ৰাপ্ত সম্পাদক দ্বীজেন শইকীয়াই।

## চকলাঘাটত মাধৱদেৱৰ আৱিৰ্ভাৱ

*আঠ পৃষ্ঠাৰ পৰা* হাজৰিকা, উপদেষ্টা নীলকান্ত শইকীয়া, ৰোহিত শইকীয়া, ক্ষীতেশ্বৰ বৰা, অনন্ত শইকীয়া, শ্ৰীকান্ত বৰা, হিৰেন্দ্ৰ নাথ বৰুৱা, কৃষ্টি উপ-সমিতিৰ সভাপতি অতুল শইকীয়া, সম্পাদক ৰঞ্জিত শইকীয়া, খাদ্য উপ-সমিতিৰ সভাপতি কেশৰাম ভূএঞা, সম্পাদক পদুম শইকীয়া, সহ-সম্পাদক ৰাম নাথ শইকীয়া, মনোৰমা শইকীয়া, ইলা ৰাজখোৱা, বীণা পানী বৰা, মীৰা শইকীয়া, নিশামনি বৰাকে ধৰি আদৰণি সমিতিৰ প্ৰায় ভাগ বিষয়ববীয়া উপস্থিত থাকে। উক্ত সভাতে ভানু মুদৈক সভাপতি, ৰেখামনি শইকীয়া, সীমা ভূএঞা, জোনমণি বৰা আৰু পম্পী শইকীয়াক সম্পাদিকাৰূপে লৈ আই-মাতৃ উপ-সমিতিখন গঠন কৰা হয়। শ্ৰীশ্ৰী মাধৱদেৱৰ আবিৰ্ভাৱ মহোৎসৱভাগৰ কাৰ্যসূচী অনুসৰি ২২ মে'ৰ পুৱা প্ৰাতঃ প্ৰসংগ, পৰিৱেশ নিকাকৰণৰ পাছতে বৃক্ষৰোপণৰ আৰম্ভ কৰিব শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা শাখাৰ উপ-সভাপতি ৰাণা প্ৰকাশ বৰাই। পুৱা ন বজাত পতাকা উত্তোলন কৰিব জিলা শাখাৰ সভাপতি জ্যোতি প্ৰসাদ ভূএঞাই, ৯-৩০ বজাত ভাগৱত আৰু সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰিব মূলৰ সদস্য নলিনী বৰাই। ইপিনে পুৱা ১১ বজাত নগাঁও জিলাৰ সম্পাদক তোযেশ্বৰ বৰাই উদ্বোধন কৰিব লগা ধৰ্মালোচনী সভাত নিৰ্দিষ্ট বক্তাৰূপে সংঘৰ শংকৰী সংস্কৃতি গবেষণা পৰিষদৰ সদস্য মনোজ দেওৰজা আৰু বিশিষ্ট অতিথিৰূপে মূলৰ সদস্য প্ৰফুল্ল চন্দ্ৰ বৰা, হৰিদাস ৰাজকুমাৰ, অজিত কুমাৰ বৰুৱা আৰু শনিৰাম দাসে অংশগ্ৰহণ কৰিব। ইফালে, উৎসৱটিৰ লগত সংগতি ৰাখি ২৩ মে'ৰ নিশা পূৰ হাতীচোং ৰাস মন্দিৰৰ সৌজন্যত মঞ্চায়ন হ'বলগীয়া নাট্যকাৰ গম্ভীৰ শইকীয়াৰ ৰচিত নাটক 'শ্ৰীশ্ৰী মাধৱদেৱ' নাটখনিৰ আখৰাও পূৰ্ণগতি চলিছে।

## নাট্যপীঠৰ ৰূপোৱালী বাটেৰে

*আঠ পৃষ্ঠাৰ পৰা* উদ্বোধন কৰে সাহিত্যিক ড° নিৰুপমা মহন্তই। উক্ত অনুষ্ঠানতে তেওঁ নাট্যপীঠ প্ৰকাশনৰ শেহতীয়া গ্ৰন্থ 'পাঁচখন শিশু নাট' গ্ৰন্থখনিও উন্মোচন কৰে। তেওঁ প্ৰখ্যাত শিশু সাহিত্যিক হৰেন্দ্ৰনাথ বৰঠাকুৰে নাট্য সাহিত্যৰ যোগেদি অসমীয়া সাহিত্যলৈ অনুপম অৱদান আগবঢ়াই গৈছে বুলি মন্তব্য কৰে। অমৰজ্যোতি মহন্তই আঁত ধৰা অনুষ্ঠানটোত নাট্যপীঠৰ অধ্যক্ষ প্ৰশান্ত শৰ্মাই শিশু সাহিত্যিক হৰেন্দ্ৰনাথ বৰঠাকুৰৰ সৃষ্টিৰাজি সন্দৰ্ভত আলোকপাত কৰে। উক্ত অনুষ্ঠানত উপাচাৰ্য দেবব্ৰত দাস, নিজৰা বৰঠাকুৰ, ললিত টায়ে, প্লাৱিতা বৰঠাকুৰ, দিগন্ত বৰগোহাঁই আৰু বিনোদ গগৈক নাট্যপীঠে সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানটোত ড° অনিল শইকীয়া, দিলীপ দাস, ডাঃ সুকল্যাণ দাস, ড° নীলাক্ষী বৰগোহাঁই, ড° প্ৰকাশ কটকী, ডাঃ দিলীপ বৰুৱা, মণিকা শইকীয়া আদি উপস্থিত থাকে। ইফালে, প্ৰথমদিনা অৰ্থাৎ সাত মে'ৰ দিনা প্ৰশান্ত শৰ্মাৰ পৰিচালনা আৰু নাট্যকাৰ নৱজ্যোতি বড়াৰ 'আবদ্ধ আকাশ' নাটখন মঞ্চস্থ কৰা হয়। মানুহৰ প্ৰতি মানুহৰ সঁচা অনুভৱত হৃদয়লৈ কেনেকৈ প্ৰশান্তি নামি আহে তাৰে আলমত মঞ্চস্থ হোৱা নাটখনয়ে নাট্যপ্ৰেমীক দিছিল অনন্য মাত্ৰা। পাঁচ গৰাকী অভিনেতা- অভিনেত্ৰীয়ে অভিনয় কৰা শিল্পীসকলৰ অভিনয় আছিল দুৰ্দান্ত। শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগ গগৈয়ে উদ্বোধন কৰা নাট সন্ধিয়া অনুষ্ঠানত নাট্যপীঠে অৱন্তী পামেগাম, জিলা আৰক্ষী অধীক্ষক শুভ্ৰজ্যোতি বৰা, মণিকা দেৱীক সম্বৰ্ধনা জ্ঞাপন কৰে। ইয়াৰ পূৰ্বে সাহিত্যাচাৰ্য যোগেন চেতিয়াৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে নাট্যপীঠৰ মুখ্য উপদেষ্টা মণিকা শইকীয়াই। অমৰজ্যোতি মহন্তই আঁত ধৰা অনুষ্ঠানত দিলীপ দাসে সাহিত্যাচাৰ্য যোগেন চেতিয়াৰ জীৱন দৰ্শন আৰু প্ৰশান্ত শৰ্মাই নাট্যপীঠৰ ইতিহাস সন্দৰ্ভত আলোকপাত কৰে।

## তিতাবৰত লোকনিৰ্মাণ বিভাগত অনিয়ম

*আঠ পৃষ্ঠাৰ পৰা* স্থানীয় ৰাইজে তিতাবৰ মহকুমাধিপতিক এখন স্মাৰকপত্ৰ প্ৰদান কৰি অৱগত কৰিছিল। তাৰ পাছতো বিভাগটোৰ গা-লৰাব নোৱাৰাত ৰাইজে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। আজি পুৱা অঞ্চলটোৰ শতাধিক লোক ৰাজপথলৈ ওলাই আহি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। পাছত তিতাবৰ মহকুমাৰ দণ্ডাধীশ ৰাজা বৈশ্য, বিধায়ক ভাস্কৰজ্যোতি বৰুৱাৰ লগতে বিভাগীয় অভিযন্তা ৰাজীৱ ফুকন পথ নিৰ্মাণ থলীত উপস্থিত হয়। সেইসময়ত উপস্থিত থকা ৰাইজে ঠিকাদাৰজনে নিম্নমানেৰে পথছোৱা কেনেদৰে পালমাৰি নিৰ্মাণ কৰিব খুজিছে সেই বিষয়ে ব্যাখ্যা কৰে। তদুপৰি অভিযন্তাজনে নিজে বিসংগতিৰ প্ৰমাণ পোৱাত আৰু ৰাইজৰ অভিযোগ সত্য বুলি দণ্ডাধীশৰ সন্মুখত প্ৰকাশ কৰাত তাৎক্ষণিকভাৱে দণ্ডাধীশজনে পথছোৱাৰ যিসমূহ স্থানত নিম্নমানৰ শিলগুটিৰে নিৰ্মাণকাৰ্য চলাইছিল সকলোবোৰ খান্দি নতুনকৈ মেটেলিঙ কৰাবলৈ অভিযন্তাক নিৰ্দেশ দিয়ে। উল্লেখ্য যে প্ৰধানমন্ত্ৰী গ্ৰামচড়ক যোজনাৰ অধীনত ৮.৪৫ কিলোমিটাৰ দৈৰ্ঘৰ পথছোৱাৰ বাবে পাঁচ কোটি ৩৫ লাখ ১৭ হেজাৰ টকা অনুমোদন দিছিল। তদুপৰি পথনিৰ্মাণ সমাপ্ত হোৱাৰ দিন ধৰি পৰৱৰ্তী পাঁচ বছৰৰ মেৰামতিৰ নামতো সুকীয়াকৈ ৭১ লাখ ২৯ হেজাৰ টকা ধাৰ্য কৰা হৈছে। আঁচনি অনুসৰি কাম আৰম্ভ কৰাৰ দিনৰপৰা ন মাহৰ ভিতৰত কাম সমাপ্ত কৰিবলৈ কামৰ অনুমোদন পত্ৰত স্পষ্টভাৱে উল্লেখ আছে। বিগত বৰ্ষৰ জুনতে নিৰ্মাণকাৰ্য আৰম্ভ হোৱা পথছোৱাৰ নিৰ্মাৰ্ণ যোৱা ফেব্ৰুৱাৰীতে সমাপ্ত হ'ব লাগিছিল যদিও ১১ মাহ উকলি যোৱাৰ পাছতো পঞ্চাশ শতাংশ কামৰেই অগ্ৰগতি হোৱা নাই। এনে পৰিস্থিতিত সমাগত বাৰিষা আৰম্ভ হোৱাৰ লগে লগে পথছোৱা নিৰ্মাণকাৰ্য বন্ধ হৈ পৰাৰ সম্ভাৱনা প্ৰকট হৈ উঠিছে।

## ছহিদ কনকলতা বৰুৱাৰ জন্ম শতবাৰ্ষিকী

*আঠ পৃষ্ঠাৰ পৰা* আহ্বান কৰা হৈছে বুলি কয়। ইয়াৰ পাছতে কাৰ্যসূচী অনুসৰি যোৱা ৩১ জানুৱাৰীত অনুষ্ঠিত ছহিদ কনকলতা বৰুৱা স্মৃতিৰক্ষা সমিতিৰ সাধাৰণ সভাৰ কাৰ্যবিৱৰণী মুখ্য সম্পাদক অভিজিত বৰুৱাই পাঠ কৰে আৰু সভাই সৰ্বসন্মতি ক্ৰমে কাৰ্যবিৱৰণী গ্ৰহণ কৰে। পৰৱৰ্তী কাৰ্যসূচী অনুসৰি যোৱা ৩১ জানুৱাৰীৰ সাধাৰণ সভাই ছহিদ কনকলতা বৰুৱাৰ স্মৃতিৰক্ষাৰ বাবে গ্ৰহণ কৰা পাঁচটা প্ৰস্তাৱ তথা সিদ্ধান্তৰ অগ্ৰগতিৰ খতিয়ান দাঙি ধৰে সভাপতি সিদ্ধেশ্বৰ হাজৰিকাই। হাজৰিকাই কয় যে বৰ্তমান বৰঙাবাৰীত থকা ছহিদ কনকলতা বৰুৱাৰ প্ৰতিমূৰ্তি ব্ৰঞ্জৰ প্ৰতিমূৰ্তিলৈ ৰূপান্তৰিত কৰা আৰু বৰ্তমানৰ প্ৰতিমূৰ্তি ভাগ সম মৰ্যাদাৰে কনকলতা আদৰ্শ ছোৱালী হাইস্কুলৰ চৌহদলৈ স্থানান্তৰিত কৰা সন্দৰ্ভত সাধাৰণ সভাই গ্ৰহণ কৰা প্ৰস্তাৱৰ কাৰ্যকৰীকৰণৰ বাবে গহপুৰৰ বিধায়ক উৎপল বৰাৰ জৰিয়তে এখন স্মাৰকপত্ৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰা হৈছে। একেদৰে সাধাৰণ সভাই গ্ৰহণ কৰা বাকী তিনিটা প্ৰস্তাৱ ক্ৰমে কনকলতা বালিকা বিদ্যালয়ৰ চৌহদত মুক্তিযুঁজাৰু ভৱন, শিশু উদ্যান, ছহিদ কনকলতা বৰুৱাৰ নামত এটি ডিজিটেল পুথিভঁৰাল স্থাপন কৰা আৰু ছহিদ কনকলতা বৰুৱাৰ সমাধি ক্ষেত্ৰৰ প্ৰৱেশ পথত ফলক স্থাপনৰ প্ৰস্তাৱ কাৰ্যকৰীকৰণৰ বাবে গহপুৰৰ বিধায়কক স্মাৰকপত্ৰ প্ৰদান কৰা হৈছে। এই সন্দৰ্ভত সভাপতি হাজৰিকাই কয় যে বিশ্বনাথৰ উপায়ুক্তই ইতিমধ্যে সমাধি ক্ষেত্ৰৰ ফলকৰ শুদ্ধৰণীৰ সন্দৰ্ভত গহপুৰ মহকুমাৰ মহকুমাধিপতিলৈ যাৱতীয় নিৰ্দেশনা প্ৰেৰণ কৰিছে ছহিদ কনকলতা বৰুৱাৰ স্মৃতিৰক্ষা সন্দৰ্ভত গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰি বিশিষ্ট সমাজ সেৱক তথা সুৰভি সাহিত্য সমাজৰ সভাপতি শোভন চন্দ্ৰ শইকীয়াই কয় যে ছহিদ নগৰী বৰঙাবাৰীত ছহিদৰ স্মৃতি যুগমীয়া কৰাৰ প্ৰয়োজনীয়তা আছে। গমিৰিৰ ৰায়ত সভা, জ্যোতিপ্ৰসাদৰ বিচৰণ ভূমিক পৰ্যটকৰ বাবে আকৰ্ষণৰ থলী হিচাবে গঢ়ি তুলিব লাগিব বুলি উল্লেখ কৰি শোভন চন্দ্ৰ শইকীয়াই এই ক্ষেত্ৰত ছহিদ মুকুন্দ কাকতিৰ নামো জড়িত কৰাৰ আহ্বান জনায়। বহু সংখ্যক ৰাইজ উপস্থিত থকা সভাখনত গঠনমূলক বক্তব্য প্ৰদান কৰি লেখিকা, প্ৰজ্ঞাশ্ৰী লোকেশ্বৰী সন্দিকৈ, বিশিষ্ট শিক্ষাবিদ, লেখক দ্বিজেন ভূএঞা, বিশিষ্ট সমাজ সেৱিকা তথা কল্যাণপুৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী লখিমী বৰদলৈ, স্মৃতিৰক্ষা সমিতিৰ উপদেষ্টা বীৰেন কাথ হাজৰিকা, উপ-সভাপতি যাদৱ চলিহা, সহকাৰী সম্পাদক দীপক বৰুৱা, বিশিষ্ট সমাজ সেৱক উৎপল ৰাজখোৱা, ৰোহিনী কাকতিয়ে স্মৃতিৰক্ষা সমিতিৰ পদক্ষেপৰ শলাগ লয়। পৰৱৰ্তী গুৰুত্বপূৰ্ণ কাৰ্যসূচী অনুসৰি ২০২৩ৰ ২২ ডিচেম্বৰত ছহিদ কনকলতা বৰুৱাৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপনৰ সন্দৰ্ভত সভাই বিস্তৃতভাৱে আলোচনা কৰি জন্ম শতবাৰ্ষিকীৰ প্ৰস্তুতি চলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে এখন উদ্‌যাপন সমিতি গঠনৰ পোষকতা কৰে।

## 'অসমীয়া ভাষাটোৰ ওপৰত অত্যাচাৰ

*আঠ পৃষ্ঠাৰ পৰা* কালি (ন মে') এইগৰাকী স্বনামধন্য শিক্ষাবিদে জীৱনৰ ৮৮ সংখ্যক বছৰত ভৰি দিয়া উপলক্ষে অসমীয়া জাতীয় জীৱনৰ সৰ্বোচ্চ অনুষ্ঠান অসম সাহিত্য সভাৰ অধীনস্থ মনচুন কলা পৰিষদ শাখা সাহিত্য সভা, দক্ষিণপাটৰ সৌজন্যত বৰাৰ দক্ষিণপাট জাগীয়ালস্থিত বাসগৃহৰ চোতালত আয়োজন কৰা ওপজাদিন উদযাপন অনুষ্ঠানত উল্লেখিত মন্তব্য আগবঢ়াই বৰ্ষীয়ান শিক্ষাবিদগৰাকীয়ে। মনচুন কলা পৰিষদ শাখা সাহিত্য সভাৰ সভাপতি তথা দক্ষিণপাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ লৱকান্ত শৰ্মাই আৰম্ভণিতে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটিত অশীতিপৰ বৃন্দাবন বৰাই চৰকাৰীভাৱে শিক্ষকতা জীৱনৰ পৰা অৱসৰ লোৱা ২৮ বছৰ হোৱা বুলি মন্তব্য কৰি এই সময়ত অসমীয়া ভাষাটো, অসমীয়া জাতিটো, অসমীয়া কৃষ্টিক লৈ আমি নিৰাপদনে বুলি মনৰ শংকা প্ৰকাশৰে ভাষাটোৰ ওপৰত অত্যাচাৰ চলি আছে বুলি বিষণ্ণ বদনে উল্লেখ কৰে। আজিও এনে এটা দিনত তেওঁৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলে দেখুওৱা আদৰত অভিভূত হৈ ছাত্ৰ আৰু শিক্ষকৰ মাজত থকা যিটো সম্পৰ্ক সেই সম্পৰ্কই জীয়াই থকাৰ উপকৰণ বুলিও তাৎপৰ্যপূৰ্ণ বক্তব্য ৰাখে। প্ৰবীণ শিক্ষাবিদগৰাকীৰ ওপজাদিন উপলক্ষে অৱসৰপ্ৰাপ্ত শিক্ষা বিষয়া তথা বিশিষ্ট সমাজকৰ্মী প্ৰফুল্ল চন্দ্ৰ বৰাৰ পৌৰোহিত্যত অনুষ্ঠিত অনুষ্ঠানটিত মুখ্য অতিথিৰূপে যোগদান কৰি শিক্ষাবিদগৰাকীৰ প্ৰিয় আৰু প্ৰাক্তন ছাত্ৰ, বিশিষ্ট চিকিৎসক ৰমা কান্ত বৰাই জীৱনৰ ব্যস্ততাৰ মাজতো শিক্ষাগুৰু বৃন্দাবন বৰাৰ বিশাল ব্যক্তিত্বৰ সন্মোহনী শক্তিয়ে টানি অনা বুলি মত প্ৰকাশৰে গুৰুলৈ নতশিৰে প্ৰণাম নিবেদি একালৰ শিক্ষাগুৰুজনাক গামোচা, চুৰিয়া, পঞ্জাৰী, কিতাপৰ টোপোলা আৰু এটি স্ব-ৰচিত কবিতাৰে ওপজাদিনৰ ওলগ যাচে। এই অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষা বিষয়া চন্দ্ৰ সেনাপতিয়ে বিশিষ্ট অতিথিৰূপে ভাগলৈ বৰ্ষীয়ান ব্যক্তিগৰাকীৰ গুণ-গৰিমা বখানি আকৰ্ষণীয়কৈ বক্তব্য আগবঢ়াই। ইয়াৰ উপৰি গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত বৰক'লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰতাপ সিং, মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি প্ৰতাপ হাজৰিকা, বেবেজীয়া প্ৰেছ ক্লাবৰ সভাপতি সমীৰ হাজৰিকা, সদৌ অসম গ্ৰাম্য পুথিভড়াল সন্থাৰ প্ৰধান সম্পাদক বল্লদেৱ শৰ্মা, কলংপাৰ সাপ্তাহিক কাকতৰ সম্পাদক ভৰেন বৰা, উদ্যোগ আৰু বাণিজ্য বিভাগৰ অৱসৰপ্ৰাপ্ত উপ-সঞ্চালক যাদৱ ডেকা, বিশিষ্ট সমাজকৰ্মী লোকেশ্বৰ খাউণ্ড, ৰাধা মেধি, বিষ্ণু লস্কৰ, ৰাজেন শইকীয়া প্ৰমুখ্যে বহুকেইগৰাকী গণ্য-মাণ্য লোক উপস্থিত থাকি শিক্ষাবিদগৰাকীক ওপজাদিনৰ শুভেচ্ছামূলক বক্তব্য প্ৰদানৰ জৰিয়তে ভাল শিক্ষাগুৰু সকল সদায়েই সকলোৰেই চিৰপূজ্য বুলি উল্লেখ কৰে। শিক্ষাবিদ বৰাৰ পৰিবাৰ জ্যোৎস্না বৰা আৰু তেওঁলোকৰ পুত্ৰ, কন্যা, জী-জোঁৱাই আৰু নাতি-নাতিনীসকলোৱে ওপজাদিনটোত কেক কাটি জন্মদিনৰ শুভেচ্ছা জনোৱা অনুষ্ঠানটিত অসম প্ৰৱাহ কাকতৰ কাৰ্যবাহী সম্পাদক প্ৰাঞ্জল বৰদলৈয়ে শিক্ষাজগতৰ মহীৰূহ গৰাকীৰ ৮৮ বছৰীয়া ওপজাদিনটোত প্ৰণাম জনাই তেখেতৰ ৯০ সংখ্যক ওপজাদিনটোত এখন অভিনন্দন গ্ৰন্থ প্ৰণয়নৰ জৰিয়তে নতুন প্ৰজন্মৰ মাজত শৈক্ষিক জগতৰ এই বিশাল ব্যক্তিত্বক যুগমীয়া কৰি ৰাখিবলৈ সমবেত ৰাইজৰ প্ৰতি আহ্বান জনায়। অনুষ্ঠানটিত মনচুন কলা পৰিষদ শাখা সাহিত্য সভাৰ হৈ প্ৰবীণ মজুমদাৰ, ক্ষিতিশ দাস আৰু লৱকান্ত শৰ্মাই ক্ৰমে গামোচা, চেলেং আৰু সন্মানপত্ৰ, দক্ষিণপাট আঞ্চলিক ৰঙালী টিহু উদ্‌যাপন সমিতিৰ হৈ সুনীল দাস, জাগীয়াল ৰঙালী বিহু সমিতিৰ হৈ কুশী বৰুৱা, লোকনাথ বৰা, বৰক'লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হৈ অধ্যক্ষ প্ৰতাপ সিং, সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ হৈ প্ৰতাপ হাজৰিকা, বল্লদেৱ শৰ্মা আৰু সমাজকৰ্মী ভাৰত দাসে এটি স্বৰচিত কবিতা আৰু গামোচাৰে ওপজাদিনৰ শুভেচ্ছা জ্ঞাপন কৰে। গধূলিলৈকে অনুষ্ঠিত অনুষ্ঠানটিত শিক্ষাবিদগৰাকীৰ বৰ জোঁৱাই তথা সমাজকৰ্মী অমল বৰাৰ শলাগৰ শৰাইৰে সামৰণি পৰে।



গোৱালপাৰাত অনুষ্ঠিত জিলা যুৱ কংগ্ৰেছৰ সংবাদমেলত অংশগ্ৰহণকাৰী একাংশ, মঙলবাৰে।

## হাজোৰ বৰছলিত উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰম্ভ

অগ্ৰদূত বাৰ্তা
**হাজো, ১০ মে' ঃ** কালি কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত বৃহত্তৰ বৰছলি অঞ্চলত প্ৰথমবাৰৰ বাবে আৰম্ভ কৰা হয় উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান। ২০০৯ত স্থাপিত বৰছলি আঞ্চলিক জাতীয় বিদ্যালয় কৰ্তৃপক্ষই আৰম্ভ কৰিলে একাদশ শ্ৰেণীৰ বিজ্ঞান আৰু কলা শাখাৰ পাঠদান। কালি মিলপাৰাস্থিত বিদ্যালয় গৃহটোৰ উদ্বোধন কৰে পাঁচগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ যোগেশ মেধিয়ে। প্ৰাক্তন কাউন্সিলৰ আতাউৰ ৰহমানে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুল কাদেৰ, অৱসৰপ্ৰাপ্ত পৰিবহণ বিষয়া গিয়াছউদ্দিন আহমেদ, শিক্ষক হুছেইন আলী আহমেদ, শিক্ষক মতিউৰ ৰহমান, শিক্ষক মোকাদ্দেছ আলী, অৱসৰপ্ৰাপ্ত গাঁওবুঢ়া ছবেৰ আলী, পাঁচগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উচ্চবৰ্গ সহায়ক প্ৰদীপ দাস, বৰছলি আঞ্চলিক জাতীয় বিদ্যালয় উচ্চ মাধ্যমিক শাখাৰ অধ্যক্ষ মোস্তাফিজুৰ ৰহমান, পৰিচালক (অবৈতনিক) শিক্ষক আতাউৰ ৰহমান, সচিব আব্দুৰ ৰহিম, সমাজ সেৱক তমছেৰ আলী, ময়ান আলী, আব্দুল ৰেজ্জাক আদি উপস্থিত থাকে।

## অসম বুক অৱ ৰেকৰ্ডছত অন্তৰ্ভুক্ত এঞ্জেলপ্ৰিয়া শইকীয়াক সম্বৰ্ধনা

বিশেষ সংবাদদাতা
**শিৱসাগৰ, ১০ মে' ঃ** শিৱসাগৰ নগৰৰ বি জি ৰোডত অৱস্থিত হোটেল সিদ্ধাৰ্থত যোৱা ন মে'ত বৃহত্তৰ অসমীয়া যুৱ মঞ্চ শিৱসাগৰ জিলা সমিতিৰ এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সভাত আঠ বছৰ বয়সতে ৰাজ্যিক ভিত্তিত অনুষ্ঠিত কৰি অহা বিভিন্ন সমৰকলা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি ১৬ টাকৈ স্বৰ্ণপদক লাভেৰে 'অসম বুক অৱ ৰেকৰ্ড'ত নাম অন্তৰ্ভুক্তিৰে অভিলেখ সৃষ্টি কৰাৰ লগতে শিৱসাগৰ জিলা তথা অসমলৈ গৌৰৱ কঢ়িয়াই অনা আকাশ শইকীয়া আৰু মধুস্মিতা ফুকন শইকীয়াৰ কন্যা এঞ্জেলপ্ৰিয়া শইকীয়াক শিৱসাগৰ জিলা সমিতিৰ তৰফৰ পৰা উন্ম আদৰণিৰে এখন গামোচা, এটা জাপি আৰু এখন অভিনন্দন পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পাছতেই সভাতে শিৱসাগৰ জিলাৰ পৰা প্ৰতিনিধি কৰি কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি যাদৱ গগৈ, সহকাৰী সচিব আকাশ শইকীয়া, প্ৰচাৰ সচিব অনুপ কুমাৰ বৰা, শিক্ষা সচিব পাৰ্থ গগৈক জিলা সমিতিৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। সভাত বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ শিৱসাগৰ জিলা সমিতিৰ পঞ্চম বাৰ্ষিক অধিবেশন আৰু প্ৰতিনিধি সভা অহা ১১ জুনত নাজিৰাত আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

## পীড়াকটা বৰনামঘৰত চুৰি

অগ্ৰদূত বাৰ্তা
**কাকজান, ১০ মে' ঃ** টীয়কৰ পীড়াকটা বৰনামঘৰত কালি সন্ধিয়া চুৰি কাৰ্য সংঘটিত হয়। কালি সন্ধিয়া নামঘৰীয়াই বন্তি জ্বলাবলৈ আহি প্ৰত্যক্ষ কৰে চুৰি কাৰ্যৰ ঘটনা। ১৯৮২তে প্ৰতিষ্ঠা কৰা ঐতিহাসিক নামঘৰটোত মণিকূটৰ দুৱাৰৰ তলা ভাঙি নিশা চোৰে প্ৰৱেশ কৰে। নামঘৰৰ ভিতৰত আৰু বাহিৰত থকা দান-পাত্ৰ ভাঙি চোৰে আনুমানিক আঠ হেজাৰৰ অধিক টকা লুটি নিয়ে। উল্লেখ্য যে যোৱা কিছুদিন ধৰি টীয়কৰ দাঁতিকাষৰীয়া অঞ্চলৰ নামঘৰবোৰত চোৰে সঘনে লুটপাত চলাই আহিছে।

## যুৱতীক ৰাজস্থানত বিক্ৰীৰ অভিযোগত নাৰী ব্যৱসায়ীক আটক

অগ্ৰদূত বাৰ্তা
**সোণতলী, ৯ মে' ঃ** বহিঃৰাজ্য ৰাজস্থানত যুৱতী বিক্ৰীৰ অভিযোগত কামৰূপ জিলাৰ ছমৰীয়া আৰক্ষীয়ে যোৱা আঠ মে'ৰ নিশা আটক কৰে নাৰী ব্যৱসায়ী চক্ৰৰ এজন কুখ্যাত এজেণ্টক। ছয়গাঁও সমষ্টিৰ চাম্পুপাৰাৰ পৰা মহিদুল ইছলাম নামৰ নাৰী সৰবৰাহকাৰী এজেণ্টজনক আটক কৰিবলৈ সক্ষম হয় ছমৰীয়া আৰক্ষীয়ে।

### ছমৰীয়া আৰক্ষীৰ জেৰাত বিস্ফোৰক স্বীকাৰোক্তি ঃ জেললৈ প্ৰেৰণ

উল্লেখ্য যে বকো সমষ্টিৰ তামুলদি গাঁৱৰ এগৰাকী ১৮ বছৰীয়া যুৱতীক নাৰী ব্যৱসায়ী চক্ৰ এটাই নিচাযুক্ত দ্ৰব্য সেৱন কৰাই ছমাহ আগতে বিক্ৰী কৰিছিল ৰাজস্থানত। এটা নাৰীদেহ ব্যৱসায়ী চক্ৰৰ কৱলত পৰি যোৱা ১৭ ডিচেম্বৰৰ পৰা সন্ধানহীন হৈ থকা তামুলদি গাঁৱৰ ছেফাত আলীৰ কন্যা ছামিনা খাতুনক যোৱা পহিলা মে'ৰ দিনা পৰিয়ালৰ লোকে ৰাজস্থানৰ জুনজুন জিলাৰ অন্তৰ্গত ছিংগানা আৰক্ষী থানাৰ জৰিয়তে উদ্ধাৰ কৰি লৈ আহে। পাছত যুৱতীগৰাকীয়ে বকোৰ প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশৰ আদালতত দিয়া স্বীকাৰোক্তিৰ ভিত্তিত নাৰী সৰবৰাহৰ এই ঘটনাৰ অন্যতম অভিযুক্ত মহিদুল ইছলামৰ সন্ধানত নামি পৰে ছমৰীয়া আৰক্ষী। ইতিমধ্যে, নাৰী সৰবৰাহৰ এই ঘটনা সম্পৰ্কত ভাৰতীয় দণ্ড বিধিৰ ১৬৪ ধাৰাত বকো থানাত ৰুজু হোৱা ১২০/২২ নম্বৰ এটি গোচৰৰ ভিত্তিত ছমৰীয়া আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কালিচৰণ ৰয়ৰ নেতৃত্বত আৰক্ষীৰ দল এটাই এক বিশেষ সূত্ৰৰ পম খেদি আটক কৰে মহিদুলক। নাৰী ব্যৱসায়ী চক্ৰ এটাৰ সহযোগত ৰাজস্থানৰ জিংগানাৰ এক অখ্যাত গাঁৱৰ নাৰীদেহ ব্যৱসায়ী চক্ৰৰ ওচৰত ডেৰ লাখ টকাৰ বিনিময়ত বিক্ৰী কৰিছিল যুৱতীগৰাকীক। মন কৰিবলগীয়া যে ছমৰীয়া আৰক্ষীয়ে নাৰী সৰবৰাহ সম্পৰ্কত ধৃত মহিদুলক চলোৱা জেৰাত বিস্ফোৰক স্বীকাৰোক্তি প্ৰদান কৰা বুলি আৰক্ষী সূত্ৰই সদৰী কৰিছে। ইফালে, আজি ধৃত মহিদুলক ছমৰীয়া আৰক্ষীয়ে আদালতত হাজিৰ কৰাই জেললৈ প্ৰেৰণ কৰে।

## কমলাবাৰী উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ নিৰ্বাচিত পৰিচালনা সমিতিৰ কাৰ্যভাৰ গ্ৰহণ

অগ্ৰদূত বাৰ্তা
**কমলাবাৰী, ১০ মে' ঃ** মাজুলীৰ প্ৰথমখন নাৰীৰ উচ্চ শিক্ষানুষ্ঠান কমলাবাৰী উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত কালি নৱনিৰ্বাচিত বিদ্যালয় উন্নয়ন তথা পৰিচালনা সমিতিয়ে কাৰ্যভাৰ গ্ৰহণ কৰে। এই উদ্দেশ্যে বিদ্যালয় সভাকক্ষত আয়োজিত সভাত সভাপতিত্ব কৰে বিদায়ী পৰিচালনা সমিতিৰ সভাপতি তথা মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ নৰেণ ঠাকুৰীয়াই। বিদ্যালয়খনৰ প্ৰধান শিক্ষক তথা পৰিচালনা সমিতিৰ সদস্য সচিব যোগেন শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰি বিদ্যালয়খনৰ উন্নয়নৰ দিশত অৱলোকন কৰাৰ লগতে আগন্তুক গুণোৎসৱৰ প্ৰস্তুতি সন্দৰ্ভত দিহা পৰামৰ্শ বিচাৰি সভা আহ্বান কৰাৰ কথা সদৰী কৰে। সভাত বিষয়বস্তুৰ আলোচনা কৰি অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক লীলাকান্ত বৰা, অৱসৰপ্ৰাপ্ত শিক্ষক তথা মাজুলী জিলা সাহিত্য সভাৰ সভাপতি ৰঞ্জিত কুমাৰ ভূএঞা, জ্যেষ্ঠ শিক্ষক জীৱন শইকীয়া, গীতাঞ্জলি বৰা, উত্তম শইকীয়া, পম্পী হাজৰিকা আৰু সভাত উপস্থিত অভিভাৱকসকলে দিহা-পৰামৰ্শ আগবঢ়ায়। সভাপতিৰ আসনৰ ঠাকুৰীয়াই একেৰাহে তিনিগৰাকী প্ৰধান শিক্ষকৰ দিনত পৰিচালনা সমিতিৰ দায়িত্ব লৈ পোৱা অভিজ্ঞতাৰ বিষয়ে ৰোমন্থন কৰি আবেগিক হৈ পৰে আৰু আজীৱন বিদ্যালয়খনৰ উন্নয়ন অৰ্থে সেৱা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। নতুন পৰিচালনা সমিতিলৈ শুভেচ্ছা জ্ঞাপন কৰি সমিতিক কাৰ্যভাৰ অৰ্পণ কৰে।

উল্লেখ্য যে যোৰহাট জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ নিৰ্দেশ অনুসৰি বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক লীলা বৰাক সভাপতি আৰু অৱসৰপ্ৰাপ্ত শিক্ষক দিলীপ শৰ্মাক উপ-সভাপতি নিয়োগ কৰে। আজিৰ সভাই শিক্ষা বিভাগৰ নিৰ্দেশ অনুসৰি ১৪ জনীয়া সদস্যৰে পৰিচালনা সমিতিখন গঠন কৰা হয়। সভাত শিক্ষকৰ অভাৱ পূৰণ, অৱসৰপ্ৰাপ্ত শিক্ষকৰ বিদায় সম্বৰ্ধনা, বিদ্যালয় উন্নীতকৰণকে ধৰি কে'বাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

## শিল্পী দেৱযানী শীলৰ বিৰুদ্ধে অভিযোগ আক্ৰাছুৰ

অগ্ৰদূত বাৰ্তা
**দোতমা, ১০ মে' ঃ** শিল্পী দেৱযানী শীলে যোৱা এক মে'ত বাবুবিল বিষুৱাৰ মঞ্চত কোচ ৰাজবংশী জাতিৰ স্বাভিমান পাটানিক বিকৃতকৰণ কৰাক লৈ কোচ ৰাজবংশী জনগোষ্ঠীয় বিভিন্ন দল-সংগঠনৰ আৰু ৰাইজৰ লগতে কোচ ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু) ক্ষোভিত হৈ পৰিছে। কালি সংবাদ মাধ্যমৰ জৰিয়তে আক্ৰাছুৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক সুনাধৰ ৰায়ে শিল্পীগৰাকীৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰিব বুলি সকীয়াই দিয়ে। লগতে সুনাধৰ ৰায়ে শিল্পীগৰাকীক অনাগত দিনত কোচ ৰাজবংশী জনগোষ্ঠীৰ সংস্কৃতিত আঘাত হনা কামৰ পৰা বিৰত থাকিবলৈ সকীয়াই দিয়ে। ৰায়ে লগতে কোচ ৰাজবংশী জাতীয় সংগঠন তথা সচেতন ৰাইজক আহ্বান জনায় কয় যে অতি সোনকালে জাতি ধ্বংসী কাম বন্ধ কৰক নকৰিলে আগন্তুক দিনত জাতিৰ অস্তিত্ব নাথাকিব। যদি অতি সোনকালে শিল্পীগৰাকীয়ে মুকলি মঞ্চত আহি কোচ ৰাজবংশী জনগোষ্ঠীৰ আগত ক্ষমা নোখোজে তেনেহ'লে অসমৰ সকলো থানাত আক্ৰাছুই এজাহাৰ দিব আৰু প্ৰয়োজনত দেৱযানী শীলক ৰাজহুৱাভাৱে বৰ্জন কৰিব বুলিও জানিবলৈ দিয়ে আক্ৰাছুৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক সুনাধৰ ৰায়ে।

### বিষুৱা মঞ্চত কোচ ৰাজবংশী জনগোষ্ঠীয় সাজপাৰ বিকৃতকৰণ

## শালবাৰীৰ চৌৰাগুৰিত বিষুৱা উদ্‌যাপন

অগ্ৰদূত বাৰ্তা
**শালবাৰী, ১০ মে' ঃ** সদৌ বাগ্‌সা জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত তথা কালপানী আঞ্চলিক কোচ ৰাজবংশী ছাত্ৰ সন্থা আৰু ৰাইজৰ সহযোগত যোৱা সাত আৰু আঠ মে'ত বাগ্‌সা জিলাৰ শালবাৰীৰ চৌৰাগুৰিত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বিষুৱা উৎসৱ উদ্‌যাপন কৰা হয়। কোচ ৰাজবংশী জনগোষ্ঠীৰ লোকসকলে অতীজৰে পৰা বিষুৱা উৎসৱ পালন কৰি আহিছে। এইবেলিও অসমীয়াৰ হিয়াৰ আমঠু ৰঙালী বিহুৰ সমান্তৰালকৈ কোচ ৰাজবংশী জনজাতিৰ লোকসকলে শালবাৰীৰ চৌৰাগুৰিত বৰ্ণাঢ্য কাৰ্যসূচীৰে বিষুৱা উৎসৱ উদ্‌যাপন কৰা পৰিলক্ষিত হৈছে। বিষুৱা উৎসৱৰ লগত সংগতি ৰাখি এখন মুকলি সভাও অনুষ্ঠিত হয়। পৰম্পৰাগত লোক নৃত্য, খেল-ধেমালি আদি কাৰ্যসূচী ৰূপায়ণ কৰা হয় বিষুৱা উৎসৱত। বিষুৱা উৎসৱত আক্ৰাছুৰ প্ৰাক্তন সভাপতি বিশ্বজিৎ ৰায়ে অংশগ্ৰহণ কৰি সংবাদ মাধ্যমৰ জৰিয়তে সমগ্ৰ ৰাজ্যবাসীয়ে বিষুৱাৰ শুভেচ্ছা জনোৱাৰ লগতে কোচ ৰাজবংশী জনগোষ্ঠীটোক জনজাতিকৰণ কৰাৰ আহ্বান জনায় আৰু জাতীয় সংগঠনৰ নাম লৈ যিসকলে চৰকাৰৰ পকেটত সোমাইছে সেইসকলক তীব্ৰ ভাষাৰে সমালোচনা কৰে। বিশ্বজিৎ ৰায়ে নিজ জনগোষ্ঠীৰ ইতিহাস, সংস্কৃতিৰ ওপৰত ভাষণ প্ৰদান কৰাৰ লগতে আক্ৰাছুৰ সকলো গোটক একত্ৰিত হৈ জনজাতিকৰণৰ আন্দোলন আগবঢ়াই নিবলৈ আহ্বান জনায়। তাৰ লগতে আক্ৰাছুৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক কেশৱ ৰায়ে কয় যে যেতিয়ালৈকে চৰকাৰে জনজাতিকৰণৰ মৰ্যাদা নিদিয়ে তেতিয়ালৈকে চৰকাৰৰ বিৰুদ্ধে ধাৰাবাহিক আন্দোলন কৰি যাব আক্ৰাছুৱে। মুকলি সভাত উপস্থিত থাকি ভাষণ ৰাখে আক্ৰাছুৰ সাধাৰণ সম্পাদক কেশৱ ৰায়, চিকিৎসক প্ৰদীপ ৰাজবংশী আদিয়ে। সভাত কে'বাগৰাকী সমাজকৰ্মী, শিক্ষক, সাংবাদিক আৰু বিভিন্ন সংগঠনৰ ভিন্ন পৰ্যায়ৰ নেতাসকল উপস্থিত থাকে।

## বয়োজ্যেষ্ঠ মহিলা চুনামাই বেগমৰ মৃত্যু

বিশেষ সংবাদদাতা
**শিৱসাগৰ, ১০ মে' ঃ** জয়সাগৰ আৰক্ষী চকীৰ অন্তৰ্গত ৰংঘৰ চাৰি আলিৰ বয়োজ্যেষ্ঠ তথা ধৰ্মপ্ৰাণা মহিলা চুনামাই বেগম (৯০)ৰ কালি সন্ধিয়া ছয় বজাত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ দুজন পুত্ৰ এৰি যায়। কালিলৈ দিনৰ দুই বজাত ৰংপুৰ আঞ্চলিক কবৰস্থানত জানাজা সম্পন্ন কৰা হ'ব।

## মধ্য কামৰূপ মাধ্যমিক বিদ্যালয় পৰীক্ষা পৰিষদৰ বাৰ্ষিক সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা
**শুৱালকুছি, ১০ মে' ঃ** মধ্য কামৰূপ মাধ্যমিক বিদ্যালয় পৰীক্ষা পৰিষদৰ বাৰ্ষিক সাধাৰণ সভা শ্ৰীহাটী বাথান হাইস্কুলত যোৱা ছয় মে'ত পৰীক্ষা পৰিষদৰ সভাপতি শ্যামসুন্দৰ গোস্বামীয়ে পৰিষদৰ পতকা উত্তোলনেৰে সভাৰ কাৰ্যসূচী আৰম্ভ কৰে। সভাত ৰামদিয়া ক্ষেত্ৰী হাৰদিয়া, টোকৰাদিয়া, বামুন্দি, হালোগাঁও, শুৱালকুছি, দামপুৰ, বংশৰ গাঁৱৰ ১২ খন উচ্চ মাধ্যমিক আৰু আঠখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে অংশগ্ৰহণ কৰা অনুষ্ঠানত পৰিষদৰ অন্তৰ্গত বিদ্যালয়সমূহৰ পৰা অৱসৰ গ্ৰহণ কৰা ৫৩ গৰাকী শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীক সম্বৰ্ধনা জনোৱা হয়। সভাত সন্মানীয় অতিথিৰূপে উপস্থিত থাকে কামৰূপ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা কামৰূপ জিলাৰ প্ৰাথমিক শিক্ষা বিষয়া অপূৰ্ব ঠাকুৰীয়া। প্ৰাচীন ভাৰতীয় শিক্ষা ব্যৱস্থাত গুৰুকুলত গুৰু আৰু শিষ্যৰ মধুৰ সম্পৰ্কৰ আহিঁত নীতি-আদৰ্শ আৰু মূল্যবোধৰ শিক্ষাৰ জৰিয়তে এখন সুস্থ সবল সমাজ তেওঁ গুৰুত্ব আৰোপ কৰে। সভাৰ আঁত ধৰে পৰীক্ষা পৰিষদৰ সম্পাদক ধৰ্মেশ্বৰ ঠাকুৰীয়াই। বিদায়ী শিক্ষক-শিক্ষয়িত্ৰীসকলেও ভাষণ দিয়ে। সভাপতি শ্যাম সুন্দৰ গোস্বামীয়ে পুৰণি সমিতিৰ হকে পদত্যাগ কৰে আৰু নতুন সমিতি গঠনৰ আহ্বান জনায়। শ্যাম সুন্দৰ গোস্বামীক পৰৱৰ্তী ২০২২-২৩ৰ বাবে পুনৰবাৰ সভাপতি, পৰেশ দাসক উপ-সভাপতি, দিলীপ ঠাকুৰীয়াক সম্পাদক, যতীন বৈশ্য আৰু ইৰফানুল হক তালুকদাৰক হিচাপ পৰীক্ষক বাছনি কৰা হয়।




# অপৰিচিত সন্তান



**এই** জগতত যিমানবোৰ সৰীসৃপ প্ৰাণী আছে, তাৰ ভিতৰত অন্যতম হ'ল সামুদ্ৰিক কাছ। আমি সচৰাচৰ দেখা পোৱা নদী, বিল আদিৰ কাছতকৈ সামুদ্ৰিক কাছ আকাৰত বহু ডাঙৰ। জীৱনৰ অধিক কাল সাগৰৰ পানীত কটালেও ইহঁতে কণী পাৰিবলৈ বালিময় জলাশয়ৰ কাষলৈ আহিবলগীয়া হয়। সাগৰত সাঁতোৰাৰ সুবিধাৰ বাবে ইহঁতৰ ভৰিবোৰ বিৱৰ্তিত হৈ পাতল হৈ পৰিছে। নদী, বিল আদিৰ কাছৰ স'তে সাগৰীয় কাছৰ পাৰ্থক্য হ'ল, ইহঁতে শত্ৰুৰ পৰা ৰক্ষা পাবলৈ মূৰটো খোলাৰ ভিতৰত লুকুৱাব নোৱাৰে। পৃথিৱীত সাতটা প্ৰজাতিৰ সাগৰীয় কাছ আছে। এই প্ৰজাতিবোৰৰ ভিতৰত সবাতোকৈ ডাঙৰৰ আকাৰৰ কাছ হ'ল লেদাৰ বেক টাৰ্টল। সবাতোকৈ সৰু আকাৰৰ কাছবিধৰ নাম হ'ল কেম্প'ৰ ৰিডলে টাৰ্টল। সাগৰীয় কাছই বালিময় জলাধাৰৰ পাৰত কণী পাৰি বালিত লুকুৱাই থৈ পুনৰ সাগৰলৈ উভতি যায়। নিৰ্দিষ্ট সময়ত কণী উটি পোৱালি ওলাই নিজেই সাগৰলৈ অগ্ৰসৰ হয়। পিতৃ-মাতৃৰ স'তে সেই পোৱালিৰ কোনো কালেই দেখা সাক্ষাৎ নহয়। কাৰণ দেখিয়েওতো আৰু চিনি পোৱাৰ কোনো উপায় নাই! সেয়ে সাগৰীয় কাছৰ বাবে নিজৰ পোৱালিবোৰ অপৰিচিত হৈয়েই ৰয়।

## ভক্তিৰ অঞ্জলি

● হৰেন্দ্ৰ নাথ দাস

ওপজা মাটিতে
জনম ললা
মানৱীয় ৰূপত
পূৰ্ণ ব্ৰহ্ম গুৰু দেৱ দামোদৰ
সদানন্দৰ গৃহে প্ৰভু
সুভাগ্যৱতী সুশীলাৰ গৰ্ভে
স্থিতি ভৈলা, বংশ চাকি
গৌৰৱ উজ্জ্বল।
১৪১০ শকত
ফাগুন মাহৰ শুক্লা একাদশী তিথিত
পুণ্য হ'ল, অসমভূমি
নগাঁও জিলাৰ নলচা গাঁও,
অসমৰ ভূমিতে অমল জোনটি
পোহৰাই দিলা
ভকতৰ মনৰ ভকতি।
বংগ দেশৰ নৱদ্বীপ ধামৰ
কলাপ চন্দ্ৰ ভট্টাচাৰ্যই
প্ৰভুক, শিক্ষা প্ৰদানিলা,
সকলো শাস্ত্ৰ জ্ঞানত প্ৰভু
পাণ্ডিত্য লভিলা।
চৈধ্য শাস্ত্ৰ ওঠৰ পুৰাণ
বেদ-বেদান্ত গীতা ভাগৱত
সকলোতে প্ৰভুৱে জ্ঞান ভজিলা।
সত্ৰসমূহ স্থাপন কৰি
বৈদিক বৈষ্ণৱ ধৰ্ম
ভক্তৰ মাজত প্ৰচাৰ কৰিলা
কথা গীতা, কথা ভাগৱত বিলাই
ভট্টদেৱ মহা ভকতৰ সংগে—
মানৱক দেখুৱালা মুক্তিৰ পথ।
আত্মা পৰমাত্মা।
কৰি বিশ্লেষণ
নাম ধৰ্ম স্ত্ৰী-পুৰুষ
একাকাৰ হৈ যাচিছো,
আমি সমস্তজনে
প্ৰভুৰ চৰণ কমলত
একাঁজলি ভক্তিৰ অঞ্জলি।।



## টৌপনি

● অৰূপ কলিতা

গুণ গুণ মৌমাখি জাক জাক উৰে,
মিঠা মৌৰে ভৰা মৌচাক সাজে।
ৰিব ৰিব বতাহত বিয়পে সুগন্ধি,
বাগিচাত ফুলিছে ফুল নানা ৰঙী।
চিপ চিপ বৰষুণে নতুন গীত গায়,
মৌপিয়া চৰায়ে নাচে পৰাণ জুৰায়!
জিৰ জিৰ নিজৰা বৈছে নদীলৈ,
নদীওয়ে বৈ যায় নীলা সাগৰলৈ।
খুপি খুপি বগলী ডিঙি তল কৰি,
সন্ধান কৰিছে মাছ খাব যে খুটি।
খেক খেক কৰি খায় খকুৱা শিয়াল,
বান্দৰৰ জাঁপত ভাঙিল গছৰ ডাল।
মিউ মিউ মেকুৰী পালেহি আহি,
আজি হ'ব ভাগিন বাঘৰ আলহী।
চিক চিক সমদল গোন্ধোৱা চিকাৰ,
নিশা উৰে বাদুলি বিচাৰি ফলাহাৰ।
টিপ টিপ জোনাকীও উৰে আলাসত,
ঢিমিক ঢামাক পোহৰৰে নিশা অৰণ্যত।
ওখ ওখ পাহাৰত বৰ বৰ শিল,
দূৰৈৰ আকাশত তৰাৰ জিলমিল।
ভুক ভুক কুকুৰে জোৰে ৰাউচি,
আকাশত ওপঙে জোনবাই সাজি-কাচি।
গুৰুম গুৰম তেনেতে মেঘৰ গাজনি,
মইনাই মেলিলে চকু ভাঙিল টোপনি!

# আজি স্কুল বন্ধগোলাপ ফুলৰ গোন্ধ..

## তাহানি স্কুলৰ গৰম বন্ধ ঘোষণা কৰা দিনটো আৰু বকুল ফুলৰ মালাডাল

হেমেন কুমাৰ দাস



**তাহানিৰ** দিনত বিদ্যালয়ৰ গৰম বন্ধ ঘোষণা কৰা দিনটোৰ মাদকতাই বেলেগ আছিল। সেই সময়ত বিদ্যালয় সমূহৰ গৰম বন্ধ সাধাৰণতে ২৩ জুনত ঘোষণা কৰা হৈছিল। বন্ধ সৰ্বমুঠ এমাহ সাত দিন দিয়া হৈছিল। ছাত্ৰ-ছাত্ৰীসকলে গৰম বন্ধ ঘোষণা কৰা সেই বিশেষ দিনটোৰ বাবে অধীৰ অপেক্ষা কৰিছিল। গৰম বন্ধ ঘোষণা কৰা দিনটোৰ আগৰ দুটা দিনত সকলো শিক্ষকে গৰম বন্ধৰ বাবে হোমৱৰ্ক দিছিল। গৰম বন্ধ দিয়া (ঘোষণা কৰা) দিনটোত ছাত্ৰ - ছাত্ৰীসকলৰ ব্যস্ততা আৰু উল্লাসৰ সীমা নোহোৱা হৈছিল। সেই দিনটোত নিচেই পুৱাতে ছাত্ৰ-ছাত্ৰীসকলে শুৱাৰ পৰা উঠি গাঁৱত বকুল ফুল বুটলিবলৈ যায়। কিছুমানে ৰঙা পাত ফুল, তগৰ ফুল আদিও সংগ্ৰহ কৰে। এই ফুলৰে মালা গুঠি গৰম বন্ধ দিয়া দিনটোত শ্ৰেণী শিক্ষকক মালা পিন্ধোৱাটো একপ্ৰকাৰৰ নিয়মেই আছিল। সাধাৰণতে ছাত্ৰীসকলেই বেছিকৈ এই মালা তৈয়াৰ কৰি শিক্ষকক পিন্ধাবলৈ গৰম বন্ধ দিয়া বিশেষ দিনটোত লৈ যোৱা পৰিলক্ষিত হৈছিল। সেই ফুলৰ মালাডালত যেন থূপ খাই আছিল এগৰাকী শিক্ষাৰ্থীৰ গুৰুৰ প্ৰতি থকা অপাৰ শ্ৰদ্ধা-ভক্তি।

গৰম বন্ধ দিয়া দিনটোত তেতিয়া কলমেৰে ইজন শিক্ষাৰ্থীয়ে সিজনৰ গালৈ চিয়াহী ছটিওৱাটো এক পৰম্পৰা আছিল। সেয়েহে পুৱাতেই ছাত্ৰ-ছাত্ৰীসকলে নিজা কলমত চিঁয়াহী ভৰাই সাজু কৰি ৰাখিছিল। দুই এক ধুৰন্ধৰ ছাত্ৰই কলমত চিয়াহীৰ সলনি জামুৰ ৰস ভৰাই আনিছিল। স্মৰ্তব্য যে তাহানিৰ দিনত ছাত্ৰ-ছাত্ৰীসকলে আজিকালি ছাত্ৰ-ছাত্ৰীসকলে ব্যৱহাৰ কৰাৰ দৰে বল পেন, ৰিফিল পেন ব্যৱহাৰ কৰা নাছিল। বল পেনেৰে লিখিলে আখৰ বেয়া হয় বুলি ধাৰণা কৰিয়েই ছাত্ৰ-ছাত্ৰীসকলক বল পেন ব্যৱহাৰ কৰিবলৈ দিয়া হোৱা নাছিল। গৰম বন্ধ দিয়া দিনটোত অৰ্থাৎ ২৩ জুনত পুৱা আঠ মান বজাতেই স্কুল খোলা হৈছিল। কিন্তু সিদিনা কোনো পাঠদান হোৱা নাছিল। শ্ৰেণী শিক্ষক (ক্লাছ টিচাৰ) শ্ৰেণী কোঠালৈ আহি কেৱল বন্ধৰ ন'টিচখনহে পাঠ কৰে। লগতে ছাত্ৰ-ছাত্ৰীসকলক গৰম বন্ধৰ দিন কেইটাত ল'বলগীয়া সাৱধানতা, নিয়মীয়া অধ্যয়নৰ সন্দৰ্ভত কিছু দিহা-পৰামৰ্শ দিয়ে। তাৰ পাছতেই ছাত্ৰীসকলে হাতে হাতে লৈ অহা বকুল ফুলকে ধৰি বিভিন্ন ফুলৰ মালাসমূহ শ্ৰেণী শিক্ষকক পিন্ধাই শ্ৰদ্ধা নিবেদন কৰে। সেই দিনটোত ছাত্ৰ-ছাত্ৰীসকলৰ শ্ৰেণী কোঠাত শিক্ষকৰ উপস্থিতিতো অবাধ স্বাধীনতা থাকে। আনন্দ উল্লাসত মতলীয়া হয় ছাত্ৰ-ছাত্ৰীসকল। শ্ৰেণী শিক্ষকজন শ্ৰেণী কোঠাৰ পৰা ওলাই যাবলৈ সাজু হওঁতেই ছাত্ৰ-ছাত্ৰীসকলে কলমৰ খফ খুলি লৈ ইজনে সিজনৰ গালৈ চিয়াহী ছটিয়াই ফূৰ্তি কৰে। এই চিয়াহী মৰা কাৰ্যত ছাত্ৰীসকলতকৈ ছাত্ৰসকল বেছি মতলীয়া হয়। আনকি কেতিয়াবা চিঁয়াহী মৰাক লৈ কোনো কোনো ছাত্ৰৰ মাজত প্ৰচণ্ড কাজিয়াও হৈছিল। সিদিনা চিঁয়াহীৰ টোপালেৰে ছাত্ৰ-ছাত্ৰীসকলৰ পোছাকৰ বৰণেই সলনি হৈ গৈছিল। এই চিয়াঁহী মৰা কাৰ্য কেৱল এটা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজতেই সীমাবদ্ধ নাছিল। চিয়াহী মৰা পৰ্ব শেষ হোৱাৰ পাছত কোনো কোনো হাইস্কুলৰ খেলপথাৰত ছাত্ৰ আৰু শিক্ষকৰ মাজত প্ৰীতি ফুটবল খেলো অনুষ্ঠিত হৈছিল। পুৱা ১১ মান বজাৰ পৰা বিদ্যালয়ৰ শ্ৰেণী কোঠা, হল অথবা বাৰাণ্ডাতে গৰম বন্ধ উপলক্ষে আয়োজন কৰা হৈছিল বিশেষ সাংস্কৃতিক অনুষ্ঠানৰ। সেই সাংস্কৃতিক অনুষ্ঠানত বিদ্যালয়ৰ একাংশ ছাত্ৰ-ছাত্ৰীৰ উপৰি দুই-এগৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়েও গীত পৰিৱেশন কৰিছিল। বাদ্যযন্ত্ৰৰ ভিতৰত আছিল মাথোঁ এখন হাৰমোনিয়াম আৰু এযোৰ তবলা। তাকো বিদ্যালয়ৰে কোনো ছাত্ৰ-ছাত্ৰীয়ে বজাইছিল। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ কোনেও হিন্দী গীত গোৱা নাছিল। তেওঁলোকে জ্যোতি সংগীত, ৰাভা সংগীত, বনগীত, পাৰ্বতি প্ৰসাদ বৰুৱাৰ গীত, ভূপেন্দ্ৰ সংগীত, জয়ন্ত হাজৰিকাৰ গীতহে মূলতঃ পৰিৱেশন কৰিছিল। সিদিনা গৰম বন্ধৰ ফাংচনত গীত পৰিৱেশন কৰা ছাত্ৰ-ছাত্ৰীসকল দিনটোৰ বাবে (হিৰো) আছিল। দুপৰীয়া এক-ডেৰমান বজাৰ ভিতৰতে গৰম বন্ধ ঘোষণা কৰা দিনটোৰ সেই সাংস্কৃতিক অনুষ্ঠান সামৰা হৈছিল। তাহানিৰ সেই গৰম বন্ধ ঘোষণা কৰা ২৩জুনৰ বিশেষ দিনটোত গুৰু-শিষ্যৰ মধুৰ সম্পৰ্ক, ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ নিভাঁজ বন্ধুত্ব প্ৰতিফলিত হোৱাৰ উপৰি একাংশ ছাত্ৰ-ছাত্ৰীৰ সাংস্কৃতিক প্ৰতিভা বিকাশৰ সূবৰ্ণ সুযোগ আহিছিল। ছাত্ৰ-ছাত্ৰীসকলে এপাহ দুপাহকৈ ফুল সংগ্ৰহ কৰি নিজেই গুঠি অনা মালাডালত যেন থূপ খাই আছিল অফুৰন্ত গুৰুভক্তি। যিটো সাম্প্ৰতিক সময়ত অতি দুৰ্লভ। সিদিনা গৰম বন্ধ ঘোষণা কৰাৰ পাছত তলৰ শ্ৰেণীৰ একাংশ ছাত্ৰ-ছাত্ৰীয়ে (আজি স্কুল বন্ধ, গোলাপ ফুলৰ গোন্ধ)বুলি চিঞৰি চিঞৰি আনন্দ ফূৰ্তি কৰাও পৰিলক্ষিত হৈছিল।

# কুঞ্জলতা ফুল



**আমাৰ** বিহুগীতত কপৌ ফুলৰ দৰেই কুঞ্জলতা ফুলৰ উল্লেখ আছে। তেনে বিহুগীত নিশ্চয় শুনিছা! অতিশয় ধুনীয়া এই কুঞ্জলতা হ'ল একপ্ৰকাৰৰ লতা জাতীয় উদ্ভিদৰ ফুল। অসমীয়াত কুঞ্জলতা বুলি পৰিচিত হ'লেও বিভিন্ন ঠাইত ইয়াক তৰুলতা, কামলতা, তাৰালতা, গেইট ফুল, গেইট লতা, সূৰ্যকান্তি, জয়ন্তী, মেইল মণিক্কম আদি নামেৰে জনা যায়। কুঞ্জলতা ফুলক ইংৰাজীতো অনেক নামেৰে মতা হয়। যেনে, Cypress Vine, Cypress Vine Morning Glory, Csrdinal Climber আদি। সেইদৰে ইহঁতৰ বৈজ্ঞানিক নাম হ'ল Ipomoea Quamoclit Pinnata। বিশ্বৰ প্ৰায় সকলো ঠাইতে কুঞ্জলতা ফুল পোৱা যায়। অৱশ্যে ঠাইবিশেষে আকাৰ-প্ৰকাৰত ভিন্নতা আছে। পুৱাবেলা ফুলে বাবেই ইহঁতক সূৰ্যকান্তি বুলি কয়। পাঁচটা কোণবিশিষ্ট তাৰকাকৃতিৰ ফুল হয় কাৰণে ইহঁতক তাৰালতা নামেৰে জনা যায়। এইবিধ ফুলগছ মাত্ৰ এবছৰহে জীয়াই থাকে। বছৰটোত ইহঁতৰ দৈৰ্ঘ্য হয় একৰ পৰা তিনি মিটাৰ। পাতবোৰ দুইৰ পৰা ন ছেণ্টিমিটাৰ দীঘল হয়। পাতবোৰ গভীৰভাৱে খণ্ডিত। এটা পাতৰ দুকাষে থাকে নৰ পৰা ১৯টা পৰ্যন্ত খণ্ড। কুঞ্জলতা ফুল তিনিৰ পৰা চাৰি ছেণ্টিমিটাৰ দীঘল আৰু দুই ছেণ্টিমিটাৰ ব্যাসবিশিষ্ট মাইকৰ আকৃতিৰ। পাহিবোৰত পাঁচটা শিঙাৰ দৰে অগ্ৰভাগ থাকে। এই প্ৰজাতিৰ ফুল ৰঙা, গুলপীয়া আৰু বগা হ'ব পাৰে। ফুল সৰি সৰু ফল ধৰে, সেই ফলত থাকে ক'লা ৰঙৰ বীজ। বীজৰ পৰাই কুঞ্জলতাৰ বংশবিস্তাৰ ঘটে।



প্ৰতিধাৰ শিৱাংগী, দশম শ্ৰেণী, কেন্দ্ৰীয় বিদ্যালয় নগাঁও।



সম্প্ৰীতি শৰ্মা, তৃতীয় শ্ৰেণী, ছেইণ্ট ফ্ৰান্সিছ ডি ছালেছ উঃ মাঃ বিদ্যালয়।।

# সুৱৰ্ণময় শৈশৱৰ হিৰণ্ময় বৈভৱ

ড° নমিতা ডেকা

**জৰ্জ** ইলিয়টে কোৱা এষাৰ কথা —'পৃথিৱীখনক আমি গভীৰভাৱে ভাল পাব নোৱাৰো, যদিহে ইয়াৰ ওপৰত আমাৰ শৈশৱ নাথাকে।' প্ৰতিটো প্ৰাণীৰে শৈশৱ থাকে। প্ৰতিজন মানুহৰে এটা শৈশৱ থাকে। শৈশৱৰ ডেওনা পাৰ নোহোৱাকৈ পূৰ্ণ জীৱন অসম্ভৱ। প্ৰতিজন শিশুৰ বাবেই শৈশৱৰ সময়ছোৱা অতি মূল্যৱান। সময়ৰ গতিত বিলীন হৈ যোৱা শৈশৱক কোনেও পুনৰ ঘূৰাই পাব নোৱাৰে। সোণোৱালী শৈশৱৰ স্মৃতি আমি কেৱল ৰোমন্থনহে কৰিব পাৰো, হৈ পৰিব পাৰো নষ্টালজিক। কিন্তু শৈশৱ কালতে প্ৰদৰ্শন কৰা কিছু আদৰণীয় কামৰ জৰিয়তে একোটি শিশু কাললৈ অমৰ হৈ ৰয়। ঘৰ এটা নিৰ্মাণৰ সময়ত ভেটি সুদৃঢ় নহ'লে ঘৰটোৰ স্থায়িত্ব ক্ষন্তেকীয়া আৰু লৰক-ফৰক হোৱাৰ দৰে শৈশৱ কালটোতে জীৱনৰ লাইখুঁটা সুদৃঢ় কৰি নল'লে জীৱনত বহু দুৰ্যোগ ভোগাৰ আশংকা থাকে। মানুহৰ জীৱনটো ভগৱানে প্ৰদান কৰা এটা ডাঙৰ উপহাৰ। এবাৰেই তেওঁ এই উপহাৰ প্ৰদান কৰে। জন্মদিনত মা-দেউতাৰ লগতে বিভিন্নজনে ভিন্ন উপহাৰ প্ৰদান কৰে। সেইবোৰ পোৱাত শিশুমন আনন্দত নাচি উঠে। জন্মদিনত পোৱা উপহাৰ নষ্ট হ'লে, ভাঙিলে শিশুবোৰে কান্দে, দুখ কৰে; জোৰা-টাপলি মাৰি পুনৰ গঢ় দি তুলিবলৈ চেষ্টা কৰে। কিন্তু ভগৱানে দিয়া উপহাৰ এবাৰ বিনষ্ট হ'লে কাললৈ নাইকিয়া হয়। সেয়ে শিশু কালৰ পৰাই জীৱনটোক মৰম কৰি সুন্দৰভাৱে গঢ় দিবলৈ চেষ্টা কৰিব লাগে। তাৰ বাবে উপযুক্ত শিক্ষা, উপযুক্ত আচৰণ, উপযুক্ত খাদ্যাভ্যাস আয়ত্ত কৰাৰ অতীব প্ৰয়োজন। জীৱনৰ বিনাশ আছে যদিও মহৎ কৰ্ম আৰু মহৎ ব্যক্তিত্বই জীৱনক অমৰ কৰি ৰাখে। পৃথিৱীত এনে বহু ব্যক্তি আছে যিসকলৰ জীৱনৰ কাহিনীয়ে, জীৱনৰ কৰ্মই আমাক অনুপ্ৰাণিত কৰে। তেওঁলোকৰ শৈশৱৰ কাহিনীয়ে আমাৰ শিশুসকলকো সাহস, কৰ্মোদ্যম প্ৰদান কৰে। তেনে কিছু ব্যক্তিৰ শৈশৱকালক এই শিতানত দাঙি ধৰিবলৈ চেষ্টা কৰিম।



শিশুসকল, আমাৰ সকলোৰে চকুৰ আগত জিলিকি থকা মহানপুৰুষসকলৰ ভিতৰত জিভাৰ আগত থকা নামটোৱে হ'ল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ। মহাপুৰুষ জনাই অসমীয়া জাতিক দি থৈ গ'ল মানৱতাপূৰ্ণ ধৰ্ম। বিভেদহীন সমাজ, বাৰেৰহণীয়া সংস্কৃতি, জাতিৰ গৌৰৱ ভাষা সাহিত্য আৰু যে কত কি। সেয়ে কোৱা হয়— 'জয়গুৰু শংকৰ সৰ্ব গুণাকৰ, যাকেৰি নাহিকে উপাম।' শংকৰৰ নাম বহুত— শংকৰ, গংগাধৰ, মহাপুৰুষ. ডেকাগিৰী, অধিকাৰী, সন্ত, মহন্ত, আতা, গোমোস্তা, জগন্নাথ। গংগাধৰ তেওঁৰ গুপ্তনাম। শংকৰক শংকৰদেৱ নামেৰে অভিহিত কৰে তেওঁৰ গুৰু মহেন্দ্ৰ কন্দলিয়ে। শংকৰৰ গাত অলৌকিক গুণ দেখিয়ে কন্দলিয়ে এই সিদ্ধান্ত লৈ আন ছাত্ৰবোৰক শংকৰক শংকৰদেৱ বুলি মাতিবলৈ আদেশ দিছিল। শংকৰদেৱৰ শৈশৱকালৰ বহু ঘটনা ভগৱান শ্ৰীকৃষ্ণৰ শৈশৱকালৰ স'তে ৰজিতা খোৱা। শংকৰদেৱৰ মাহাত্ম্য আৰু মহত্ত্ব প্ৰকাশৰ বাবে তেওঁৰ শৈশৱকালৰ কিছু ঘটনাত অতিৰঞ্জনৰ ছাঁ পৰিছে বুলি কোৱা হয়। কিন্তু শংকৰদেৱে অতি সহজতে শাস্ত্ৰৰ কথা আয়ত্ত কৰি বুদ্ধিৰ প্ৰখৰতা দাঙি ধৰিছিল। ক-ফলা পঢ়িয়েই তেৰাই ৰচনা কৰিছিল—

'কৰতল কমল দল নয়ন।
ভৱনব দহন গহন বন শয়ন।।
নপৰ নপৰ পৰ সতৰত গময়।
সভয় মভয় ভয় মমহৰ সততয়।।
খৰতৰ বৰ শৰ হত দশবদন।
খগচৰ নগধৰ ফলধৰ শয়ন।।
জগদঘ মপহৰ ভৱভয় তৰুণ।
পৰপদ লয় কৰ কমলজ নয়ন।।

শংকৰদেৱ এনেদৰে এজন মহাপুৰুষ হৈ যুগ যুগলৈ অমৰ হৈ থকাৰ গুৰিতে কিন্তু তেৰাৰ বুঢ়ীমাক খেৰসূতী। খেৰসূতীয়ে শংকৰৰ ভৱিষ্যৎ চিন্তা কৰি মহেন্দ্ৰ কন্দলিৰ পঢ়াশালীত নাম লগাই নিদিয়াহেঁতেন হয়তো সাহিত্যৰ দিশত ইমানবোৰ বৰগীত, নাট, শাস্ত্ৰ আমি লাভ কৰিব নোৱাৰিলোহেঁতেন। প্ৰতিজন শিশুৰে মাক-আইতাক খেৰসূতীৰ দৰে দূৰদৰ্শী আৰু আদৰ্শৱতী হোৱা উচিত। শংকৰদেৱৰ একশৰণ নাম ধৰ্মই সত্যৰ সন্ধান দি সৎ পথত চলিবলৈ অনুপ্ৰাণিত কৰে, মানৱীয় গুণ আয়ত্ত কৰাত সহায় কৰে, জীৱনটোক সুন্দৰ ৰূপত গঢ় দিয়াত পথ প্ৰদৰ্শন কৰে। শিশুসকল, তোমালোকে মহাপুৰুষজনাৰ জীৱনী অধ্যয়ন কৰি শৈশৱ স্বৰ্ণময় কৰি জীৱনৰ বৈভৱ বুটলি ল'বলৈ চেষ্টা কৰিবা।

ফোন : ৯৭০৬০১০০৯৭

# চাণক্যৰ উত্তৰ



**প্ৰাচীন** কালৰ প্ৰসিদ্ধ অৰ্থনীতিবিদ কৌটিল্য চাণক্য গুপ্ত সাম্ৰাজ্যৰ মন্ত্ৰী হোৱা সত্ত্বেও এখন ঘন জংঘলত এটা কুটীৰ সাজি বাস কৰিছিল। দৈনিক বহু মানুহে বিভিন্ন পৰামৰ্শ আৰু জ্ঞান লাভৰ বাবে চাণক্যক দৰ্শন কৰিবলৈ আহে। কিন্তু যিখন জংঘলত তেওঁ বাস কৰিছিল, সেইখন আছিল শিলাময় আৰু কণ্টকময় ঘন জোপোহাৰে ভৰা। সেই কালত মানুহে সচৰাচৰ খালী ভৰিৰেই কটাইছিল। সেয়ে চাণক্যৰ কুটীৰত উপস্থিত হ'বলৈ মানুহে অনেক কষ্ট ভোগ কৰিবলগীয়া হৈছিল। সেই ঠাইত উপস্থিত হোৱালৈ মানুহৰ ভৰি তেজেৰে ৰাঙলী হৈছিল।
এদিন কেইজনমান ব্যক্তিয়ে অনেক কষ্ট ভোগ কৰি চাণক্যৰ কুটীৰত উপস্থিত হ'ল। উপস্থিত হৈয়েই এজন ব্যক্তিয়ে চাণক্যক ক'লে, 'প্ৰভু! আপোনাৰ ওচৰলৈ আহিবলৈ মানুহৰ বৰ কষ্ট হয়। আপুনি দেখোন মহাৰাজক কৈ শিলৰ পথচোৱা চামৰাৰে ঢাকি পেলোৱাৰ ব্যৱস্থা কৰিব পাৰে! তেতিয়া মানুহে কষ্ট নাপাব।'
ব্যক্তিজনৰ কথা শুনি চাণক্যই মিচিকিয়াই হাঁহি উত্তৰ দিলে, 'মহাশয়! চামৰা পাৰি দিলেই এই সমস্যাৰ সমাধান নহ'ব। কণ্টকময় আৰু শিলাময় পথ এই জগতখনত অনেক আছে। সেয়ে সমগ্ৰ বিশ্বতে চামৰা পাৰি দিয়াটো অসম্ভৱ। তাতকৈ আপুনি যদি চামৰাৰে নিজৰ ভৰি দুখন সুৰক্ষিত কৰি লয়, তেন্তে শিলাময় পথ আৰু কাঁইটীয়া জোপোহাবোৰৰ পৰা ৰক্ষা পাব।' চাণক্যৰ উত্তৰ শুনি ব্যক্তিজনে লাজতে তলমূৰ কৰিলে।

## মহৎ লোকৰ বাণী

১। যি মানুহে মহৎ ব্যক্তি, মহৎ গ্ৰন্থ, মহৎ ভাব আৰু মহৎ আদৰ্শক ভাল পায়, তেওঁ নিজেও এক ধৰণৰ মহত্ব অৰ্জন কৰে।
—মেদাম নেকাৰ

২। খং নকৰিবা, তোমাৰেই সৰ্বনাশ হ'ব, অহংকাৰ নকৰিবা, পতন হয়। আকৌ ঘৃণা নকৰিবা, নিজেই ঘৃণিত হ'ব। কেতিয়াও ফাকি নিদিবা, নিজেই বিপদত পৰিবা।
—স্বামী বিবেকানন্দ

৩। এখন মহৎ গ্ৰন্থ হ'ল এক মহৎ আত্মাৰ জীৱন ৰক্ত স্বৰূপ। জন্মৰ পৰা জন্মান্তৰলৈ ই অধ্যয়নযোগ্য।
—জন মিল্টন।

৪। আমি যাক সৃষ্টি কৰিব নোৱাৰো তাক ধ্বংস কৰাৰো আমাৰ অধিকাৰ নাই।
— গুৰুনানক

## জানি থোৱা ভাল

বিভিন্ন প্ৰকাৰৰ প্ৰসাধন সামগ্ৰী আজিকালি মহিলাৰ উপৰি পুৰুষেও ব্যৱহাৰ কৰে। কাৰণ সকলোৰেই ধুনীয়া হৈ থাকিব বিচাৰে। এইদৰে ধুনীয়া হৈ থকাৰ মনোবৃত্তি মানুহৰ আগৰ কালতো আছিল। আজিৰ দৰে আধুনিক প্ৰসাধন সামগ্ৰী তেতিয়া উপলব্ধ নাছিল। তথাপি পুৰণি কালৰ পৰাই মহিলাসকলে বিভিন্ন প্ৰাকৃতিক উপায়েৰে প্ৰসাধনৰ সামগ্ৰী তৈয়াৰ কৰি ধুনীয়া হৈ থাকিবলৈ চেষ্টা কৰিছিল। মুখমণ্ডল আৰু চকুত তৰহে তৰহে ৰং সানি ৰূপসজ্জা কৰাৰ পদ্ধতি আৱিষ্কাৰ কৰিছিল পুৰণি কালৰ মিছৰৰ মহিলাসকলে। যীশুখ্ৰীষ্টৰ জন্মৰ এটা শতিকাৰ আগতেই তেওঁলোকে সেইবোৰ প্ৰসাধন সামগ্ৰী আৱিষ্কাৰ কৰিছিল। বিভিন্ন প্ৰকাৰৰ উজ্জ্বল খনিজ চূৰ্ণত ভেড়া, উট আৰু গাহৰি আদিৰ চৰ্বি মিহলাই তেওঁলোকে নিজৰ চকু-মুখ আদিত সানিছিল। পৰৱৰ্তী সময়ত বিভিন্ন দেশৰ মানুহে সেই কৌশলৰ পৰ্যায়ক্ৰমে উন্নতি ঘটাই প্ৰসাধন সামগ্ৰী প্ৰস্তুত কৰিছিল।

# হিংস্ৰ প্ৰাণী হায়েনা



**বিশ্বৰ** হিংস্ৰ প্ৰাণীসমূহৰ ভিতৰত অন্যতম হৈছে হায়েনা। দেখিবলৈ প্ৰায় কুকুৰৰ দৰে হ'লেও ইহঁতৰ শক্তি প্ৰচুৰ। বৰ্তমান বিশ্বত চাৰিটা প্ৰজাতিৰ হায়েনা জীৱিত অৱস্থাত আছে। প্ৰতিটো প্ৰজাতিৰ আকাৰ-আকৃতিত কোনো মিল নাই। এই চাৰি প্ৰজাতিৰ হায়েনাৰ ভিতৰত চিত্ৰল হায়েনা সবাতোকৈ ডাঙৰ। চিত্ৰল হায়েনা চাৰিৰ পৰা ছফুট দীঘল আৰু দুই-আঢ়ৈ ফুট পৰ্যন্ত ওখ হয়। এটা প্ৰাপ্তবয়স্ক চিত্ৰল হায়েনাৰ ওজন ৮০ কেজি পৰ্যন্ত হ'ব পাৰে। আনহাতে, একেবাৰে সৰু প্ৰজাতিৰ হায়েনাৰ নাম আৰ্ডওল্ফ। ইহঁতৰ ওজন আঠৰ পৰা ১৪ কেজি আৰু নেজৰ পৰা দৈৰ্ঘ প্ৰায় চাৰে তিনি ফুট। হায়েনাই যিকোনো পৰিৱেশতে খাপ খাই পৰিব পাৰে। মৰুভূমিৰ পৰা আৰম্ভ কৰি গভীৰ বনভূমি, আনকি পাহৰীয়া অঞ্চলতো এইবিধ হিংস্ৰ প্ৰাণীৰ বিচৰণ আছে। সাগৰপৃষ্ঠৰ পৰা প্ৰায় ১৩ হেজাৰ ফুট উচ্চতাতো হায়েনা দেখা পোৱা যায়। হিংস্ৰ হ'লেও এইবিধ অত্যন্ত সামাজিক প্ৰাণী আৰু দল পাতি জীৱন-যাপন কৰে। একোটা দলত প্ৰায় ৫০-৬০টা হায়েনা থাকে। চিত্ৰল হায়েনাৰ এটা দলক মাইকী হায়েনাই নেতৃত্ব দিয়ে। অৱশ্যে বাকি তিনিটা প্ৰজাতিৰ দলত মহা হায়েনাই নেতা হয়। দলটোৰ নেতাই চিকাৰ, আক্ৰমণ আদি ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। নিজৰ দলতে বিবাদৰ সৃষ্টি হ'লে হায়েনাবোৰে অদ্ভুত সুৰেৰে ডাক দিয়ে। আচাৰ-আচৰণতো তেতিয়া পৰিৱৰ্তন দেখা যায়।

# মোল্লা নাছিৰুদ্দিন

## হোজাৰ সাধু

*যোৱা সংখ্যাৰ পাছৰ পৰা*

(২১)

এদিন হঠাৎ এজন লোক নাছিৰুদ্দিনৰ ওচৰলৈ আহি ক'লে ঃ 'মোল্লা, সুখবৰ আছে। আপোনাৰ কাষৰ ঘৰত চুৰুহা ৰান্ধিছে।'

ঃ 'তাত মোৰ কি হ'ল?'

ঃ 'আপোনাকো নিশ্চয় নিমন্ত্ৰণ কৰিছে।'

ঃ 'তাত তোমাৰ কি হ'ল?'

(২২)

নাছিৰুদ্দিনে এদিন ঘৰত বহি আৰামেৰে কুকুৰাৰ মাংস খাই আছিল। সেই সময়ত এজন ভিক্ষাৰীয়ে খিৰিকীৰে ভুমুকি মাৰি নাছিৰুদ্দিনক দেখি ক'লে ঃ 'মোল্লা ডাঙৰীয়া, মোক অলপ মাংস খাবলৈ দিবনে? দুদিন হ'ল, একোকে খাবলৈ পোৱা নাই।'

নাছিৰুদ্দিনে ক'লে ঃ 'মোৰ ভাগৰ কুকুৰাৰ মাংস হ'লে মই তোমাক গোটেইখিনিকে দিলোহেঁতেন। কিন্তু হায়! এয়াযে খাইছো, এয়া মোৰ পত্নীৰ ভাগৰ কুকুৰাৰ মাংস। সেইবাবে নোৱাৰিম দিব?'

(২৩)

নাছিৰুদ্দিনে এদিন ৰাজহুৱা স্নানাগাৰত স্নান কৰিবলৈ গ'ল। নাছিৰুদ্দিনে তেনেই সাধাৰণ পোছাক পিন্ধি গৈছিল। সেই কাৰণে স্নানাগাৰৰ ৰখীয়াজনে নাছিৰুদ্দিনক গুৰুত্বই নিদিলে। এডোখৰ সৰু চাবোন আৰু মাত্ৰ এখন পুৰণি টাৱেলহে দিলে গা ধুবৰ কাৰণে।

স্নানাগাৰৰ পৰা ওলাই নাছিৰুদ্দিনে ৰখীয়াটোক এটা মোহৰ বক্‌চিচ হিচাপে দিলে। ৰখীয়াটোৱে বক্‌চিচ লৈ ভাবিলে ঃ 'যদি মোল্লাক ভালদৰে আদৰ যত্ন কৰিলোহেঁতেন, তেনেহ'লে হয়তো আৰু বেছি বক্‌চিচ পালোহেঁতেন।'

পাছদিনা নাছিৰুদ্দিন আকৌ গ'ল। ৰখীয়াটোৱে তেওঁক এইবাৰ ভালদৰে আদৰ-আপ্যায়ন কৰিলে। নতুন দামী চাবোন, নতুন ধুনীয়া টাৱেল দিয়াৰ উপৰি নাছিৰুদ্দিনৰ সৰ্বশৰীৰ মালিচ কৰিও দিলে।

স্নানাগাৰৰ পৰা ওলোৱাৰ সময়ত নাছিৰুদ্দিনে ৰখীয়াটোক মাত্ৰ এটা পইচা দি ক'লে ঃ 'কালি মই মোহৰটো দিছিলো আজি আহিম বুলি। আজি পইচাটো দিলো আৰু কেতিয়াও নাহো কাৰণে।'

(২৪)

এদিন এজন মানুহে কিবা কাৰণত নাছিৰুদ্দিনক প্ৰশ্ন কৰিলে, ঃ মোল্লা, আপোনাৰ বয়স কিমান হ'ল?

ঃ 'পঞ্চাশ।'

ঃ 'কেনেকৈ? দুবছৰৰ আগতেও দেখোন আপুনি ৫০ বুলি কৈছিল।'

ঃ 'হয়। ভদ্ৰলোকৰ কথাৰ লৰচৰ নহয়।'

(২৫)

এদিন নাছিৰুদ্দিনে বাটত থিয় হৈ চিঞৰি চিঞৰি ক'লে ঃ 'মোৰ এখন মোনা হেৰাইছে। যেনেদৰে হওক, আটায়ে তাক বিচাৰি বাহিৰ কৰা। নহ'লে...।'

নহ'লে যে মোল্লাই কি কৰিব সেয়া কোনে জানে? ভয়ে ভয়ে আটায়ে মোনাখন বিচাৰিবলৈ ধৰিলে। যাহক, কিছু বিচৰাৰ পাছত মোনাখন পোৱা গ'ল।

নাছিৰুদ্দিনে মোনাখন লৈ ঘৰৰ ফালে খোজ ল'লে। এজনে সাহস গোটাই নাছিৰুদ্দিনক সুধিলে,

ঃ'মোল্লা চাহাব, মোনাখন নোপোৱা হ'লে আপুনি কি কৰিলেহেঁতেন?'

ঃ ' আৰু এখন মোনা কিনিব লগা হ'লহেঁতেন।' —নাছিৰুদ্দিনে ক'লে।

(২৬)

হঠাৎ এদিন বাদছাহে নাছিৰুদ্দিনক দৰবাৰলৈ মাতি পঠিয়ালে। নাছিৰুদ্দিনৰ ওচৰ-চুবুৰীয়া এজনে আহি ক'লে ঃ 'বাদছাহে আপোনাক এটাৰ পাছত এটাকৈ দুটা প্ৰশ্ন কৰিব, আপোনাৰ বয়স কিমান ? আৰু, আপুনি কিমান বছৰ ধৰি পঢ়া-শুনা কৰিছে?'

নাছিৰুদ্দিনে প্ৰশ্ন দুটাৰ উত্তৰো মুখস্থ কৰি লৈ দৰবাৰত গৈ উপস্থিত হ'ল।

কিন্তু বাদছাহে নাছিৰুদ্দিনক দ্বিতীয় প্ৰশ্নটো প্ৰথমতে কৰিলে ঃ 'আপুনি কিমান বছৰ ধৰি পঢ়া-শুনা কৰিছে?'

ঃ ৪০ বছৰ।'—উত্তৰ মুখস্থ কৰি যোৱা নাছিৰুদ্দিনে উত্তৰ দিলে।

ঃ 'তেনেহ'লে আপোনাৰ বয়স কিমান?'—বাদছাহে অবাক হৈ সুধিলে।

ঃ ১২ বছৰ।'

ঃ 'কি আচৰিত ? আপুনি পাগল? নে মই পাগল?'— বাদছাহ আচৰিত হ'ল নাছিৰুদ্দিনৰ কথাত।

ঃ'আমি দুয়োজনেই পাগল।'

ঃ'কি ক'লে ? মই আপোনাৰ দৰে পাগল?'

ঃ 'নহয় আপুনি আন ধৰণৰ পাগল।'— মূৰ ল'ৰাই মোল্লাই ক'লে।



## বিল্যসনন্দন চ'ৰা

# উঃ জ্বালা!



**বৰ্তমান** দেছবাচী মহাসংকটত। চিন্তা হৈছে সভাসদসকলৰো। এনে ছিটুৰেছন থাকিলে নিজৰ নিজৰ জাগালৈ যাবলৈকে সভাসদসকল পয়মালৰ সন্মুখীন হ'ব লগা হৈছে। চিলিণ্ডাৰৰ পৰা চাউল-দাইল-তেললৈকে সৱতে কেৱল জুই। বাকীতো বাদেই, গাজৰ- বিলাহীৰ দামেই ৮০-১০০ টকা হৈছেগৈ। নতুন কাপোৰ এডোখৰ গাত মেৰিয়াই ল'ম বুলি ভাবিলেই তিনি হেজাৰ-চাৰি হেজাৰ টকা জেপৰ পৰা সাউতকৈ ওলাই যায়। সাধাৰণ কাহৰ দৰৰ এটা কিনিব লাগিলে পাঁচশ টকা মিনিমাম। পেট্ৰ'ল-ডিজেলৰ দাম ইমান বাঢ়িছে যে তেল ডিপ'ত তেল ভৰাবলৈ যোৱা গাড়ীৱালাবোৰ সাংঘাতিক কনফিউজনত পৰিছে। তেল ভৰাবৰ সময়ত তেল ডিপ'ৰ মানুহে কয়—জিৰ'টো চাই লৱক। গাড়ীৱালাজন বিবুধিত পৰে-মেচিনৰ জিৰ'টো চাব নে মানি বেগৰ জিৰ'টো চাব! লোকৰ আগত নোটভৰ্তি মানি বেগ উলিয়াই আম্বানীসুলভ পুৰুষত্ব দেখুৱাই ভাল পোৱা পুৰুষসকলে আজিকালি মানি বেগটোত জধে-মধে কাগজবোৰ ভৰাই শকত কৰি থয়। ভিতৰত মাল নাথাকিলেও নাই, চেহেৰাপাতি ভাল হ'লে অলপ ভাল লাগে। মানে অপৰূপ ধুনীয়া কইনা, কিন্তু মেট্ৰিক ফেইল। তথাপি বিয়াৰ দিনা কইনাৰ সৌন্দৰ্যৰ দৰ্শন লাভ কৰিবলৈ কাৰনো ইচ্ছা নাজাগে? কাগজ ভৰ্তি মানি বেগটোও মেট্ৰিক ফেইল সুন্দৰী কইনাৰ নিচিনাই হৈ পৰিছে। ঘৰৰ মানুহে আকৌ এই মানি বেগটোক পানী বেগ বুলিহে কয়। মানি নাই যেতিয়া বেগটোত পানীকে ভৰাই লৈ যাব পাৰে দেখোন! এয়া বেছিভাগ গৃহিণীৰ শোকাৰহ প্ৰস্তাৱ। সৌসিদিনালৈ চবজী বজাৰ কৰিবলৈও গাড়ীখন লৈ গৈছিল। কিন্তু এতিয়া এনে এটা সময় আহি পৰিছে যে বজাৰলৈ গাড়ীখন নি গাড়ীৰ ভিতৰতে চবজীবোৰ থৈ বেচিব লগা হৈছে। বিয়াৰ আগে আগে ছোৱালীবোৰে মাক-দেউতাকক খাটনি ধৰিছিল ফ্ৰীজ লাগিব, টিভি লাগিব, ৱাশ্বিং মেচিন লাগিব। এতিয়া কিন্তু বিবাহলৈ ডিঙা মেলা ছোৱালীবোৰে পোনছাটে বাপেকক এটা কথাই কয়— 'কিবা দিয়া বা নিদিয়া, চিলিণ্ডাৰ কিন্তু দিব লাগিবই।' উজালাত কানেকচন লৈ পাকঘৰটোক উজলাই তোলা চিলিণ্ডাৰবোৰক এতিয়া ফুলৰ মালা পিন্ধাই সসন্মানে জাগাত থৈ দি বাৰীৰ কাঠ খৰি আনি জ্বলাই ৰন্ধা-বঢ়াৰ ব্যৱস্থা কৰা হৈছে। সৌসিদিনালৈকে যিটো চিলিণ্ডাৰলৈ চাই মুখত হাঁহি বিৰিঙাই উজালা বুলি কোৱা হৈছিল, এতিয়া তেওঁলোকেই সেই ১১০০ টকীয়া চিলিণ্ডাৰলৈ চাই ক'ব লগা হৈছে— 'উঃ জ্বালা!' এটা চিলিণ্ডাৰত এহেজাৰতকৈ বেছি ভৰিব লাগে, কম জ্বালা নহয়। আমাৰ দেছৰ ইক'নমী বহু ডাঙৰ ডাঙৰ ইক'নমিষ্টে বুজি পোৱা নাই। মাৰ্কেট ডাউন হৈ গৈ আছে আৰু ষ্টক মাৰ্কেট আপ্ হৈ গৈ আছে। পাব্লিক মানিৰ কেৱল আউট গ'য়িং চলি আছে আৰু আম্বানী-আদানীৰ ইনকামিং দিনক দিনে বাঢ়ি গৈ আছে। অৱশ্যে এটা কথা খাটাং যে যিমানেই বেয়া দশা নহৱক কিয়, হামাৰ হিন্দুস্তান শ্ৰীলংকাৰ দৰে নহয়। হ'লেও কোনেও গম নাপায়। কেনেকৈ গম পাব? আমাৰ মিউট চেনেলবোৰে দেছৰ বদনাম হোৱা কাম কেতিয়াও নকৰে। দেছৰ বেয়াটো কেতিয়াও নেদেখুৱায়, সদায় ভালটো দেখুৱাব। ভালটো কি? যেনে ধৰক দিল্লীৰ বাদশ্বাহে ইউৰোপ গৈছে, সেউজীয়া ঘাঁহনিত ৱাক কৰি কৰি আলাপ কৰিছে, দেছলৈ ৰিটাৰ্ণ কৰি গংগাস্নান কৰিছে। এইবোৰ ভাল কথা। পাব্লিকৰ চেপেটা হৈ যোৱা পেট দেখুওৱাতকৈ বাদশ্বাহৰ চাপ্পন ইঞ্চিৰ বুকুখন দেখুৱালেহে দেছৰ চন্মান বাঢ়ে।



কিন্তু সভাসদসকল চিন্তিত। সিহঁতে কোৱা-কুই কৰিছে— 'এনে এটা দুৰ্যোগৰ সময়ত বাদশ্বাহে পাব্লিকৰ কান্ধত হাতখন থব লাগিছিল। কষ্টত থকা পাব্লিকে অলপ হিম্মত পালে হয়!' আন দুজনমানে লগে লগে মাত দিলে—'বাদশ্বাহে পাব্লিকৰ কান্ধত হাত থ'ব নোৱাৰে!'

ঃ কিয় নোৱাৰে?

ঃ কিয়নো বাদশ্বাহৰ দুয়োখন হাত পাব্লিকৰ জেপত সোমাই আছে।



# হঠাৎ ৰাঙলী হ'ল চীনৰ আকাশ

**নিউজ ব্যুৰ'**
**বেইজিং, ১০ মে' ঃ** নীলা আকাশে বৰণ সলালে অশুভ সংকেত দিয়ে বুলি আজিও বহুতো লোকে বিশ্বাস কৰে। কাৰণ প্ৰকৃতিগতভাৱে মানুহে আকাশৰ ৰং নীলা হিচাপেই গ্ৰহণ কৰে। অৱশ্যে কেতিয়াবা সৌৰজাগতিক ঘটনা-পৰিঘটনাৰ বাবে পৃথিৱীৰ বিভিন্ন অঞ্চলত আকাশে ৰং সলায়। এইবাৰ হঠাতে চীনৰ আকাশ ৰঙা হ'ল। দেশখনৰ ঝুশান চহৰৰ আকাশত এনে এক অস্বাভাৱিক ঘটনা বন্দী হ'ল কেমেৰাত। এনে ঘটনাৰ পাছতে শংকিত হৈছে দেশখনৰ জনগণ। কিয়নো আকাশে ৰং সলালে অশুভ সংকেত দিয়ে বুলিয়ে অন্ধবিশ্বাস কৰা লোকৰ সংখ্যাই অধিক। ইয়াকে লৈ বিভিন্ন ধৰণৰ জল্পনা-কল্পনাৰ সৃষ্টি হৈছে। চহৰখনৰ বাসিন্দাসকলে এনে ধৰণৰ বিৰল দৃশ্য কেতিয়াও প্ৰত্যক্ষ কৰা নাছিল বুলি কয়। অহা সাত দিনৰ ভিতৰত দেশখনত ভূমিকম্পৰ আশংকা ব্যক্ত কৰিছে চহৰখনৰ বাসিন্দাসকলে। হঠাতে কি কাৰণে আকাশখন ৰাঙলী হ'ল সেই লৈ বিভিন্নজনে ভিন্ন মন্তব্য আগবঢ়ালেও ইয়াৰ প্ৰকৃত কাৰণ জানিব পৰা হোৱা নাই। উল্লেখ্য যে ১৭৭০ত এনেধৰণৰ এক বিৰল দৃশ্য চীনৰ আকাশত দেখা গৈছিল। একেৰাহে ন দিন ধৰি আকাশ ৰঙা হৈ আছিল। অৱশ্যে জাপানৰ বিজ্ঞানীসকলে পৰৱৰ্তী সময়ত এয়া এক সৌৰজাগতিক ঘটনা বুলি মন্তব্য কৰিছিল। উক্ত ঘটনাৰ স'তে শেহতীয়া বৰণ সলোৱা ঘটনাৰ স'তে সাদৃশ্য আছে নেকি তাক লৈ এতিয়া চৰ্চা আৰম্ভ হৈছে।

## সাত দিনৰ ভিতৰত ভূমিকম্পৰ আশংকা স্থানীয় বাসিন্দাৰ



# যুদ্ধক্ষেত্ৰৰ পৰাই শিক্ষাদান কৰিছে ইউক্ৰেইনৰ অধ্যাপকে

**নিউজ ব্যুৰ'**
**কিয়েভ, ১০ মে' ঃ** ধাৰাবাৰভাৱে চলি আছে ৰুছ সেনাৰ গোলা-বাৰুদ বৰ্ষণ। এনে ভয়াৱহ পৰিস্থিতিৰ মাজতে বালিৰ বস্তাৰে নিৰ্মিত অস্থায়ী বাংকাৰত সোমাই বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীক অনলাইনত পাঠদান দিয়াত ব্যস্ত হৈ আছে এজন ইউক্ৰেনীয় সেনা। ৰাইফলটো কান্ধৰ পৰা নমাই থোৱা আছে। এখন হাতত বহী-কলম। আনখন হাতেৰে ম'বাইল ফোনটো ধৰি আছে। সেই ফোনৰ দ্বাৰাই যুদ্ধক্ষেত্ৰৰ পৰাই ছাত্ৰ-ছাত্ৰীৰ স'তে যোগাযোগ ৰাখিছে তেওঁ। যোৱা শুকুৰবাৰে ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ ৭২সংখ্যক দিনতে এনে এখন ফটো সামাজিক মাধ্যমত বিয়পি পৰে।

অনুসন্ধানত জনা গৈছে যে সেই সেনা জোৱানজনৰ নাম ফেদিৰ শ্বেণ্ডৰ। প্ৰকৃততে তেওঁ সেনা জোৱান নহয়, বৰঞ্চ এজন অধ্যাপক। ইউক্ৰেইনৰ উজহোৰ্ড ৰাষ্ট্ৰীয় বিশ্ববিদ্যালয়ত তেওঁ অধ্যাপনা কৰে। যোৱা ২৪ ফেব্ৰুৱাৰীত ৰাছিয়াই ইউক্ৰেইনত সামৰিক অভিযান আৰম্ভ কৰাৰ দিনাই তেওঁ দেশৰক্ষাৰ বাবে নিজ দেশৰ সেনাবাহিনীত যোগ দিয়ে। শ্বেণ্ডৰৰ দৰে অসংখ্য সাধাৰণ নাগৰিকেও যুদ্ধৰ পৰিস্থিতিত এইদৰে ইউক্ৰেইন সেনাত যোগ দিছে। সেই দিনাৰ পৰাই শ্বেণ্ডৰ যুদ্ধক্ষেত্ৰতে আছে। শ্বেণ্ডৰে কয়, 'বিগত ৭০ দিন মই যুদ্ধ কৰি আছো।' অথচ যুদ্ধ অব্যাহত ৰখাৰ মাজতো তেওঁ ছাত্ৰ-ছাত্ৰীসকলক অনলাইন পাঠ দিয়াৰ বাবে এক নিৰ্দিষ্ট সময় ঠিক কৰি লৈছে। প্ৰতি সপ্তাহৰ সোমবাৰ আৰু মংগলবাৰে পুৱা আঠ বজাত তেওঁ অনলাইন পাঠদান কৰে। যুদ্ধৰ আৰম্ভণিৰে পৰা এদিনো তেওঁৰ ৰুটিনত ব্যতিক্ৰম ঘটা নাই। শ্বেণ্ডৰে কয়, 'ল'ৰা-ছোৱালীক পঢ়োৱাৰ দৰে পৱিত্ৰ কাম আন একো হ'ব নোৱাৰে। সেয়া মই বাদ দিব নোৱাৰো।' ইউক্ৰেইনৰ কোন প্ৰান্তত থাকি শ্বেণ্ডৰে যুদ্ধ চলাই গৈছে, সেয়া অৱশ্যে সদৰী কৰা নাই উজহোৰ্ড ৰাষ্ট্ৰীয় বিশ্ববিদ্যালয় কৰ্তৃপক্ষই। কেৱল জনোৱা হৈছে যে পূব ইউক্ৰেইনৰ কোনো এক প্ৰান্তত আছে।




বজ্ৰাঙ্গ

এম. এম. টেব (ফোৰ্ট) আৰু ডাইবিক্যোৰ
নিৰ্ভৰযোগ্য ডাইবিটিজ (পেশাব ও ৰক্তত চেনী, মধুমেহ) নাশক, অত্যন্ত বলবীৰ্য আৰু স্বাস্থ্যবৰ্দ্ধক ঔষধ।

অম্লশূলশমন চূৰ্ণ
অম্লপিত্ত, পিত্তশূল, গেছ, বুকু পুৰা, কোষ্টবদ্ধতা, শূল আদি পেটৰ সকলো ৰোগ নাশক।

শ্ৰী বজ্ৰাঙ্গ আয়ুৰ্বেদ ভৱন
(আয়ুৰ্বেদোক্ত বিশুদ্ধ ও অনুভূত ঔষধৰ সুপৰিচিত নিৰ্মাতা)
মুৰলীধৰ শৰ্মা ৰোড, ফাঁচী বজাৰ, গুৱাহাটী-১ (অসম)
ফোন ঃ (০৩৬১) ২৫৪৭৭৮৯ (কা.) ২৫২২৫৭৪ (ফেক্টৰী)

PHYSIOTHERAPY CENTRE
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

অসম চৰকাৰ
GOVERNMENT OF ASSAM
গুণোৎসৱ
শিক্ষা বিভাগৰ এটি প্ৰয়াস
অসম চৰকাৰ



গুণোৎসৱ ২০২২
গুণগত শিক্ষাৰ মানদণ্ড নিশ্চিতকৰণৰ এক প্ৰয়াস

অসম চৰকাৰৰ শিক্ষা বিভাগৰ প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ৰ চৰকাৰী, প্ৰাদেশিকীকৃত তথা চাহ বাগিচা কৰ্তৃপক্ষৰ দ্বাৰা পৰিচালিত বিদ্যালয়সমূহৰ প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক প্ৰগতি নিশ্চিত কৰাৰ উদ্দেশ্যৰে গুণোৎসৱ-২০২২ অনুষ্ঠিত হ'ব।

এই গুণোৎসৱৰ কাৰ্যসূচীত অহা ১১ মে' ২০২২ৰ পৰা ৪ জুন ২০২২লৈ তিনিটা পৰ্যায়ত অসমৰ ৩৩ খন জিলাৰ ৪৬,০০০ খন বিদ্যালয়ৰ ৪২,৫০,২২৪ গৰাকী ছাত্ৰ-ছাত্ৰীক সামৰি লোৱা হ'ব।

মূল্যায়নৰ পৰ্যায়সমূহ ঃ

→ প্ৰথম পৰ্যায় (১১ মে'ৰ পৰা ১৪ মে', ২০২২)ৰ জিলাসমূহ-
কৰিমগঞ্জ, কাৰ্বি-আংলং, গোৱালপাৰা, চৰাইদেউ, ডিব্ৰুগড়, দৰং, ধেমাজি, নগাঁও, বঙাইগাঁও আৰু বিশ্বনাথ।

→ দ্বিতীয় পৰ্যায় (২৩ মে'ৰ পৰা ২৬ মে', ২০২২)ৰ জিলাসমূহ-
কামৰূপ, কোকৰাঝাৰ, গোলাঘাট, তিনিচুকীয়া, দক্ষিণ শালমাৰা-মানকাচাৰ, বৰপেটা, মাজুলী, মৰিগাঁও, শিৱসাগৰ, হাইলাকান্দি, হোজাই আৰু ওদালগুৰি।

→ তৃতীয় পৰ্যায় (১ জুনৰ পৰা ৪ জুন, ২০২২)ৰ জিলাসমূহ-
কামৰূপ মহানগৰ, কাছাৰ, চিৰাং, ডিমা হাছাও, ধুবুৰী, নলবাৰী, পশ্চিম কাৰ্বি-আংলং, বাক্সা, যোৰহাট, লখিমপুৰ আৰু শোণিতপুৰ।



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

গুণোৎসৱ কাৰ্যসূচী সাফল্যমণ্ডিত কৰাৰ বাবে সংশ্লিষ্ট সকলোৰে প্ৰত্যক্ষ সহযোগিতা কামনা কৰা হ'ল।

জনসংযোগ/ডিএফ/৩৫২/২২


অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com